# মূলা-গাভৰু

বুৰঞ্জী-মূলক নাটক

শ্ৰীৰাধাকান্ত সন্দিকৈ

# মূলা-গাভৰু।

বুৰঞ্জী-মূলক

নাটক।

লিখক

শ্রীৰাধাকান্ত সান্দকৈ

যোৰহাট।

১৯২৪ চন।

প্ৰকাশক

শ্রীশৰৎচন্দ্ৰ গোস্বামী

যোৰহাট।

বেচ—।৷০ অনা মাথোন।

কলিকতা
২নং বেথুন ৰো, ভাৰতমিহিৰ যন্ত্ৰত,
শ্ৰীসৰ্ব্বেশ্বৰ ভট্টাচাৰ্য্য দ্বাৰা
মুদ্ৰিত।

# আগকথা।

এই মূলা "গাভৰু" নাটকটি বুৰঞ্জীমূলক বুলি পাঠক পাঠিকাৰ হাতত দিয়া হল। কিন্তু বুৰঞ্জীৰ আচল ঘটনাৰ লগত অনেক মনে-সজা ডাল-পাত জোৰা দিয়া কথা গাঁঠি কিতাপ খনি সজোৱা হৈছে। এই নিচিনাকৈ প্ৰকৃত ঘটনাত মনে গঢ়া অলঙ্কাৰ পিন্ধাই নাটক লিখা অসঙ্গত নহয়। আৰু এই নিয়ম পূৰ্ব্বৰে পৰা সকলো দেশত, সকলো ভাষাত চলি আহিছে। আসাম বুৰঞ্জী যি সকলে ভালকৈ পঢ়িছে সেই সকলে সাৰ কথাখিনি বাচি লব পাৰিব।

বুৰঞ্জীত জয়ন্তীৰ নাম গোন্ধও নাই। কচাৰি ৰজা ৰণত হাৰি চুহুম্মুং আহোম ৰজালৈ এটি ৰাজ-কন্যা ভেটি দি পঠোৱা মাথোন এথাইত উল্লেখ আছে। সেই কথাষাৰকে গুৰি ধৰি আৰু সেই ৰাজ-কন্যাটিকে জয়ন্তী নাম দি সজাই পৰাই পাঠক পাঠিকাৰ আগত থিয় কৰা হৈছে। তেঁওৰ স্বভাৱ চৰিত্ৰ, কথা বতৰা, আৰু কাৰ্য্য "কাৰখানা" বোৰ ৰুচিকৰ হৈছে নে নাই কব নোৱাৰোঁ। কিন্তু আজি-কালি জগতৰ গতিবিধিলৈ চাই মূলাগাভৰু আৰু জয়ন্তীৰ আৰ্হি লগাত পৰিছেহি যেন দেখা যায়।

মূলা গাভৰুৰ অসীম সাহস, অসাধাৰণ বীৰত্ব, নিৰ্ম্মল

পতি ভক্তি, আন্তৰিক স্বদেশ-প্ৰেম প্ৰভৃতি গুণ বিলাক এই নাটকত যে উপযুক্ত মতে জনাব পৰা হৈছে এনে বিশ্বাস নহয়। মোৰ স্বনাম খ্যাত ভতিজা শ্ৰীমান হিতেশ্বৰ বড় বড়ুৱাই লিখা "মুলা গাভৰু" উপন্যাস পঢ়িলেহে এই অদ্বিতীয় বীৰ নাৰীৰ সবিশেষ পৰিচয় পোৱা যাব।

আজি-কালি আমাৰ দেশৰ সকলো মানুহৰে থিয়েটাৰ চাবলৈ বা কৰিবলৈ বৰ আগ্ৰহ দেখা গৈছে। আৰু এনে আগ্ৰহ দিনে দিনে বাঢ়িব লাগিছে। কিন্তু নাটক নহলে থিয়েটাৰ নহয়। বেজাৰৰ কথা যে সেই পৰিমাণে অসমীয়া নাটকৰ যোগান হোৱা নাই। সকলোয়ে জানে যে থিয়েটাৰ ভাওনাত পট পাত্ৰ দেখুৱাই কোনো বিষয়ে জনসাধাৰণক শিক্ষা দিলে যিমান শীঘ্ৰে আৰু সহজে উদ্দেশ্য সাধন হয়, সভা সমিতি বক্তৃতা দ্বাৰা শিক্ষাৰ পৰা সিমান সোনকালে ফল নধৰে। এই সুযোগতে যদি আমাৰ সাহিত্যৰথী সকলে উপযুক্ত নাটক লিখিবলৈ ধৰে তেন্তে "জাতিত্ব ৰক্ষা কৰা," "জাতীয় জীৱন গঢ়া," "জাতীয় সমাজ সংস্কাৰ কৰা," প্ৰভৃতি যি যি আন্দোলন চলিছে সেই বিলাক সিদ্ধি হবলৈ এটা ভাল উপায় ওলায়। তালৈকে লাগে আমাৰ নিজ দেশৰ বুৰঞ্জী-মূলক, নিজ সমাজৰ ৰীতিনীতি বিষয়ক নাটক। এনে নাটক লিখিবলৈ আমাৰ নিজ দেশৰ সজুলিও জোখাৰে আছে।

আসাম বুৰঞ্জীত মূলা গাভৰুৰ বাহিৰেও অনেক বিখ্যাত তিৰী পুৰুষ আছে, যাৰ আদৰ্শ আসামত কিয় গোটেই জগতৰ আগত আমি গপাই যহাব পাৰোঁ। আন দেশৰ বুৰঞ্জীত যেনে হৰ্ষ আৰু বিষাদ ভৰা ঘটনা আছে, ৰণ-বিগ্ৰহ আৰু সম্পদ শান্তিৰ কথা আছে, ৰাজ-নীতি আৰু সমাজ নীতিৰ ব্যৱস্থা আছে, ৰাজ্য-স্থাপন আৰু ৰাজ-ভগনৰ কাহিনী আছে, আসাম বুৰঞ্জীতও তাৰ অভাৱ নাই। কিন্তু ঘৰৰ বস্তুৰ লগত আমাৰ ৰাহি নাহে। তাক পৰ যেন ভাবি আমি ঘিণ কৰোঁ। যি কথা শুনালে আমাৰ জনসাধাৰণে বেগাই বুজে, যি বস্তু আগত ধৰিলে সতকাই চিনে, যি ভাও আগত মেলিলে সহজে জাতীয় ভাব অন্তৰত জলে, যি আদৰ্শ উপমা দেখুৱালে স্বজাতি স্বদেশলৈ প্ৰেম ভক্তি জন্মে, যাৰ যশ কীৰ্ত্তন কৰিলে আমাৰ অতীতৰ গৌৰৱলৈ মনত পৰি হৃদয়ত উলাহ জন্মে, সেই বোৰলৈ পাচ দি আমি চপাই ধৰোঁ বিদেশৰ বিদেশী ভাষাত লিখা কথা বোৰ— যাৰ ভাব, মৰ্ম্ম আৰু গুণ আমাৰ মানুহে সহজে বুজিব আৰু লব নোৱাৰে। নিজৰ কল্পনা-শক্তি, চিন্তা-শক্তি, ৰচনা-শক্তি বঢ়াবলৈ চেষ্টা নকৰি আমি কৰোঁ—লোকে লোকৰ ভাষাত লিখা উপন্যাস নাটকবোৰ তৰ্জ্জমা। এই দৰে "বিদেশী" বস্তু আদৰ কৰা এঁকে বাৰে বেয়া বুলি নকওঁ। আৱশ্যক মতে "বিদেশী" বস্তু নকল আৰু ব্যৱহাৰ কৰি আমাৰ ভঁৰাল

চহকী কৰা বাঞ্ছনীয়। কিন্তু "স্বদেশী" বস্তুৰ ফালে আওকাণ দিয়াটোহে অমঙ্গলৰ চিন।

ছপা কৰিবৰ সময়ত শ্ৰীযুত শৰতচন্দ্ৰ গোস্বামী দেৱে কিতাপ টোত চকু ফুৰাই মাজে মাজে প্ৰুফ আদি সংশোধন কৰাত মোক বহু সহায় কৰিলে। সেই বাবে তেওঁৰ নটৈথ শলাগ লৈছোঁ।

বিদেশত ছপা হোৱাৰ বাবে কিতাপত কিছু দোষ ৰই যাব পাৰে। সেই বাবে ক্ষমা বিচাৰিছোঁ।

গ্ৰন্থকাৰ।



৺চন্দ্রকান্ত ৺ইন্দ্রকান্ত

# উৎসৰ্গ পত্ৰ ।

প্ৰাণৰ পোনা চন্দ্ৰকান্ত ও ইন্দ্ৰকান্ত,

তোমালোকৰ দুয়োটি ভায়েৰে দুপাহি পাৰিজাত ফুলৰ নিচিনাকৈ ফুলি মোৰ সংসাৰ নন্দন কাননত স্বৰগৰ ৰেহৰূপ দেখুৱাই মোক মুগ্ধ কৰি ৰাখিছিলাহঁক । আজি কিন্তু তোমালোক কত ! এই নাটকখানি ছাপা কৰি উলিয়ালে অভিনয় কৰিবলৈ ভাল হব বুলি কৈ মোক নাটক ছপোৱা কামত লগাই, তোমালোক দুয়োটি ভায়েৰ ২২ দিনৰ আগপিচা কৈ ইমান কোমল বয়সতে এই অবিচাৰী আৰু অমঙ্গলীয়া সংসাৰৰ পৰা অনন্ত অজান শান্তিপূৰ্ণ জগতলৈ গুচিগলাহঁক । এতিয়া তোমালোকে ইচ্ছা কৰা দৰে নাটক ছপা হৈ ওলাল কিন্তু অভিনয় কৰিব খোজা তোমালোক ক'ত ! তোমালোকৰ লগৰীয়া আৰু সমনীয়া বন্ধুবিলাকে এই নাটক অভিনয় কৰিলেও স্বৰ্গত তোমালোকৰ আত্মাই তৃপ্তি আৰু সন্তোষ লাভ কৰিব বুলি আশা কৰি চকুৰ লো টুকি টুকি এই নাটক ছপাই শেষ কৰিলোঁ ।

স্বৰ্গৰ বস্তু স্বৰ্গলৈ গ'লাগৈ । তোমালোকৰ অবিহনে তোমালোকৰ "মামা" আৰু দেওতাৰে বুকত শোকৰ জুই একুৰা

লই একো একো ডোখৰ পোড়া কাঠৰ দৰে এই নশ্বৰ জগতত পড়ি থাকিল।

পোনা দুটিৰ আত্মাই তুষ্ট হব আৰু শান্তিলাভ কৰিব বুলিয়েই মনৰ এনে আলৈ বিলৈ অৱস্থাতো এই কিতাপ খনি ছপাই তাঁহাতৰ পবিত্র নামত উৎসর্গ কৰিলোঁ।

৩০ জুন, ১৯২৪ চন

ময়না ইঁতৰ
"মামা" আৰু দেওতা।

# নাটকৰ পাত্ৰ সকল।

পুৰুষ।

স্বৰ্গ নাৰায়ন ( চুহুম্লুং ), চুপিমফাৰ পুত্ৰ—আসামৰ ৰজা

কনচেং—চুপিমফাৰ চমুৱা ৰাণীৰ পুত্ৰ, পাচত
বৰপাত্ৰ গোঁহাই।

চাও ফ্ৰাচেংমুং বৰগোহাঁই— মূলাৰ স্বামী—মন্ত্ৰী আৰু
বৰ সেনাপতি।

চুক্লেং—স্বৰ্গনাৰাযণৰ বৰ পুত্ৰ।

চুতেং—ৰাজ কোঁৱৰ আৰু সেনাপতি।

দেওৰাজ – ৰাজকোঁৱৰ আৰু সেনাপতি।

তুৰ্ব্বক—গৌৰ দেশৰ নবাবৰ পাঠান চুবাদাৰ।

তাজু, হুচেন, বঙ্গাল – মচলমান সেনাপতি।

অমৰখাঁ—তুৰ্ব্বকৰ মন্ত্ৰী আৰু সাৰথি।

গুৰুচৰণ ভট্টাচাৰ্য্য—বঙ্গদেশৰ বেপাৰী।

মন্ত্ৰী, বৰা, লিগিৰা, নগাৰজা, আৰ্ডলী, ঘাটৈ,
আহোম সেনা, মছলমান সেনা।

তিৰী।

মূলাগাভৰু—চাওফ্ৰাচেংমুং বৰ গোহাঁইৰ স্ত্ৰী।

জয়ন্তী—ডিমাপুৰীয়া ৰজাৰ জীয়াৰী।

ললিতা—জয়ন্তীৰ সখী।

পমিলা—মূলাৰ সখী।

তিলৌ—ঘাটৈৰ ঘৈনীয়েক।

মঙ্গলতী বুঢ়ী, তিৰী সেনা, নাচনী।

# মূলা-গাভৰু।

## প্ৰথম অঙ্ক।

### প্ৰথম পট।

ৰজাৰ চ'ৰা ঘৰ। স্বৰ্গনাৰায়ণ সিংহাসনত। লগত দুজন মান বিষয়া।*

( দুৱৰী বৰুৱা প্ৰবেশ )

দুঃ বঃ। ( আঠু লৈ ) বৰ গোহাঁই ডাঙৰীয়া আহি
আছে ৰৈ বাহিৰত।
স্বৰ্গদেৱক দেখা পাব বুলি।

স্বঃ। আনা মাতি অতি শীঘ্ৰে।

( দুৱৰী বৰুৱা চাও বৰ গোহাঁইক লৈ আহে গৈ,
চাও বৰ গোহাঁই মুৰ দোঁৱাই প্ৰণাম কৰে ).

কোঁৱা মন্ত্ৰীদেও কি আছে বাতৰি।
কেনে আছে প্ৰজাসৱ মোৰ।

চলিছে নে ৰাজ্য সুকলমে ?
কৰিলা নে দূৰ বিঘিনি দেশৰ—
দমি মূঢ় নগা, কচাৰি, ছুটীয়া জাতি,
যি সবে অহিত চিন্তা কৰিছিল মোৰ।
চাঃ। ধৰি স্বৰ্গদেৱৰ আদেশ শিৰত,
প্ৰজাৰ উৎসাহ, সহায় বলত,
দিহা হল যথোচিত। ভবিষ্যত যাতে
নবটে অশান্তি পুনু দেশত জঞ্জাল।
পালে সেকা বিদ্ৰোহী দুষ্ট আইটনীয়া
শাস্তি হল দিবলৈ নিৰূপিত পঁচা।
উৰাই আহোমৰ ধ্বজা লোৰা হল কাঢ়ি
মহঙ্গৰ লোণ-পুং নগা ৰজাৰ পৰা।
বিনা অনুমতিৰে প্ৰবেশি ৰাজ্যত
পালে দণ্ড উচিত ছুটীয়াৰ ৰজা।
পলাল কচাৰি ৰজা পৰাজয় হৈ
পৰিল বিস্তৰ বস্তু আমাৰ হাতত।
আছিল সুযোগ্য এক ৰজাৰ কোঁৱৰ
আহিলোঁ দি ৰাজ্য ভাৰ তেওঁকে গতাই।
আছে সুখ শান্তি ভুগি তথ্য প্ৰজাচয়,
গইছে যশস্যা তথ্য চাঁৰি ফালে বই।

স্বঃ। নহয় যশস্যা সিটো মোৰ। কোন মই ?
পাতিছাঁ মোক ৰজা তোমাসবে,
কৰি মোক বিশেষ মৰম।
তেবেসে মই পাইছোঁ ৰজাৰ আসন।
জয় যশ যত লভিছা সুনাম
বঢ়াইছে কেৱল প্ৰজাৰ গৌৰৱ।
ভঁৰালী মাথোন মই ইসব ধনৰ,

চাঃ। ধন্য স্বৰ্গদেও! উদাৰ ধৰ্ম্মিষ্ঠ চিত
জানে তজু সজ গুণ সকলো প্ৰজাই।
মানে সবে পিতৃ গুৰু বুলি
সেহি বুলি দিছে নাম "স্বৰ্গনাৰায়ণ"।

(চাওবৰ গোহাঁই আসনত বহে লিগিৰাৰ প্ৰবেশ)

লিঃ। (আঠু কাঢ়ি) স্বৰ্গদেও, গাভৰু পৰ্বতৰ পৰা নগা ৰজা কৰ পঁচা শোধাবলৈ আহিছে। সিদিনাথন যে বন্দীয়ে ওজৰ কৰিছিলোঁ। সেই টটাটিঙ্গা নগা লৰাটোও তেওঁৰ লগত আহিছে। তাক মতাই আনি ভালকৈ ডাবি হুকি দি সতৰ্ক কৰি নপঠালে, সি বাৰে বাৰে গাৱঁত পয়মাল কৰিবহি।

স্বঃ। কোন নগা লৰা! তাৰ নো ইমান সাহ নে!
কি পয়মাল কৰিছিল ?

লিঃ। সি কম লৰা নহয়, স্বৰ্গদেও! ৰজাৰ বাহঁত টোকটোকোৱা তাকেহে দেখিলোঁ! হাট বজাৰলৈ যোৱা লৰা-ছোৱালীবোৰক টানি আজুৰি, হাতৰ বস্তু বাহানি কাঢ়ি লৈ তেনেই নগুৰ শাস্তি কৰে! হকা-বধা কৰিলে যিহে আকৌ মতা মহৰ দৰে ফেৰ পাতি ধৰে! ভৈয়ামলৈ আহি দেখোন নপতা ফুকনটো হয়হি!

স্বঃ। যা বাৰু। মাতি আন নগা ৰজা।
লৰাটোকো আনিবি লগত।

( লিগিৰা ওলাই যায় )

বহুদিন শুনিছোঁ, বহুতৰ মুখে
আচৰিত এই বালকৰ কথা।
গুপুত কাহিনী তাৰ আছে কিবা ঠিক!
ভাঙিব লাগিব আজি মনৰ সন্দেহ।
পোৱা নে সম্ভেদ কিবা, ডাঙৰীয়া তুমি?

চাঃ। এবাৰ দেখিছোঁ মাথোন তাক।
বিতোপন কায়া তাৰ। গঢ় গতি দেখি
নোৱাৰি বুলিব তাক পৰ্বতীয়া জাতি।
কৰে মিছা ধূৰ্ত্তালি দেখুৱাই লোকক।
অন্তৰত আছে কিন্তু মহন্তৰ ভাব।
আছে গাত বীৰৰ লক্ষণ।

কাৰ্য্যত কলিজা ডাঙ্গৰ।

দেখাত ৰূপহ অতি ; চলন গম্ভীৰ।

বোধ হয় ৰাজ-তেজ আছে তাৰ গাত।

স্বঃ। তেন্তে যি ভাবিছিলোঁ—

নহয়! দেখো আগে নিজৰ চকুৰে।

শুনি লওঁ কি কয় নগা ৰজা।

( নগা ৰজা আৰু নগা লৰা লগত লৈ লিগিৰাৰ প্ৰৱেশ, নগা ৰজা আৰু নগা লৰা আঠু লৈ দণ্ডবৎ কৰে )

লিঃ। ঐ হাজি! ঐ লৰা হাজি! ভৈয়ামত বেহাবলৈ আহি দুষ্টামি কৰাৰ বেচ, তোৰ পিঠিত চমটা উঠিব আজি!

স্বঃ। মনে মনে থাক তই!

কেনে আছা ৰজা? আছেনে চাওত ভাল

সকলো তোমাৰ?

নঃ ৰঃ। সকলো মঙ্গল আছে।

তয়ু কৃপা গুণে নাহিকে বিঘিনি কোনো।

শোধালোঁ কৰ-পঁচা ভঁৰালীৰ হাতত।

পালে অনুমতি যাওঁ উলটি চাওত।

স্বঃ। যোৱাৰ আগেয়ে, ৰ'বা সোধোঁ এটি কথা।

নেভাবিবা ; ঠিক ক'বা আমাৰ আগত

—কোন এই লৰা তোমাৰ লগত ?
কাৰ গৰ্ভজাত। পিতৃ কোন তাৰ ?
লঃ লঃ। কি কাম তেওঁক সুধিব লাগিছে।
স্বৰ্গদেও! নহওঁ নজনা মই।
কিম্বা নহওঁ কেচুৱা।
জানো মোৰ নিজৰ বৃত্তান্ত।
কিন্তু লাগে লাজ কবলৈ তাক।
সি অতি অবিচাৰ শোকৰ কাহিনী।
স্বঃ। সচাঁ কবলৈ নকৰিবা লাজ।
নেভাবিবা একো মোক।
কোৱা খুলি কিবা জানা তুমি।
লঃ লঃ। সকলো দোষৰ ভাগী মযু পিতৃদেও!
সাতিনীৰ টুটকীয়া মিছা কথা শুনি
ভ্ৰান্তি উপজিল নিজৰ মনত।
চেলু লৈ এক ক্ষুদ্ৰ জগৰত,
খেদালে ঘৰৰ বাজ কৰি
সৰু ৰাণী সগৰ্ভা নিজৰ,
দিলে পৰ্বতৰ নগাক গতাই।
কেচুৱাৰে পৰা লৰা থাকি পৰ্বতত
ডাঙৰ দীঘল হল নগাৰ লগত।

খোৱা পিন্ধা কথা হল্ল নগাৰ ধৰণ।
সেই দুৰ্ভগীয়া লৰা আজি আহি
উপস্থিত আপনাৰ আগত—
—নিৰাশ্ৰয়, অশিক্ষিত পিতৃ মাতৃ হীন।

স্বঃ। আচৰিত অতি! সঁচা নে ই কথা!
আছোঁ নে দিঠকত মই,
কিম্বা দেখিছোঁ স্বপন,
শুনিছোঁ অদ্ভুত সাধু কথা!
জানো মই—জানে সবে
চমুৱা ৰাণীৰ কথা।
স্বভাৱত কিবা চোভা মানি, পিতৃ-দেৱে
খেদাই দিলে তেওঁক নগাৰ লগত।
কিন্তু কোনে ভাবিছিল,
আছিল তেওঁ তেতিয়া সগৰ্ভা!
দিব জন্ম এই শুৱনি পুৰুষ!
চমকিছে যাৰ দুচকুৰ তেজ
বীৰ ভাৱ কথাষাৰে পতি।

নঃ ৰঃ। কৰিছিল কুঁৱৰী ঘৰত মোৰ বাস।
ৰাখিছিলোঁ কৰি অতি মান সৎকাৰ।

উপজিল এই লৰা যুথা সময়ত।
জানো আমি সকলোৱে। নাহিক সন্দেহ।

নঃ লঃ। শোক-ভৰা বুকত সাবটি মোক ধৰি,
গছৰ তলত বহি পৰ্বতৰ মাজত,
সাক্ষী কৰি চন্দ্ৰ সূৰ্য্য, মোৰ মূৰ ধৰি,
শপত খাই কৈছিল অভাগিনী আই—
—এফেৰিও দোষ নাছিল তেওঁৰ বুলি।

স্বঃ। বুজিলোঁ সকলো কথা মই।
জানে সবে সতিনা-সতিনীৰ কথা।
একতকৈ বেচি তিৰী কৰিলে বিবাহ
পুৰুষৰ সদ্‌গুণ হয় সৰ্বনাশ।
দুই নাৱঁত দুভৰি, মনত অথিৰ,
নোৱাৰে কৰিব কোনো বিচাৰ উচিত।
কুমন্ত্ৰণা জালত পৰি এজনীৰ
ভুঞ্জায় ইজনীক মিছাত যাতনা।
সদায় দন্দ, খৰিয়াল ঘৰত জঞ্জাল
নেপায় কৰিব ভোগ সুখৰ সংসাৰ।
ভুগিলে ফল মাহীয়ে এনে কুপ্ৰথাৰ।
অনাহক পালে দুঃখ পিতৃৰ দোষত।

নঃ লঃ। সামৰি মনৰ শোক দশাক ছুযি
থাকোঁ বহি অকলৈ চিন্তা মগ্ন হৈ।
কিন্তু উঠে ঘনে ঘনে জলি
একুৰা জুই হৃদয়ত মোৰ—
পাম যেন লম প্ৰতিশোধ
কৰিছিল যি মোৰ মাতৃক অন্যায়

স্বঃ। বঙহৰ ধন, এজোপা গছৰ!
সমন্ধত ভাই, নোহোৱা আনকেও!
স্নেহ সাদৰৰ লোৱা আলিঙ্গন! (সাবটি ধৰে)

(এবি দি) দলিয়াই পেলোৱা পেটৰ কপট।
হব কি নিন্দিলে কিম্বা দিলে গালি।
পৰিবহি উলটি নিজ গাতে আহি।
লোৱা মোৰ উপদেশ। ৰাখা মোৰ কথা।
কৰা বাস আমাৰ লগত—
পৰিয়াল নিজৰ তোমাৰ।
কৰিলোঁ প্ৰতিজ্ঞা আজি সবাৰো আগত
পাবা তুমি ওখ পদ বিশ্বাসৰ ভাৰ।

নঃ লঃ। ললোঁ পাতি শিৰ আজ্ঞা আপোনাৰ।
সুখ ভোগ আশা যদিওবা নাই,
আছে বাঞ্ছা কিন্তু সেবিব স্বদেশ।

স্বঃ। কি মত তোমাৰ নগা ৰজা,
বুলিছা নে পৰামৰ্শ ভাল !

নঃ ৰঃ। সুন্দৰ বিচাৰ হৈছে স্বৰ্গদেও।
(নগা লৰালৈ চাই)
ফুলিছে কপাল তোমাৰ বাপা।
পালি মই তোমাক হইলোঁ কৃতাৰ্থ।
জাতত ক্ষত্ৰিয় ৰজাৰ সন্তান
নুগুৱাই বাস নগাৰ লগত।
থাকা মিলি সভ্য সমাজত
সজ বিদ্যা কৰা উপাৰ্জ্জন।
লাগিছে বেজাৰ এৰি যাবলৈ তোমাক।
কিন্তু দেখি আগন্তুক উন্নতি তোমাৰ
সন্তোষ লভিছোঁ অতি ! দিছোঁ আশীৰ্বাদ।
নেমাৰিবা মন। আহিম সততে।
হব দেখা-দেখি থাকোঁ জীয়াই যদি।

নঃ লঃ। নোৱাৰোঁ কৰিব অন্ত মুখৰ কথাৰে
কই তযু গুণ ! পিতৃ-তুল্য ৰজা !
পুত্ৰ হেন পালি মোক ডাঙৰ কৰিলা।
সোধাম তাৰ ধাৰ, কভু নেপাহৰোঁ।
(নগা ৰজাৰ গাত ধৰি) যোৱঁা ৰজা মাগিছোঁ বিদায়।

নঃ ৰঃ। থাকা বাছা! যাওঁগৈ এতিয়া।
( স্বৰ্গনাৰায়ণলৈ চাই ) লইছোঁ বিদায় স্বৰ্গদেও!

( নগা ৰজা ওলাই যায় )

স্বঃ। অচিনাকি হৈ নগাৰ লগত
আছিল লুকাই এই সুন্দৰ বালক—
মোৰ নিজ বংশৰ সুযোগ্য সন্তান।
সম্পদলৈ কপালে আনিছে টানি।
দেখাত তাৰ গাত আছে সুলক্ষণ
নিশ্চয় সাধিব সময়ত উপকাৰ।
শুনা সবে। এই কোঁৱৰৰ নাম
ৰাখিলোঁ কনচেং আজি ধৰি।
ৰাজ-নীতি-বিদ্যা-শিক্ষা ভাৰ
থাকিব সম্প্ৰতি মন্ত্ৰীৰ হাতত।
আজি মোৰ আনন্দৰ দিন।
কৰা সবে আনন্দ উৎসৱ।

( স্বঃ নাঃ ওলাই যায় )

( সমাজত গীত নাচ )

বাজিছে মুৰলী, কৰে বনমালী
ধেমালী যমুনা পাৰে।
শ্যাম বৰণ, কিনো বিতোপন,
ত্ৰিভঙ্গ মুৰুতি ধৰে।
মাৰিছে কিৰিলি, ব্ৰজৰ ছোৱালী,
আউলী-বাউলী লৰে চুলি মেলি ;
হৰি হৰি বুলি, নাচি বাহু তুলি,
কানাইক বেৰিয়া ধৰে।
নানা ফুল ফুলি, শেৱালি নেৱালি,
জোনাইৰ জোনাকে জলে জিলিমিলি
কুলি জিলি মিলি, ধৰিছে উৰুলি,
নাচিছে আনন্দ ভৰে।

—০—

# প্ৰথম অঙ্ক।

## দ্বিতীয় পট।

ৰবাৰ ঘৰ। ৰবা চেত্নালত থিয়।

( লিগিৰাৰ প্ৰবেশ। )

লি। ৰবাৰ দেখোন আজি মনটো মৰা! ঘৰত কিবা আহুকাল নে কি!

ৰ। এঃ কিনো সোধা দেও। বোলে বাৰটা মাহৰ তেৰটা জগৰ, সদায় লুগুছে এটা লগৰ। লৰাহঁতৰ মাক কালি জকাই বাই আহি ঢেঁকী-শালতে চিট খাই পৰিলহি। তেলপানী এটোপা জাৰি মুৰত দিলত হে উঠি বহিবকে পাৰিছে। কিহবাই পালেই নে কি! নাই কোনোবাই কিবা কৰিলেই, একো তত ধৰিব পৰা নাই।

লি। আই ঐ দেহি! তুমিয়ে বা কিবা কৰিছিলা। সঁচাকৈ কোৱাচোঁ বান্ধ কিবা—দন্দ-খৰিয়াল লাগিছিল বা।

ৰ। কেলেই কোৱা এনে কথা বান্ধ! নামত কৰবৈ আছে একে জনী তিৰোতা। তাইৰ লগত খৰিয়াল কৰি মোক জীয়া জুইত পৰি মৰিব দিছানে? সিদিনা দন্দ, এখন কৰি যি পোটোক পালোঁ এতিয়ালৈকে মোৰ বুকুখন ধপ ধপাই আছে। তাৰেপৰা মই ভয়ত সেও হৈ ফুৰু দেও।

লি। থোৱা দেও হে! যৈণীয়েৰৰ ভয়তে সদায় কোঁচ খাই ফুৰা! গিৰিয়েক যৈণীয়েকৰ ভিতৰত খৰিয়াল। সিওনো এটা ধৰিব লগা কথা নে। ‘দম্পতী’কলহে চৈব বহ্বাৰম্ভে লঘু ক্ৰিয়া। খন্তেকৰ জুই খন্তেকতে নুমাই যায়, পুৰি মাৰিব মোৰাৰে দেও, ভয় নকৰিবা।

ব। নহয় বান্ধ! তুমি কথাটো ভালকৈ তং কৰি চোৱা নাই। নগল জানিবা কেনেবাকৈ এফালে গুচিয়ে গল! তেন্তে মোৰ ফালে দেখোন একে বাৰে পতং!

লি। ঠিক, ঠিক! হয়, হয়! তোমাৰ কথাষাৰৰ অভ্যন্তৰৰ মৰ্মটো মই এতিয়া হে ঢুকি পাইছোঁগৈ! ভালেহে বুধিয়ক মানুহে বাপেকে কেইবা জনীও বিয়া কৰাই লয়!

ব। তাৰ দৃষ্টান্ত দেখোন আমাৰ ৰজা ঘৰতে! ওপৰৰ জনা স্বৰ্গদেৱে কি কৰিছিল জনা নাই? তেখেতৰ দুজনা কুৰঁৱী আছিল বুজিছা। এদিন হেনো এজনাই বেহা কৰিবলৈ অহা নগা এটাক দেখি বৰ শুৱনি বুলি ৰজাক কলে। সেইষাৰ কথাই জানিবা হল সীতাৰ বনবাসৰ মূল! ৰজাই ঘৰৰ পৰা বাজ কৰি সেই নগাটোকে কুৰঁৱীক শোধাই দিলে। বান্ধ! ধৰ্মতে কোৱাচোঁ বাৰু খালি এজনা কুৰঁৱী থকা হলে, ৰজাই ইমানটো সাহ কৰিব পাৰিলেহেতেন নে!

লি। হয় যে হয়! ভাল কথাটো মনত পেলাই দিলা! তোমাক কবলৈকে পাহৰিছোঁ। তুমি ভু পোৱা নাই?

ব। নাই পোৱা। কি কথা নো?

লি। ই! সি এখন ৰামায়ণৰ কথা! কিনো কম বান্ধ ঐ! এৰা! এইখনহে কপাল! বিধাতাই যিটো খোচ্ মাৰি পঠিয়াই তাক কোনে মোহাৰি পেলাব পাৰে!

ব। কোন খন কপালৰ কথা কৈছা! তোমাৰ খন নে, মোৰ খন।

লি। নহয় বাপেক! সেইখন কপাল তুমি আমি সাধি অহা হলে দেখোন একে জাপেই বৰ বৰুৱা বৰ ফুকনৰ খাপলৈ উঠিলোঁ হেঁতেন। মই কৈছোঁ—সেই নগা লৰাটোৰ কথা। আছিল নগা পৰ্বতৰ। একে জাপেই হলহি ৰজাৰ কোঁৱৰ!

ব। যোৱাঁ দেও হে! এনেবোৰ কথা মোৰ আগত নকবা। ইঃ! ৰজাৰ কোঁৱৰ বুলিলেই, ৰজাৰ কোঁৱৰ হল! কোনে কলে তোমাক!

লি। এ! নহয় বান্ধ! তুমি মিছা যেন ভাবিছা নে কি? কথা গোটেই সোপা ৰজাৰ ঘৰতে শুনি আহিছোঁ। ৰজাই খেদাই দিওতে হেনো কুঁৱৰীৰ গাত লেঠা আছিল। পাচে নগাৰ চাঙত হেনো লৰা এটি জন্ম হল। লৰাটি নগাৰ চাঙতে ডাঙৰ দীঘল হৈ ভৈয়ামত বেহাবলৈ আহিছিল।

পাচে ৰাজ-কোঁৱৰ বুলি পৰিচয় পাই আমাৰ স্বৰ্গদেৱে ৰাখি থলে।

ব। কুঁৱৰীৰ গাত লেঠা থকা কোনোবাই দেখিছিল জানো ?

লি। দেখিব লাগিছে কেলেই। কোঁৱৰৰ নিজ মুখৰ-পৰাই শুনিছোঁ নহয়।

ব। কুঁৱৰী সগৰ্ভা থকা কোঁৱৰে দেখিছিল জানো ?

লি। এঃ। বালক ! বৰা ! কিবা তুমি উকিলৰ দৰে মিছামিছি চৰাল বোৰ ধৰিছাঁ হে। পেটৰ ভিতৰত থকা লৰাটোৱে জানো দেখিব পাৰে

ব। তেন্তে কোঁৱৰে দেখা নাই। শুনিছিল হে।

লি। খালি কোঁৱৰৰ পৰাই নহয়; নগা ৰজাৰ পৰাও শুনা হৈছে। তাকে শুনি সকলোৱে ঠিক কৰিছে যে লৰাটো সচাঁকৈ ৰজাৰ ফালৰ। এতিয়া বুজিলা।

ব। মই বুজিছোঁ যে তোমাৰ গোটেইখন ৰামাযণ খালি শুনা কথাৰ ভঁৰাল। দেখা সাক্ষীৰ প্ৰমাণ একো নাই।

লি। থৈ দিয়া তোমাৰ আইনখন ! ইঃ ! দেখা কথাহে প্ৰমাণ। শুনা কথা প্ৰমাণেই নহয়। আজি কালি দেশৰ মানে উকিল, হাকিমখন হল। এটাইবোৰে গোট খাই আইনখন উলিয়াইছে—শুনা কথা প্ৰমাণ নহয ! হায় মোৰ

হৰি ! লিখা পঢ়া শিকি মানুহবোৰ নাস্তিক হবলৈহে ধৰিছে ! এই বিলাকৰ মতে দেখোন পুৰাণ, শাস্ত্ৰ, ভাগৱত এটাইবোৰ মিছা হব লগা হল !

ব। মনে মনে থাকঁা। মনে মনে থাকঁা ! সোৱা চুক্লেং গোহাইদেও আহিছে।

লি। নেওচা-কেওচা দিবলৈ বহি দেও ! পালেহি আকৌ আহি সেই পাট ! এই শনিপাটটোৰ পৰা আৰু সাৰিব নোৱৰা হলো !

( চুক্লেং কোৱঁৰৰ প্ৰবেশ। কোৱঁৰক দেখি লিগিৰা বৰাৰ অন্তৰ্ধান হয়।)

চু। ( লিগিৰালৈ চাই ) হেৰ ! তই ইয়াত কি কৰিছহি ! মোক দেখি লুকালুকি খেদিছ ! মই কৈছিলো কি, শুনিলি কি ; কৰিলি কি ! যি যি কৰিবলৈ কৈছিলোঁ, দহোটাৰ এটাও নহল দেখোন।

লি। ( মুৰ খজুৱাই খজুৱাই ) আপুনি আকৌ একে উশাহে বাৰে বুধিমান হুকুম দিয়ে।

মোৰ মূৰত নধৰা হয় ! গোটেই বোৰ খেলি মেখি লাগি কোনটো কোৰোঁ, কোনটো নকৰোঁ, মোৰকে হেৰুৱাওঁ !

চু। সেই দেখি গাওঁ ফুৰিছহি। চাবি বাৰু ! নাক চুলি কাটি তোক মই বনত নেমেলো যদি !

লি। হে মোৰ স্বৰ্গ দেও! খঙ্গ নকৰিব। যি লাগে মই এতিয়াই কৰি দিওঁগৈ। মোক বনত নেমেলিব।

চু। তই ততালিকে আছ। মানুহ এজোৰাক মই লগ ধৰিব লাগিছে। তই মোৰ লগত যাব লাগিব।

( চুক্লেং ওলাই যায় )

লি। দেখিলা বৰা! কি মূৰ্ত্তি! দেখিবা, এওঁ আৰু অলপ দিনতে বলিয়া হব।

ব। কিয়! কি নো হৈছে!

লি। ৰাজ কাৰ্য্যত মন নাই। বাৰ বাঙ্কৰা কিছুমান পুথি গোটাই লৈছে। তাকে দিনে ৰাতিয়ে পঢ়ে। কিবা হেনো তন্ত্ৰ, মন্ত্ৰ শিকিছে। তাতে আকৌ আজি কিছুদিনৰ পৰা জয়ন্তী আইদেওৰ লগত চুপতা-চুপতি কৰিবলৈ ধৰিছে। আইদেৱে কিবা খুৱা লেনেই কি! কোঁৱৰৰ গাত দেখোন থৰ যুগুতি নাইকিয়া হল। মনৰ ঠিক নাই। কামৰ ঠিক নাই। হুকুমৰ উপৰি হুকুম। গালিৰ উপৰি কিল।

ব। কোন জয়ন্তী আইদেৱৰ কথা কৈছাঁ? আমি দেখোন তেওঁৰ নামকে শুনা নাই।

লি। কিয়! তুমি পাহৰিলা! তাহানি ৰণত হাৰি ভিমা পুৰীয়া ৰজাই যে আমাৰ স্বৰ্গ দেৱলৈ ৰাজকন্যা এটি ভেঁটী দি পঠাইছিল!

ব। অ! হয় হয়! তেওঁৰ নামেই জয়ন্তীনে কি! জীয়াৰী জনা দেখিবলৈ হলে বৰ গুৱনী।

লি। তেন্তে তাতে বুজিবা আৰু। বাৰু বান্ধ! এতিয়া যাওঁ। নগলে কি গতি হব গুনিলা নহয়।

ব। ভাল যোৱা। মই ও লৰাহঁতৰ মাকৰ খবৰ লওঁগৈ।

—০—

## প্ৰথম অঙ্ক

### তৃতীয় পট।

( মূলাগাভৰুৰ চ'ৰা ঘৰ। মূলা পমিলা সখীৰ লগত বহি ফুলৰ মলা গাঁথিছে। )

মু। সখি, তুমি গম পোৱা নাই! জয়ন্তীত চুক্লেং কোঁৱৰৰ বৰ মন থাইছে। কিন্তু তাই হৈছে স্বৰ্গদেৱৰ ভেঁটী পোৱা বস্তু। ইফালে আকৌ তাই পেটে পেটে নগা কোঁৱৰকহে ভাল পায়। নগা কোঁৱৰেও তাইতে চকু দিছে। ইয়াৰ পৰা কিবা এখন খোৱা কামোৰাহে হবগৈ হবলা।

প। জানো সখি! মই সেইবোৰ কথাৰ বাদ বিচাৰ লোৱা নাই দেও। সেইবোৰ কথা কৈ লোকে ফুচফুচুৱা হলে শুনিছোঁ।

( জয়ন্তী প্ৰবেশ )

মু। সেইটি জয়ন্তীনে কি। আহ আহ। তোৰ আয়ুস বাঢ়িব পায়!

জ। কিয় মাহীদেও! কি হৈছে!

মু। তোৰ কথা কওঁতেই ওলালিহি। তোক দেখোন আজি কালি দেখি পাবলৈকে নাই।

জ। এবা মাহীদেও! কালি আহিবলৈ ধৰিছিলোঁ। পাচে এটা লেঠাত পৰি আহিব নোৱাৰিলোঁ!

মূ। এৰা! তোৰ কেঠাক কথা শুনিবলৈ পাইছোঁ।

জ। নহয় মাহীদেও! ললিতা সখীয়ে ৰঙ্গশালত ৰঙ্গ-চাবলৈ মাতি নিছিল।

মূ। কি কি ৰঙ্গ দেখিলিনো। আমাকো শুনিবলৈ দেচোঁ।

জ। কঙ্কবাস্তু হে নো ৰণ লাগিব! তাইকে আমাৰ ফৌজৰ মানুহ বিলাকক ৰণ বিদ্যা শিকাইছে। ন-কৈ অহা কনচেং কোঁৱৰেও তাতে ঢাল তৰোৱালৰ খেল শিকিছে।

মূ। অ! ভালেহে! পাচে তৰোৱাল খেলত ভোলগৈ আমালৈ নেপাহৰিবি আকৌ।

জ। তোমাক নো কেতিয়া পাহৰিছো! নিজৰ আই বোপাইৰ অবিহনে তোমাকে আপোন ভাবি আছোঁ দেখোন।

মূ। এৰা! আই বোপাইক পাহৰা কালত ভৰি দিছহি গুণে হে কৈছোঁ।

জ। কিবা তুমি লেটিয়াই লেটিয়াই কথাবোৰ 'ক'বলৈ ধৰিছা হে!

মূ। বাৰু সেইবোৰ কথা এৰিলোঁ। নকৈ অহা কোঁৱৰৰ জন কেনেকুৱা, কচোঁ। আমাৰ মানুহৰ নিচিলানে—নগাৰ নিচিনা।

জ। কেলৈ হব নগাৰ নিচিনা। তুমি ভাল কথা

কৈছা ! তেওঁৰ নিচিনা শুৱনি ৰজাৰ নিজৰ লৰাৰ ভিতৰত এজনো নাই। দেখিবলৈ যেনে, বল বুদ্ধিতো তেনে।

মু। অ ! তেনেহলে তোৰ চকুত লাগিছে।

জ। ভালক ভাল বুলিলে কিবা দায় লাগেনে কি !

মু। দেখিলে ভোক পিয়াহ হৰে চাগৈ।

জ। সেইবোৰ কথাৰ ভু আমি নেপাওঁ দেও ! শুৱনি মানুহ দেখিলে ভোক পিয়াহ হৰাৰ কথা তোমালোকেহে জানা।

মু। এৰা ! ভাল বস্তু দেখিলে কোনোৰ ভোক পিয়াহ হৰে। কাৰও আকৌ খাবৰহে মন যায়।

জ। লুভীয়া মানুহৰ যায় তো। এটাইৰে মন একেনে কি ! পাপীৰ হে সদায় পিঠাত মন।

মু। মোৰ কথাত বেঝা পাইছনে কি ?

জ। পামতো ! কি নো তুমি চিয়াৰে চিয়াৰে কথাবোৰ কৈছা হে !

( ললিতাৰ প্ৰবেশ )

ল। সখি আহি এইখিনি পালাছি। মই তোমাক বচাবি হাবাথৰি খাই ফুৰিছোঁ।

জ। কিয় সখি ? কি হৈছে !

( ললিতাই কানে কানে কিবা কথা কয় )

মু। কি হৈছে ! বৰ কথাটো সুধিছ ! কোনোবাই তৰোৱাল খেল চাবলৈ মাতি পঠিয়াইছে !

জ। যোৰাঁ দেৱ হে! চুপতি কৰি নে থাকিবা।

মু। বেয়া নেপাবি আইহে! হাঁ-কৰোতেই হুমুনিয়াৰ বাতৰি পাইছোঁ। বাৰু সেইবোৰ কথা এৰিলোঁ। আজি কালি নাম গাবলৈ এৰিলিনে কি?

জ। নাই এৰা।

মু। বাৰু এটা গাচোঁ।

জ। এনেই নেগাও। তোমাৰ হাতৰ মলা ছুধাৰৰ এধাৰ দিলেহে গাম।

মু। এথন মঙ্গল চাবৰ নিমিত্তে মলা ছুধাৰ গাঁথিছিলোঁ। এধাৰ বগা, এধাৰ বঙ্গা। বাৰু, ভাল হৈছে। ল বাৰু কোন ধাৰ মনত লাগিছে।

জ। ৰঙ্গা ধাৰকে দিয়া! (মলা হাতত লয়) কিহৰ নো মঙ্গল চাব খুজিছি লা? কোৰাঁ চোঁ। মঙ্গলত কি পালা।

মু। (হাহি হাহি) সেই ধাৰ চুক্লেং কোৰঁৰৰ কনীয়াৰ মলা।

জ। (মলা দলি মাৰি) এঃ! তোমাৰ সদায় চুক্লেং কোৰঁৰৰ হে কথা! সেই দেখিতো তোমাৰ ওচৰলৈ নাহোঁ।

মু। চুক্লেং কোৰঁৰৰ নাম শুনিলে নো তই টিকচি-বিকচি উঠ কিয়! তেওঁ হৈছে ৰজাৰ বৰ পুতেক। আজিৰ বাজে কাইলৈ ৰাজ পাটত উঠিব। তেনে মানুহলৈ পাৰিলেনো কি বেয়া আছে।

জ। নেলাগে আমাক ৰাজপাটখন।

মু। মই গম পাইছোঁ, তোৰ ধাউতি কোন ফাললৈ গৈছে।

জ। তোমালোকৰ আৰু আন কথা নাই। দেশৰ উন্নতি কৰিবলৈ, সমাজৰ কুনীতিবোৰ খেদাবলৈ হলে উপায় চিন্তিব নেজানা। খালি জানা বিয়া সবাহৰ কথা, দৰা কনীয়াৰ কথা, কেৰুমমি ৰিহা মেখেলাৰ কথা! বনবাৰি নাই কিয়া বহিখোৰা মাইকী হলেই এনে কুৰা হয়। সেইগুণেহে কেতবোৰ মতাই বৈনীয়েক হতক ঘৰৰ ভিতৰতে ৰাখি আন কথা ভাবিবলৈ নিদি, নেৰাপেৰাকৈ বনত লগাই থয়।

মু। বিয়াৰ কথা ক'লে তই বেয়া পাৱনে কি?

জ। জানো। ,আমি সেই বোৰ কথাৰ ভাগী নহওঁ দেও।

মু। বাৰু দেখিম কাকনো কোনে বিয়া কৰে।

জ। মই ও দেখিম কাকনো কোনে বিয়া কৰে।

মু। তই দেখোন বৰ সুন্দৰ বক্তৃতা দিবলৈ শিকিলি অ'। ৰজাৰ ঘৰত মেল বহিলে তই সোধ সোধ নে কি?

জ। নাই সোধা জানিবা সুধিলোৱেই, কিবা দায় লাগিবনে কি? খালি মতাই হে সোধ সুধিব পায়, মাইকীয়ে সুধিলে পৰাচিত লাগিবনে কি!

মু। কিয় লাগিব! সি অতি ভাল কথা। লিখা পঢ়া

শিকি জ্ঞান লাভ করি মতা মাইকী একে লগহৈ কাম কৰিলে সমাজৰ উন্নতি যিমান সোনকালে হব মতাই অকলে সিমান কৰিব নোৱাৰে।

জ। বাৰু সেইবোৰ পাচ কথা। ৰাজ ভগনৰ কথা এৰি আমি বাহুলিয়ে কলখোৱাৰ কথা পালোঁহি। তুমি প্ৰথমে প্ৰস্তাব কৰা কথাটোৰ দেখোন একো মীমাংসা নহল।

মু। মই প্ৰস্তাব কৰিয়ে থৈছোঁ। তই নাম এটা গাব লাগে।

প। প্ৰস্তাবটো মই সাদৰৰে ডাঙ্গি ধৰিছোঁ।

জ। মই অতি আগ্ৰহৰে সমৰ্থন কৰিছোঁ। কিন্তু আচল প্ৰস্তাবটো অলপ লৰ হব লাগিব। মই অকলৈ নেগাওঁ। তোমালোকেও লগত ধৰিব লাগিব।

প। বাৰু ধৰিম। তুমি লগাই দিয়া।

( সকলোৱে গায়। )

## গীত।

নেলাগে সখি নিপিন্ধো ফুল
নেলাগে মোক ধুন।
নৌপিয়া পলায়, উৰি উৰি মৌ খায়,
ভোমোৰাই ভাগ নেপালে একন,
নেলাগে সখি।

নেপালোঁ লগ কামাই, বনে বনে বনাই,
জানো কোনে কৰিলে হৰণ,
নেলাগে সখি।

মু। নামটো বৰ ভাল হৈছিল। নহয়নে ?

জ। হবতো। তুমিও গাইছিলা নহয়। কোনোবাই নিজৰটি বেয়াবুলি কয় জানো। সৌৱা মহাদেও আহিব লাগিছে। আমি এতিয়া যাওঁ দেই।

মু। বাৰু যোৱাঁ।

( ললিতা, পদ্মিলা, জয়ন্তী ওলাই যায়। )
( চাওব প্ৰবেশ। মুলায় আগবঢ়াই আনে। )

মু। দেউতা! আজি দেখোন অহা বৰ পলম হল। লঘনে ভোকে নো ইমান বোলি ৰজা ঘৰত কি কৰিছিল ? অথনিৰে পৰা মই বাটচাই আছোঁ।

চা। এৰা সোন ফেৰি! আজি বৰ বেলি হল। মোৰ লগতে তুমিও সময়ত খাব শুবলৈ নোপোৱা দেখি মোৰ মনত বৰ বেয়া লাগে।

মু। আপুনি মোৰ নিমিত্তে একো নেভাবিব। মোৰহে মনত চিন্তা যে আপুনি সময়ত খাব শুবলৈ নেপায়; এখন্তক ভালকৈ জিৰাবলৈ নেপায়; কিজানি আপোনাৰ গা মুৰ বেয়া

কৰে। ইপোনে কৰিব লগা কাম নকৰিলেও নহয়। ৰাজখন চলোৱাৰ ভাৰ আপোনাৰ মূৰতে।

চ। এটা ডাঙ্গৰ বিষয়ৰ ভাৰলৈ সুখ দুখ বিচাৰি কাম কৰিলে কেনেকৈ হব। জন্ম ভুমিৰ সেৱাঁ কৰাই মহৎ সুখ। তাকে কৰিব নোৱাৰাই মহৎ দুখ।

মূ। আকৌ কিবা পয়মালৰ আগন্তুক হৈছেনে কি।

চ। মছলমানৰ লগত ৰণ বৰ ডাঙ্গৰ হৈ উঠিল। তালৈকে দিহা যুগুতি কৰিব লগা হৈছে।

মূ। বেলি ভাতিদিলে। আগেয়ে চাঙ্গমাই শাললৈ আহক। তাতে কথা বতৰা হওঁগৈ।

—c—

# প্ৰথম অঙ্ক।

## চতুৰ্থ পট।

### কমতাপুৰ।

( নগৰত থিয়হৈ-তুৰ্ব্বক আৰু অমৰ খাঁ। )

তু। খাঁ চাহাব! তুমি যে কৈছিলা এইয়ে কি সেই কমতাপুৰ?

অ। হয় জোনাব। এইযে সেই কমতাপুৰ—যি দেশ দখল কৰিবলৈ গৌৰ নবাবৰ সেনাই ক্ৰমাগত বাৰ বছৰ যুদ্ধ কৰে; হাজাৰ হাজাৰ যবন সেনাৰ জান যায়।

তু। কি কৈছাঁ, অমৰ খাঁ! এই ক্ষুদ্ৰ মুলুক দখল কৰিবলৈ বাৰবছৰ লাগিছিল! ইমান সেনা হানি হৈছিল!

অ। তত্ৰাচ জয় লাভ নহল।

তু। জয় লাভ নহল! বোধহয় তোমাৰ বুজা ভুল। অলবৎ জয় লাভ হৈছিল। নহলে কি ৰকমে এই দেশ দিল্লী বাদচাহাৰ ৰাজ্যত চামিল হল। আৰু নবাবৰ শাসনৰ অধীন লৈ আহিল।

অ। তাৰ বৃত্তান্ত মই ভালকৈ জানো। কিন্তু সেই কথা ভাঙ্গি কবলৈ চৰম লাগে।

তু। ( হাঁহি হাঁহি ) তেনেহলে নবাবে মুপুকথন চুৰ কৰি ললেহিনে কি ! তোমাৰ কথা মই চমজিব পৰা নাই।

অ। কেনেকৈ চমজিব ! সেই যুদ্ধত তো আপুনি নাছিল। সি এক অপূৰ্ব্ব কাহিনী।

তু। কথাটো তুমি যিমান সজাই পড়াই ডাঙ্গৰ কৰিছা শুনিবলৈ মোৰ ইচ্ছাটোও সিমান ডাঙ্গৰ হৈ গৈছে।

অ। ঠাট্টা নকৰিব। আপুনি যি ঠাওৰাইছে সি বৰ মিছা নহয়। এক ৰকম চুৰ কৰাই হৈছিল বটে। কোনো মতে যুদ্ধ জিকিব নোৱাৰি নবাবৰ সেনাপতি হতাশ হৈ এটা ফন্দী বাহিৰ কৰিলে। তাক চুম্বক কৈ কওঁ শুনক।— সেনাপতিয়ে কমতাপুৰ ৰজালৈ এটা মিছা খবৰ দিলে যে জয়লাভ কৰিব নোৱাৰি নবাবৰ সেনাপতি আৰু সেনা সব গৌৰ দেশলৈ ফিৰি যোৱাৰ ঠিক হল। কিন্তু যোৱাৰ পূৰ্ব্বে তেওঁলোকৰ তিৰোতা বিলাকে ৰাণীৰ লগত চিনা জনা হব খোঁজে। হোজা কমতা ৰজাই যবনৰ ফাঁকি বুজিব নোৱাৰি সেই কথাত মান্তি হল আৰু মছলমান তিৰোতা সকলক ৰাণীৰ ওচৰলৈ আহিবলৈ আজ্ঞা দিলে। পাচে বহু মছলমান সেনা আঁৰ দিয়া দোলা কিছুমানত উঠি, লুকাই গৈ নগৰত সোমাল গৈ ! দোলাৰ ভিতৰত মাইকী মানুহ আছিল ভাবি ৰজাই কোনো বাধা নিদিলে। নগৰৰ ভিতৰ সোমাই সেনা বিলাকে

দোলাৰ পৰা বাজহৈ ৰজাক বন্দী কৰি কমতাপুৰ দখল কৰিলে। এই হৈছে আপনাৰ কমতাপুৰ যুদ্ধ! বুজিলেনে জোনাব ই কি ৰকম যুদ্ধ!

তু। বুজিলোঁ। ই অতি তাজ্যপ্ ব্যাপাৰ! কিন্তু একো লাজ বা কলঙ্কৰ কথা নহয়। যুদ্ধত জয় লাভ কৰিবলৈ হলে খালি এটা বাটে চলিলে নহয়! তাত বহু হিকমত লাগে। ছল, বল, কৌশল, বুদ্ধি, ফন্দী সকলোৰে আবশ্যক। তবে— তোমাৰ কথাৰ পৰা বুজা যায় যে এই দেশৰ মানুহবোৰ আমি যেনে অসভ্য, অশিক্ষিত আৰু ভয়াতুৰ বুলি ভাবিছিলোঁ তেনে নহয়। ইহঁতৰ ভিতৰতো সাহিয়াল, যুঁজাৰু মানুহ আছে।

অ। তাৰ কোনো সন্দেহ নাই। কমতা পুৰৰ সেনাই কেৱল মোছলমানৰ লগতেই যুদ্ধ কৰা নাছিল। আসাম দেশৰ সেনাৰ লগতো অনেক বাৰ যুদ্ধ কৰি বল কৌশলৰ প্ৰমাণ দিছিল—যদিও এবাৰ ও জয় লাভ কৰিব পৰা নাছিল।

তু। কি! বাৰ বছৰ যুদ্ধ কৰি যি কমতাপুৰ সেনাক যবনে দমন কৰিব নোৱাৰিছিল, সেই কমতাপুৰৰ সেনা আহোম সেনাৰ আগত পৰাজয় হৈছিল!

অ। কেঁৱল যুদ্ধত পৰাজয় নহয়! আসামৰ তলতীয়া হৈও কমতাপুৰ বহুকাল আছিল।

তু। খোদাতাল্লা! এনে আসাম দেশ আক্ৰমণ কৰিবলৈ

নবাবৰ হুকুম। কুছ পৰৱা নাই! জান যাব! তথাপি নবাবৰ হুকুম বাহাল থাকিব লাগিব। আসাম দেশ দখল কৰিবই লাগিব। কি বোলা খাঁ চাহাব!

অ। বুলিম আৰু কি, জোনাব! আন উপায় তো আৰু নেদেখোঁ! আগুৱালেও বিপদ! পিচুৱালেও বিপদ! খোদাৰ যি মৰ্জি!

তু। আহোম সেনাৰ বল, ৰণ-কৌশল কি ৰকম তাৰ ওৱাকিপ আগেয়ে লোৱাৰ আৱশ্যক। খাঁ চাহাব। তাৰ এটা ফিকিৰ লগাব পাৰেনে!

অ। ফিকিৰ ফন্দীৰ আৱশ্যক নাই। এটা ভাল উপায় আছে।—গুৰুচৰণ ভট্টাচাৰ্য্য নামে গৌৰ দেশৰ বেপাৰী এজনৰ লগত মোৰ কালি দেখা হৈছিল। তেওঁ আসামত বহুকাল আছেহি। তেওঁৰ পৰা বহু কথা জানিব পৰা হব।

তু। তেওঁ এতিয়া ক'ত আছে!

অ। শোঁৱা নৈৰকাষৰ দোকানতে আছে।

তু। খোদাৰ কি মৰ্জ্জি। যাকে বিচাৰিছিলোঁ, তাকে পাইছোঁ। এই দেশত বহু দিন অকা বিদেশী মানুহৰ পৰা ভিতৰুৱা কথা উলিয়াই নললে অসমীয়াৰ পৰা পোৱা নেযাব। তেওঁক মোৰ ওচৰলৈ পঠাই দিয়াগৈ। ইয়াতে মোলৈ ৰই থাকিবলৈ কৈ পঠাবা। মই নমাজ পঢ়ি আহোঁগৈ।

অ। বহুৎ আচ্ছা জোন্মাব।

( তুৰ্ব্বিক আৰু অমৰ দুইও দুফালে ওলাই যায়। অলপ পিচত গুৰুচৰণৰ প্ৰবেশ )

গু। ( ইফালে সিফালে চাই ) মছলমানৰ অত্যাচাৰত বঙ্গদেশ এৰি জঙ্গলী আসাম দেশ পালোঁহি। ইয়াতো আকৌ সেয়ে আহি পালেহি। অমৰখাঁৰ পৰা বুজিব পাৰিছো এই বাৰ কিন্তু অত্যাচাৰৰ ভাব নাই। বৰ সদাচাৰৰ হে ভাব। বুজিছোঁ। আসাম দেশ আক্ৰমণ কৰিবলৈ আহিছে। তাৰে কিছু ভিতৰি কথা মোৰ পৰা লবলৈ মোক মতাই অনাইছে! তাত কোনো আপত্তি নাই। মই বেপাৰী মানুহ। উচিত দাম পালে যিহকে লাগে বেচিবলৈ প্ৰস্তুত আছোঁ।

( এনেতে তুৰ্ব্বিকৰ প্ৰবেশ। গুৰুচৰণ দীঘল চেলাম দিয়ে। )

তু! আপুনিয়েই গুৰুচৰণ ভট্টাচাৰ্য্য নে কি!

গু। হয় খোদাওন্দ্!

তু। অকলে অকলে নো কি কথা পাতিছে?

গু। আৰু কি কথা পাতিম! অপোনাৰেই যশ কীৰ্ত্তিৰ কথা কৈছোঁ। আন একো কোৱা নাই।

তু। আপুনি বঙ্গদেশ এৰি আসামত বহু দিন আছেহি। ইয়াত কি কৰিছেহি!

গু। বেহা বেপাৰ কৰিছোঁহি।

তু। আসাম দেশ আৰু তাৰ মানুহৰ মোৰ কিছু কথা জানিবৰ দৰ্কাৰ হৈছে। সেইবাবে আপোনাক মতাই আনিছোঁ। বোধ হয় আপুনি তাত বিৰক্তি পোৱা নাই।

গু। আশক্তি বিৰক্তি একো নাই। বেপাৰী মানুহ। দৰ-দাম বেচা-কিনা কৰি ফুৰা মোৰ বৃত্তি। যত দুপইচা লাভৰ আগন্তুক তালৈ আহিবলৈ বিৰক্তি কি আছে!

তু। কোনো চিন্তা নাই। কাম চাই দাম দিয়া যাব।

গু। (হাঁহি হাঁহি) সেইটো আপনাৰ মেহেৰবাণি।

তু। শুনিছোঁ মুলুক থন বৰ স্নুন্দৰ।

গু। স্নুন্দৰ আৰু কি। চাৰিওফালে পৰ্ব্বত। তাৰ মাজত জঙ্গল। আসামত আহি জানিবা দেখিলোঁ হি পৰ্ব্বত, হাতী আৰু চাহগছ!

তু। খোৱা জিনিচ পত্ৰ পোৱা যায় তো?

গু। বৰ স্নুবিধা নহয়। দাইল, চাউল, মাছ, মঙ্গহ পোৱা যায়। কিন্তু জঙ্গলী দেশ! পটল পোৱা নেযায়। কাগজি লেবু পোৱা নেযায়। আৰু পাবলৈ নাই চাঁচি পান। এই সব জিনিচ নহলে কি সভ্য মানুহৰ তৃপ্তি হয়!

তু। আচ্ছা! ভট্টাচাৰ্য্য মহাশয়, মানুহ সব কিৰকম?

গু। একেবাৰে অসভ্য! চীন, জাপান আৰু মান দেশৰ

মানুহৰ মতন বোকা চাউল খায়! বাইঁগাজ খায়। আৰু যোৱান হলেহে ছোৱালী বিয়া দিঁয়ে!

তু। ( হাঁহি হাঁহি ) মোৰ প্ৰশ্নৰ মৰ্ম্ম আপুনি বুজা নাই। মই পুচিছোঁ মানুহ সবৰ বল বুদ্ধি কি ৰকম।

গু। বল আৰু সাহস হলে বোধ হয় আছে। কাৰণ হাবিয়ে পৰ্ব্বতে বাঘ, ভালুক, পহু মাৰি ফুৰে। আক জোনাব, কবলৈকে ভয় লাগে! জীয়াই জীয়াই জঙ্গলৰ পৰা হাতী ধৰি আনে! আৰু এক আশ্চৰ্য্য কথা! মাইকী মানুহে হাতীত উঠে, কাঁড় ধেনু মাৰে, মতাৰ লগত মাছ মাৰিবলৈ যায়!

তু। যুদ্ধ কৌশল কেনে, আৰু কি কি অস্ত্ৰ শস্ত্ৰ আছে?

গু। যুদ্ধৰ কথা মোক জিজ্ঞাসা নকৰিব। আদাৰ বেপাৰীক জাহাজৰ খবৰ কেলেই। মই যুদ্ধৰ ওচৰলৈ কো নেযাওঁ কিন্তু দেখিছোঁ বিস্তৰ সেনা আছে। আৰু জোনাব! যি একোটাহে বৰটোপ আছে দেখিলেই হাত ভৰি পেটত লুকাই!

তু। আপোনাৰ পৰা এই সব খবৰ পাই বৰ খুচি হলোঁ। এই বাবে আপোনাক ভালকৈ বকচিচ্ দিবা হব। ফেৰ্ মোলাকাত হব। আপুনি এতিয়া যাওক। সময়ত খবৰ দিম।

গু। হুজুৰৰ মেহেৰবাণ। পুৰস্কাৰটো যেন সোনকালে পাওঁ।

( চেলাম দি ওলাই যায় )

তু। কই হ্যায়! ( বাজৰ পৰা ) হাজিৰ হুজুৰ!

তু। অমৰ খাঁ কো চেলাম দাও। ( বাজৰ পৰা ) বহুত আচ্ছা হুজুৰ!

( অমৰ খাঁ প্ৰবেশ )

অ। কি হুকুম। জোনাব।

তু। গুৰুচৰণৰ পৰা বহুত আৱশ্যকীয় কথা জনা গল। কাইলৈ খুব ফজিৰে আসামলৈ ৰাৱনা হব লাগে। আহোম সেনাক পৰাজয় কৰা বৰ উজু নহব। আমাৰ যথেষ্ট সেনা বন্দুক, বৰটোপ লগত নিব লাগিব। হাবিলদাৰ, জমাদাৰ সকলোৰে আগত মোৰ হুকুম জাহিৰ কৰি দিয়াগৈ।

অ। যো হুকুম, জোনাব।

—০—

# প্ৰথম অঙ্ক।

## পঞ্চম পট।

## আলিবাট।

( চুক্লেং প্ৰবেশ। )

চু। মোক দেখিলো নেদেখা ভাৱ জোৰে। মই ওচৰ চাপিলে আঁতৰি যায়। কথা সুধিলে জেঙ্গেৰা মাৰি উত্তৰ দিয়ে। মৰমৰ কথা কলে—উচাট্ মাৰি গুচি যায়। মইনো ইমান অপাত্ৰ হলোঁনে! আজি বাইদেওৰ ঘৰলৈ গৈছে। উলটি আহিবৰ সময় হৈছে। মই বাটতে খাপ দি থাকো। সিদিনা ওচৰত মানুহ থকা বাবে বেচি কথা কব নোৱাৰিলোঁ। আজি সেওহে, মনখুলি হৃদয়ৰ কথাবোৰ কওঁচো। তাইৰ নো হিয়াখন শিলেবে বন্ধোৱানে! দেখোঁ আজি কোমলাব পাৰোঁনে নোৱাৰোঁ।

( এনেতে জয়ন্তী আগতে ওলালহি )

জ। অ'! গোহাঁইদেও দেখোন! কলৈ যায়?

চু। তোমালৈকে বাটচাই আছোঁহি, আইদেও! বহু কথা ক'ব লগীয়া আছে। সুযোগ নোপোৱাত কব পৰা নাই। কৃপা কৰি যদি শুনা মই পৰম সুখ পাম।

জ। আনকাল আপুনি মোক জয়ন্তী বুলি মাতে। তই বুলি কথা কয়। আজি দেখোন—সমন্ধটো এখাপ ওখকৈ, সুৰটো এখাপ তলকৈ ধৰিছে। অতি ভক্তি—ভালৰ লক্ষণ নহয়।

চু। হায় বিধি! কিনো ভাগ্য মোৰ! ধ্যান আৰম্ভ নৌ হওঁতেই পালো জানিবা—চোৰৰ নাম!

জ। মোৰ মুখত কিবা বেয়া কথা ওলাল যদি ক্ষমা কৰিব। বাৰু কি ক'ব খুজিছে কওক। মই শুনি যাম।

চু। খালি শুনি গলেই নহব। মোৰ কথা শুনিব লাগিব; ভাৱি চাব লাগিব; আৰু মানিব লাগিব। তেহে মই সন্তোষ পাম।

জ। শুনিব লাগিব, ভাবিব লাগিব—মানিব লাগিব! গোহাঁইদেও! এটাই কেওথন ভাৰ একে বাৰে লোৱা মোৰ নিমিত্তে বৰ টান হব।

চু। আজি কিছু দিনৰ পৰা মোৰ হৃদয়ত যি একুৰা জুই জলিছে তাক মই কথাৰে প্ৰকাশ কৰিব নোৱাৰোঁ!

জ। যদি প্ৰকাশ কৰিব নোৱাৰে সোপা দি পেটতে থৈ দিয়ক। আপোনাৰে শপত মই একনিও বেয়ানে পাওঁ।

চু। তুমি মোক কি কৰিলা কব নোৱাৰোঁ। কিন্তু মই হলে তোমাৰ নিমিত্তে একেবাৰে বলিয়াৰ নিচিনা হলোঁ।

জ। হৰি! হৰি! গোঁহাইদেও! কিয় মিছাতে মোক এনে বদনাম দিছে! মই শপত খাই কৈছোঁ। জ্ঞান বিশ্বাসত মই কেতিয়াও এনে কাম কৰা নাই যি আপোনাক বলিয়া কৰিব!

চু। আইদেও! তুমি মোৰ হৃদয়ৰ ভাব একনিকে বুজিব পৰা নাই।

জ। জানোতে—নাই বুজা হবলা। মই তো সৰবজান নহওঁ।

চু। দিনে ৰাতিয়ে তোমাক দেখিবৰ মন যায়। দেখিলে আকৌ চাই থাকিবৰ মন যায়। যিমান চাই আকোঁ সিমান তোমাৰ ৰূপহী শোভা বাঢ়ি যায়। তোমাৰ এই মনমোহা ৰূপ মোৰ মানত স্বৰগৰ অপেস্বৰাতকৈও অধিক সুন্দৰ!

জ। স্বৰগৰ অপেস্বৰা নো কেনে কুৱা, কত দেখিবলৈ পায়! তুজনী মান ধৰি আনি মোক দেখুৱাব নোৱাৰেনে। মই বৰ সন্তোষ পাম।

চু। ইতিকিং নকৰিবা। তোমাৰ ভৰিত ধৰিছোঁ। মোক নৈৰাশ নকৰিবা। মোৰ কথা বিলাক ভালকৈ ভাবি চাই মোৰ প্ৰতি সদয় হোৱা। নহলে মোৰ জীৱন বৃথা হব—তোমাৰ কাৰণে মই প্ৰাণ ত্যাগ কৰিম।

জ। কোনেনো আপোনাক মৰিবলৈ কৈছে! আকৌ

দেখোন মোক মিছাকৈ বদনামখন দিছে! আপোনাৰ হৈছে কি ?

চু। হৈছে কি! দেহিঐ! তুমি বুজিও নুবুজা ভাৱ ধৰিছা। মোৰ মনৰ কথা আকৌ ভাঙ্গি পাতি কওঁ শুনা। তোমাৰ এই অপূৰ্ব্ব হেম জ্যোতি পূৰ্ণ নব অলঙ্কৃত প্ৰশান্ত মূৰ্ত্তিৰ শোভা মোৰ নয়নত পৰিলে—তোমাৰ অমৃত পূৰ্ণ সুললিত ধ্বনি মোৰ কানত প্ৰবেশ কৰিলে মোৰ প্ৰাণ গলিত হৈ আনন্দ উৎসৰত মগ্ন হয়, চিত্ত চঞ্চল হয় আৰু অন্তৰত এনে ভাবৰ জন্ম হয় যেন এটা মৰ্ম্মভেদী আবেগ আহি মোৰ হৃদয়ৰ তন্ত্ৰী সমস্তত এটা প্ৰবল প্ৰেমময় প্ৰবাহ উৎপন্ন কৰে। আৰু সেই প্ৰেমময় প্ৰবাহে যেন তোমাৰ অভিনব মোহিনী ৰূপক আবৰি ধৰে গৈ।

জ। ত্ৰাহি মাধৱ! গোহাই দেও! আমাৰ নিচিনা মানুহে এনে ভাষা বুজা বৰ টান। ই সংস্কৃত নে, বঙ্গলা নে পাৰ্চি ভাষা! আপুনি মন্ত্ৰ গাইছেনে আশীৰ্ব্বাদ কৰিছে! নাই মোক মস্কৰা কৰিছে! যি ক'ব খুজিছে চুম্বক কৈ উজু ভাষাত কলে জানো নহয়।

চু। মোৰ অন্তৰত অতি গভীৰ ভাবৰ উৎপত্তি হৈছে দেখিহে গভীৰ ভাষাৰে তাক প্ৰকাশ কৰিছোঁ। তাত কিবা দোষ হৈছে যদি ক্ষমা কৰিবা। তেন্তে চুম্বক কৈ কওঁ শুনা

তোমালৈ মোৰ বৰ প্ৰণয় বেথা জন্মিছে—তুমিও মোক মৰম সাদৰ কৰিব লাগে—মোক বিয়া কৰাবলৈ মান্তি হব লাগে।

জ। এৰা, এতিয়াহে বুজিছোঁ! এই চাৰি আষাৰ কথা। তাকে পোনাই নকৈ জাল জৰি লগোৱা কিছুমান বুজিব নোৱৰা কথা কৈ মোক বাটত আগচি ধৰি আছে। প্ৰথমে মই ভাবিছিলোঁ যে কিবা কাৰণত আপুনি আপোনঘাটি হব খুজিছিল!

চু। নহয় আইদেও! মোৰ হৃদয়ৰ ভাব বোৰ তুমি ভালকৈ নাই বুজা যেন দেখিহে মই ইমান বাহুল্য কৰি কৈছিলোঁ।

জ। আপুনি অকাই পকাই নগৈ পোন বাটে যোৱা হলে কেতিয়াবাই কথাৰ লেঠা ছিগিল হৈঁতেন। বাৰেওটি কাল চলি থকা এটা ঘৰুৱা কথা—খোজা বঢ়া, অনা নিয়া। তাকে কবলৈ গৈ এটা অভিধানৰ আদখিনি শব্দৰ শৰাধ কৰিলে! নকই নোৱাৰোঁ ফটা মুখ; কলেও লাগে ভকতৰ দোষ। পুৰুষ জাতি বৰ লুভীয়া। লোকৰ বস্তুলৈ বৰ হেপাহ। নতুন বস্তু এটা দেখিলেই চকু পৰে। বাদ বিচাৰ একো নাই। বাহিৰে ৰংচং—দেখিবলৈ ভাল। ভাল দেখিলেই গাল মাৰিব খোজে! অসমীয়া কেনে এটা নিৰ্ম্মল সুৱলা উজু নিভাঁজ ভাষা! তাকে ভালকৈ নিজ সাজেৰে সজাই নলৈ, তাত বাৰে থাইৰ বাৰে ভাষাৰ বাৰে পাচি নুশুনা নুবুজা শব্দ সানমিহলি

কৰি আপোনা সকলে এটা বিকৃতি কঠুৰা ভাযা সৃষ্টি কৰিবলৈ ধৰিছে।

চু। মই বুজিছোঁ! তুমি এই বোৰ কথাকৈ আচল কথাটোহে পাহৰাইছাঁ। মই কিন্তু যিটো কথাৰ নিমিত্তে খাটিছোঁ তাৰ একো খোলাচা উত্তৰ নেপালোঁ।

জ। আচল কথা ঠিক কৰি আপোনাক কাতৰৰে জনাইছোঁ —মই তাত মান্তি হব নোৱাৰোঁ। সেই বাবে মোক ক্ষমা কৰিব।

চু। (মনে মনে) ইমান কাকুতি মিনতি কৰিলোঁ তাতো মান্তি নহল। বাৰু চাওঁচোঁ ৰঙ্গেৰে বলাব নোৱাৰি যদি খঙ্গেৰে পাৰোনে কি। (জয়ন্তীলৈ চাই খঙ্গেৰে) জানা জয়ন্তী! তুমি কোন! কোন তোমাৰ গৰাকী!

জ। (খঙ্গেৰে) ভালকৈ জানো, মই কোন! আপুনি যেনে এক ৰজাৰ কোঁৱৰ, মই ও তেনে এক ৰজাৰ জীয়াৰী! কিন্তু মোৰ কপাল ফুটা। সকতে ঘাট মাউৰী হলোঁ। লোকৰ আশ্ৰয়ত ডাঙ্গৰ দীঘল হলোঁ। যাকে আই যোপাই যেন ভাবি আপোন বুলিছিলোঁ, সেয়ে পাচত দলিয়াই পেলালে। আমাৰ ৰজা আহোম ৰজাৰ লগত ৰণত হাৰি সন্ধি কৰিলে। বহু দণ্ড ভৰি স্বদেশৰ স্বাধীনতা ৰক্ষা কৰিলে। আৰু আগলৈ মিত্ৰ ভাব ৰাখিবৰ কাৰণে এই দুৰ্ভাগিনীক আহোম ৰজা—আপোনাৰ

পিতৃদেৱলৈ ভেঁটীদি পঠালে। স্বদেশৰ মঙ্গলৰ অৰ্থে, জন্ম ভূমিৰ স্বাধীনতা আৰু শান্তি ৰক্ষা কৰিবৰ কাৰণে, মই ও তাত কোনো আপত্তি নকৰি, মান মৰ্য্যাদা এৰি, কুটুম বঙ্গহলৈ পাচদি, নিজ দেশৰ সুখ ভোগ, ৰিষয় সম্পত্তি ত্যাগ কৰি, বিপদক সম্পদ ভাবি, কুমলীয়া বয়সতে এই নজন নুশুনা দেশলৈ আহিলোঁ।

চু। একো বেয়া কৰা নাই। বিপদ নহয় তোমাৰ সম্পদৰ বাট মুকলি হৈছে। তোমাৰ ফুটা কপাল ফুলিবলৈ ধৰিছে। তোমাৰ আগলৈ ভাল বেয়া তোমাৰ হাতৰ মুঠিত। মোৰ কথা শুনা। মোক বিয়া কৰাবলৈ মান্তি হোৱা, তোমাৰ সম্পদ হব। অমান্তি হলে বিপদ ঘটিব!

জ। মই অবলা। মোৰহৈ বাজোতে কোনো নাই। আপোনাৰ ঘৰত মই পোহানীয়া পহু। আঠুৱা তলৰ মহ। এতিয়াই মাৰি খাব পাৰে। মোহাৰি পেলাব পাৰে। মোক পোহপাল দিছে। সেই নিমিত্তে মই বাৰেওটি কাল ধৰুৱা আকিম। যিহকে কৰিবলৈ কয় তাকে কৰিবলৈ—যিহকে খোজে তাকে দিবলৈ—মই মান্তি আছোঁ। কিন্তু—( কান্দিবলৈ ধৰে )

চু। কিন্তু! ইমানতো কিন্তু! কিন্তু কি?

জ। কিন্তু আপোনাক বিয়া কৰিবলৈ মই মান্তি হব নোৱাৰোঁ। ক্ষমা কৰক। ( চাপৰি ভৰিত ধৰিবলৈ যায় )

চু। (আতৰি পৈ) ময়ো কৈছোঁ—কিন্তু!—দেখিবা! তুমি মোক যেনে লাজ দিছাঁ—যেনে মনত কষ্ট দিছাঁ! তুমিও তেনে লাজ আৰু কষ্ট পাবা! বুজিছোঁ মই! কাক বিয়া কৰিবলৈ মন কৰিছাঁ। বাৰু যোৱাঁ! দেখা যাব, কৰ পানী কলৈ যায়।

(জয়ন্তী কান্দি কান্দি ওলাই যায়)

(লিগিবা প্রবেশ।)

লি। গোহাঁই দেও! মোৰ কথা শুনক। এইখন বেহা এৰি পেলক! কিনো আমাৰ ছোৱালীৰ মেকালে খাইছে। হুকুম দিয়ক। এতিয়াই অমুকাই কেইজনী লাগে একেবাৰে জোৰণ পিন্ধাই থৈ আহোঁ গৈ। এই জনা ডিমাপুৰীয়া ৰজাৰ জীয়াৰী আপোনাত কৈ একাঠি চৰা! আপুনি তেওঁৰ জোৰ নহয়।

চু। মনে মনে থাক! হেৰ! হাৰামৰ নেগুৰ। তই দেখোন লুকাই থাকি কথা এটাই বোৰ শুনিলি হবলা! তোৰ পিঠিত চমটা লগাই এতিয়াই ঘৰৰ পৰা বাজ কৰি দিম, নেজাননে! তোৰ কামত মন নাই। বন কৰিবলৈ ক'লে নানা ভাওতি জোৰ। চুৰুনী কুকুৰৰ দৰে কথা শুঙ্গি হলে ফুৰিব পৰ। মৰিয়াই হাৰ ভাঙ্গিম। নেজাননে!

(চুক্লেং ওলাই যায়)

লি। বেটীৰ খং বাঢ়নীত। জয়ন্তী আইদেৱৰ খংটো মোৰ মূৰত ঝাৰিলে! ইমান কৰিও—কাম নকৰা হলো। (হাঁ হাঁহি) বাৰু! দেখিম মই নহলেনো কাৰ ওপৰৰ দপদপনি কৰিব।

## গীত।

কৰি কাম কলিজা মৰিল।
নকৰোঁ চাকৰি এনে মস্কিল।
আজৰি নাইৰাতি দিন;
ওলাওঁতে সোমাওঁতে কিল;
হাকিম পাগল হুকুম বাহল,
ইস্তফা দাখিল।

—০—

# প্ৰথম অঙ্ক।

## ষষ্ঠ পট।

( ৰজাৰ চৰাঘৰ, স্বৰ্গ নাৰায়ণ আসনত বহি আছে। ওচৰত
হুৰবী বৰুৱা, চাও বৰ গোহাইৰ প্ৰবেশ। )

চা। স্বৰ্গ দেও! এইমাত্ৰ চোৰাংচোৱা আহি
দিলেহি ৰণৰ মোক সঠিক বাতৰি।
শুনি বুকু বিদৰে! লাগে শোক কৰলৈ!
আহোমৰ পৰাজয়! জিকিল যবন!
ৰাতি দিন বহু দিন চলিছিল ৰণ।
হানি হল বহু সেনা উভয় পক্ষৰ।
বুঢ়া গোহাঁই খুনলুং হানি হল পাচে
যুদ্ধ কৰি বহুক্ষণ যবন সহিত!
ৰণৰ গৰাকী জন নেদেখি লগত
ভাগিল মনৰ বেগ আহোম সেনাৰ।
বিস্তৰ যবন সেনা এনে সুযোগত
আক্ৰমণ কৰিলেহি দুৰ্ব্বকৰ সৈন্তে!
বিবুদ্ধিত একো উপায় নেদেখি
ভাগিল দিহাদিহি আহোমৰ সেনা।

স্বঃ। বিষম বাতৰি ইটো বজ্ৰাঘাত সম!
কি ঘটিল পাচে তাৰ! কিশুনিলা কোৱাঁ।

চ। ৰনৰ সঁজুলি বহু অস্ত্ৰ শস্ত্ৰ সহ,
অলেখ যবন সেনা নাওয়ে বামে
আহিছে উজাই। কৰি নানা অত্যাচাৰ।
পাবহি কলিয়াবৰ অলপতে আহি।

স্বঃ। বিপদৰ পাচে দেখোঁ আহিছে বিপদ।
প্ৰলয়ৰ ঢৌ যেন উঠে ঘনে ঘনে।
আইটনীয়া, ছুটীয়া, দফলা, কচাৰি,
কাষৰ আবৰি জাতি কৰিলে বিদ্ৰোহ!
উজু হল প্ৰতিকাৰ কৰিবলৈ তাৰ
কমগুনে তাঁহাতৰ ৰণ বিদ্যা বুদ্ধি।
কিন্তু শুনি পাওঁ পৰাক্ৰমি বুলি অতি
মছলমান জাতি ৰণত পাৰগত।
যাৰ বীৰ তেজৰ্ব আগত
ভাৰতৰ বহু বীৰ জাতি
নোৱাৰি তিস্থিব কোনো ৰূপে
দিলে এৰি ৰাজ্য যবনক।
উপাও নেপাওঁ চিন্তি একো
কিৰূপে দমাওঁ শত্ৰু দিগ্বিজয়ী।
ৰাখোঁ নিৰাপদে মোৰ আদৰৰ দেশ।

চা। নাই ভয় স্বৰ্গদেও! নেলাগে ভাবিব।

বিপদত বিবুদ্ধি জ্ঞানীক নুগুৱায় ;
নকৰে ক্ষত্রিয় জাতি সঙ্কটত ভয়।
জন্মভূমি ৰক্ষা কৰা নৰৰ কৰ্ত্তব্য।
স্বাধীনতা কেনে বস্তু পশুৱেও জ নে।
ৰাজ ভক্তি পূৰ্ণ আছে তযু প্ৰজা সৱ ;
কৰিব অৰ্পণ প্ৰাণ ৰাজ্যৰ সেৱাত।
লাগে মাত্ৰ আজ্ঞা তযু। যাওঁ এইক্ষণে
কাৰ্য্য ক্ষেত্ৰ লাগি। হওঁগই মুখামুখি
শত্ৰুৰ লগত। প্ৰস্তুত সকলো আছে।

স্বঃ। যাই মন্ত্ৰী তুমি মোৰ।
আজ দিলো পদ—বৰ সেনাপতি।
এৰিলোঁ সকলো ভাৰ তোমাৰ মূৰত।
লম আকুগুণ কত নো তোমাৰ।
তোমাতেহে মোৰ সকলো ভৰশা।
যেনে ভাল কৰা দিহা ৰনৰ নিমিত্তে।
বিপদ আশঙ্কা হৈছে জনম ভূমিৰ
উচিত সবাৰো তাৰ প্ৰতিকাৰ কৰা।
কিন্তু আগধৰি তুমি নেযাবা ৰণত।
পাঁচা আন সেনাপতি সোনাৰ লগত।
কৰোক্ গৈ সবে যাই যুদ্ধৰ আৰম্ভ।

দেখা যক কেনেকৈ লৰে মছলমান।
যদ্যপি প্ৰবল হয় শত্ৰুৰ আঘাত
সহিব নোৱাৰে ভিৰ আমাৰ ৰন্নুৰা
তেতিয়া যুগুত দেখো তোমাৰ গমন,
সঙ্গে লই আৰু ফৌজ সহায় কাৰণ।

চা। ক্ষমিওক স্বৰ্গ দেও! নেবাধিব মোক।
নহয় উচিত ইটো ৰণৰ নিয়ম।
পৰি বিঘিনিত পাচে মুক্তি লভাতকৈ
উচিত আগৈতে তাক নিলগত ৰখা।
হব কি নহব জয় মনত ভাবিলে,
নেথাকিলে বিশ্বাস নিজৰ বলত
নৰয় মনৰ বান্ধ কাৰ্য্যৰ থলত।
জানিছে আপুনি নিজে পাঠানৰ বল।
ডুৰন্ত খঙ্গাল অতি বিষম যুজাৰু।
ঘটে যদি অমঙ্গল আমাৰ পক্ষৰ।
গুৰিয়াল নেথাকিলে কি হব উপায়!
যাব ৰণে সেনা আগে পালি-সেনাপতি।
অনুচিত থকা মোৰ নিলগত ৰই।

স্বঃ। ৰণৰ নিয়ম নীতি তুমি বুজা ভাল।
কৰা যিটো দেখা ভাল তোমাৰ মনত।

নিবা সেনা বয় বস্তু যত লাগে মানে,
সকলো দিহাৰ ভাৰ এৰিলোঁ তোমাত।
ঈশ্বৰ সহায় হৌক কৰোক মঙ্গল।
আহাঁ ঘুৰি লভি জয় কৰিলোঁ কামনা।

চা। জয় পৰাজয় কথা কালৰ গৰ্ভত।
নোৱাৰে বুজিব নবে বিধিৰ বন্ধন।
হলে মুখামুখী বৈৰী ৰণৰ থলত
জীৱন মৰণ ভাব নেথাকে মনত।
জিকিলে আহিম ঘুৰি লভিম সন্তোষ
হেৰি তবু পদ, ভাৰ্য্যাৰ শ্ৰীমুখ।
যদি যায় প্ৰাণ, নাই একো দুখ
হয় যদি তাত দেশৰ মঙ্গল।
মাগিলোঁ বিদায় আৰু আশীৰ্ব্বাদ।

(ওলাই যায়)

স্বঃ। গোটেই জীৱন গ'ল চিন্তা ভাবনাত।
ৰাজ্য ভোগ নোহে ইটো! বিপদৰ ভাৰ।
নোহে সিংহাসন ইটো! হুলৰ আসন।
ইয়াকে মানুহে ভাবে সৌভাগ্য সন্তোষ
সপোনতো নিমিলয় সুখ শান্তি য'ত।

—০—

## প্ৰথম অঙ্ক।

### সপ্তম পট।

( চাও ৰৰ ৰোইঁাইৰ চৰা ঘৰ। মুলা ইফাল-সিফাল কৰি ফুৰিছে। )

মু। আহিল গধূলি ওচৰ চাপি।
এতিয়াও কিয় নাহে ডাঙ্গৰীয়া !
গৈছিল কৈ—আবেলি আহি
জলপান মোৰ লগত খাব।
অৱশ্যে ঘটিছে কামৰ জঞ্জাল
ৰজাৰ ঘৰত কি জানি অতি।
নতুবা আহিছে কিবা ৰণৰ বাতৰি।

( বাটলৈ চাই )

অ' ! আহিছে সৌৱা ডাঙ্গৰীয়া।

( চাও প্ৰবেশ )

চা। কি কৰিছা সোনফেৰি, অকলে অকলে !
মু। আপোনালৈ আছোঁ বাট চাই,
অহা পলম দেখি অস্থিৰ মনেৰে।
জলপানৰ বেলা হল অথনিয়ে।

( ওচৰ চাপি গাত-ধৰি )

গম্ভীৰ শ্ৰীমুখ আপোনাৰ কিয় !
চিন্তা কিবা ঠিক খেলিছে মনত।

কিয় নাথ ! কিয় দেখোঁ আজি এনে ভাব !
সদায় যি চন্দ্ৰমুখ হৰ্ষত উজ্জ্বল
দুখুনীৰ আগত আহি কৰে জলমল—
কিয় আজি ধৰে এনে মলিন বৰণ !
পদুমৰ পাহি যেন শীতল কপাল
কিয়পিন্ধি চিন্তা ৰেঘা হয় অশোভন !
জনমতো যাৰ মন নেদেখোঁ চঞ্চল
চিন্তাত গধুৰ আজি হয় কিকাৰণ !
কৰিলোঁনে দুখুনীয়ে কিবা অপৰাধ !
সেইগুণে হল আজি এনে খঙ্গ ভাব !

চা ! চেনেহৰ সোন ফেৰি মোৰ !
কি কাৰণে খঙ্ কৰিম তোমাক !—
—মোলৈ যি জন সদায় সদয়,
ব্যস্ত সদায় মোৰ সুখৰ নিমিত্তে,
দিব বাবে মোক সন্তোষ সততে,
কৰে কত কষ্ট এৰি নিজ সুখ।
পবিত্ৰ চেনেহৰ চানেকি তুমি !
পাৰোঁনে মই খঙ কৰিব তোমাক !
দেখিলে যাৰ ৰূপহী বদন,
ৰেজাৰ ভাগৰ পলায় মোৰ,

হৰিষ সন্তোষ নধৰা হিয়,
আনন্দ-ভৰা তেনে ৰূপৰ আগত
পাৰোঁনে দুখ কৰিব মনত।

মূ। সাৰ্থক মানিলোঁ শুনি এনে কথা।
পূণ্যলাভ কৰিলোঁ স্বামী সেৱা কৰি।
কিন্তু নাথ বুজিছো নিশ্চয়
লৈছে ঠাই মনত আপোনাৰ
গধুৰ অতি চিন্তা ভাব এক।
আহিছেনে কিবা মন্দ ৰণৰ বাতৰি,
ঘটিল কি অমঙ্গল আমাৰ সেনাৰ ?
ভাঙ্গি কথা কওক নকৰি পলম।
ব্যাকুল হৈছে অন্তৰ অতি।

চা। বুদ্ধিমতী অতি তুমি নাৰী! সাধ্য কাৰ
লুকাব মনৰ ভাব তোমাৰ আগত।
ধৰিছা ঠিক চিন্তাৰ কাৰণ।
হৈছে মোৰ মন চিন্তাত বিহ্বল।
নেজানো কি দুৰ্দ্দশাৰ দিন
পৰিছেহি আহি আসাম দেশত।
বাৰে বাৰে ৰণ জিকিছে যবন
আহোমৰ সেনা কৰি পৰাজয়।

আমাৰ প্ৰধান সেনাপতি বহু
পৰিছে ৰণত এটি এটি কৰি।
ৰজাৰ আদেশ আগ্ৰহৰে ধৰি
ৰণলৈ ওলাইছোঁ নকৰি পলম।
নহলে যবনে অবিলম্বে আহি
ধৰিবহি ঘেৰি নগৰ আমাৰ।
যদি আছে মোৰ কপালত জয়
আহিম উলটি। জুৰাম পৰাণ
দেখি পুনু তৰ ৰূপহী শ্ৰীমুখ ;
শুনিম অমৃতৰ লাহৰি মাত।
যদিবা ৰণৰ ঘটে অমঙ্গল
নেদেখাওঁ বৈৰীক কদাপি পিঠি।
সন্মুখ যুদ্ধত স্বদেশৰ হেতু
দিম প্ৰাণ দান। নোলটোঁ জীয়াই
তেন্তে মোৰ সোন! ইহ জনমত
এই শেষ দেখা—স্নেহ আলিঙ্গন!

সু। যদিও অবলা নাৰী, কোমল পৰাণ,
স্বামীৰ চাইঁত থাকি কটাওঁ জীৱণ ;
নে দেখি থাকিলে স্বামী থন্তেক কাৰণ
জয়ঁ পৰে, হয় মন চিন্তাত মগন ;

যদিও বিদৰে হিয়া ৰঁণে যোৱা শুনি
নকৰোঁ বাৰণ মই কৰ্ত্তব্য কামত।
দুৰ্ঘোৰ সঙ্কট আহি বেৰিছে স্বদেশ
কোন সতে কোনে পাৰে থাকিব নলৰি!
স্বদেশৰ স্বাধীনতা ৰক্ষা কৰা মান
আছে কিবা শ্ৰেষ্ঠ ধৰ্ম্ম এই জগতত।
জনাওঁ নাথ কিন্তু মিনতি এটি মোৰ—
নিযক লগত মোক ৰণ ক্ষেত্ৰ লই।
চাওঁগৈ মই ও যুঁজি যবন সহিত।
নাটে শক্তি যদি এই দুৰ্ব্বলা তিৰীৰ
সমানে কৰিব যুঁজ পুৰুষ লগত
কৰিম সহায় সেৱা সাৰথি স্বৰূপ।

চা। নেলাগে ৰণত যাব তুমি মোৰ সোন!
গৃহ লক্ষ্মী সতী তুমি থাকা গৃহ পালি
সন্তান সন্ততি; কৰি কাম গৃহস্থালি।
নহয় তিৰীৰ কাম কটা মৰা কৰা।
ৰ'দ, বৰষুণ, শ্ৰম, পিয়াহ, লঘোন,
কেনেকৈ সহিব তব অঙ্গ সুকোমল।
পৰ্ব্বত অৰণ্য মাজে শয়ন ভ্ৰমণ
কিমতে সহিব তব শৰীৰ কোমল।

জন্ম দি যি নাৰী লালন পালন কৰি,
স্নেহৰ বুকত বান্ধি কেচুৱাৰে পৰা,
কৰে পুৰুষক সৃষ্টি জ্ঞান বুদ্ধি দিয়া।
ধৰি সেই পুৰুষে পাষণ্ড পশুভাৱ
কটা মৰা কৰি মৰে ! নিজৰ তেজেৰে
পবিত্ৰ পৃথিৱীৰ বুকু কৰে অশুচি !
তেনে স্নেহময়ী নাৰী নৰৰ জননী—
পাৰিব কিমতে সেই কুদৃশ্য সহিব !
মূ। (হাঁহি) জানিও নজনা ভাবে ভুৱাদিছে মোক।
ডাঙৰে ল'ৰাক যেনে ভয় লগুৱাই।
জগতত এনে আছেনে কোনোবা
নেজানে তিৰীয়ে যুদ্ধ কৰা কথা !
বুৰঞ্জী, পুৰাণ, ৰামায়ণ আদি
দিব পাৰে তাৰ অলেখ উপমা।
মনুষ্য দেৱতা কিম্বা দানৱ কুলত
আছে কত বীৰাঙ্গনা দৃষ্টান্ত প্ৰখ্যাত—
—পুৰুষে নোৱাৰা বলে সত্ৰুকো দমিছে !
কিয় কব লাগে মই আপুনিয়ে জানে।
চা। নজনা তোমাৰ নাই কোনো কথা।
নোৱাৰোঁ মই ছলিব তোমাক।

কিন্তু কওঁ শুনা আৰু এবাৰ কথা।
জানো মই তুমি বীৰৰ সন্ততি।
বীৰ তেজে ভৰা তোমাৰ মন।
যদিওবা ধৰ্ঁা তীথাৰ শৰীৰ,
পাৰ্ঁা শ্ৰম সহিব হাতীৰ সমান ;
কিন্তু মোৰ মানত মাখন সদৃশ
তুমি মোঁৰ চকুত ফুলৰ কুহিঁ।
অলপ ৰ'দতে দেখোঁ পমি যোৱা যেন
অলপ দুখতে যেন যোৰ্ঁা পৰি জঁয়।
ইহেন মোৰ চিকণ কোমল পুতলী
যদি পায় কিবা কষ্ট ৰণৰ থলত
নোৱাৰিম সহিব অন্তৰত মোৰ।
অনিচ্ছা জন্মিব মোৰ ৰণৰ কাৰ্য্যত।
ভাগিলে মনৰ বেগ হ'ম পৰাজয়।
চোঁৱা ভাবি! তেন্তে দশা কিহব আমাৰ।
যবনৰ বন্দী হই থাকিব লাগিব।
কৰিছোঁ মিনতি পুনু।
বিদায় দিয়া সৰল মনেৰে।
তোমাৰ উৎসাহ আৰু পুণ্যৰ বলত
কৰোঁগৈ এবাৰ ৰণ যবন সহিত।

মৃ। নোৰাঁৰো জিকিব আৰু কথাৰ বলেৰে ।
অনুচিত কৰা আৰু হকাবধা মোৰ।
লৈছে ভাৰ তুলি গধুৰ অতি!
পুৰুষৰ ধৰ্ম্ম কৰিছে পালন।
যাওক ; দিছোঁ মত, কৰক গৈ ৰণ।
আহকগৈ জিকি কৰিছোঁ কামনা।
খাটো ঈশ্বৰত—দেশৰ মঙ্গল,
স্বামীৰ কুশল! দুখুনী মই।
খোৱা বস্তু নানা ৰাখিছোঁ সজাই
আহক ভিতৰত কৰক ভোজন।
দুই ও বহি দেখা দেখি কৰি
খাই লওঁ এবাৰ আনন্দ মনে।
আকৌ বা আহে কাহানি ঘূৰি ।

—০—

# দ্বিতীয় অঙ্ক।

## প্ৰথম পট।

**কলিয়াবৰ। পাঠান সেনাৰ ছাউনী**

**তুৰ্ব্বক চুবাদাৰ আৰু অমৰ খাঁ থিয় হৈ কথা পাতিছে।**

তু। খাঁ চাহাব! কি সুন্দৰ এই আসাম দেশ! কেনে চমৎকাৰ শোভা। এই দেশৰ ওপৰত খোদাৰ বৰ মেহেৰবান যেন দেখা যায়। চাৰিওফালে পৰ্ব্বত বোৰে দুৰ্জ্জয় দুৰ্গৰ মতন মুলুকখন ঘেৰি থৈছে; যাতে সত্ৰুৱে সহজে শান্তিভঙ্গ কৰিব নোৱাৰে। বহল নিৰ্ম্মল ব্ৰহ্মপুত্ৰ নৈৰ দুইও পাৰে ৰসাল সুন্দৰ জঙ্গল পৰ্ব্বতৰ কানলৈকে জুৰি আছে। তাৰ মাজে মাজে সুখ শান্তি পূৰ্ণ গাওঁ আৰু শস্যৰ সোনালী পথাৰ জিলিকিব লাগিছে। কি খপচুৰট্ এই মুলুক।

অ! জোনাব! খপচুৰট্ নহলে কি দিল্লীৰ বাদচাৰ নজৰ পৰে!

তু। অলবৎ! ধুনীয়া চিকণ চহকী হলে সব লোকে লোভ কৰে। এইটো দুনিয়াৰ দস্তুৰ। লেকিন মোৰ মালুম হৈছে গুৰুচৰণ বাবুয়ে এই দেশৰ মানুহৰ যি বিবৰণ দিছিল সম্পূৰ্ণ ঠিক হোৱা নাই। মানুহ সব দেখাত অসভ্য বুলিব

নোৱাৰি। পিন্ধা উৰা চলন ফিৰণ অনেক দেশৰ লোকত কৈ শ্ৰেষ্ঠ। মাইকী বিলাক পৰ্দ্দাৰ ভিতৰত নেথাকে। মতা মাইকী সমানে চলিফিৰি নিজ নিজ পৰিশ্ৰমৰ দ্বাৰা স্বাধীন ভাবে সংসাৰ চলায়। গঢ় গতিৰ পৰা বুজা যায় জাতিটো বৰ সাহিয়াল—যেন কোনো বীৰৰ বংশ!

অ। তাৰ কোনো সন্দেহ নাই। সেই কথা মই আপোনাক পূৰ্ব্বেই কৈছোঁ। ৰণ-বিদ্যাত এই দেশৰ মানুহ বিলাক খুৰ ছুচিয়াৰ। বন্দুক বৰটোপ, ঢাল, তৰোৱাল, খাৰ বাৰুদ সকলো ইইঁতে তৈয়াৰ কৰিব জানে। আমি যি যি মুলুকত যুদ্ধ কৰি জয় লাভ কৰি আহিছোঁ সেই বিলাকত এনে অস্ত্ৰ শস্ত্ৰ প্ৰায় দেখা নাই। ৰণ কৌশলত আৰু বল বুদ্ধিত আসামৰ লোক কোনো ৰকমে আমাতকৈ কম নহয়।

তু। কুছ পৰৱা নাই। কেৱল বল হলে কি হব। বলৰ লগত ছল লাগে। যুদ্ধিৰ লগত ফন্দী লাগে। পাঠান সেনাৰ অভাব একো নাই। পাঠানৰ আগত পাথৰ ও চুণ হৈ যায়।

অ। ফুটনি কৰা উচিত নহয়। নিজক উচ্চ, পৰক তুচ্ছ দেখা জ্ঞানীৰ কথা নহয়। কাৰ কিমান হিকমত, কাৰ কিমান জোৰ দেখিলে হে লেখিব লাগে। এবাৰ সাপে খোঁটিলে লেজুলৈকো ভয়। কমতাপুৰ যুদ্ধত যবন সেনাৰ দুৰ্গতি কৈ মনত পৰিলে এতিয়াও মোৰ বুকু কঁপে!

তু। খাঁ চাহাব! তুমি সদায় একেটা কথাকে লই চিন্তা কৰি থাকাঁ। তুমি কি নেজানাঁ! বাদচাৰ ইচ্ছা সমস্ত ভাৰত পৰাধীন কৰি তাত ইচলাম ধৰ্ম্ম প্ৰচাৰ কৰিব লাগে। আৰু ভাৰতৰ পূবফালে থকা আসাম, মান, চীন প্ৰভৃতি দেশ বিলাক দখল কৰিব লাগে। আমাৰ কৰ্ত্তব্য হৈছে বাদচাৰ হুকুম পালন কৰা। শৰীৰত তেজ শক্তি থাকে মানে যুদ্ধ কৰিম। লাগিলে জান দিম। তেও যদি জয়লাভ নহয়—দিল্লীৰ বাদচাৰ সেনাপতিৰ কি অন্ত আছে!

অ। খোদাতাল্লাই বাদচাৰ ইচ্ছা পূৰ্ণ কৰোক। পূব-ফালে সূৰ্য্য য'ৰ পৰা উদয় হয় তলৈকে বাদচাৰ ৰাজ্য বিস্তাৰ হউক। কিন্তু—

তু। তুমি অসম্ভব বুলি ভাবিছাঁনে কি?

অ। অসম্ভৱ একো নহয়। মই ক'ব খুইছোঁ কি—এই ধৰ্ম্মপ্ৰচাৰ বায়ু, এই ৰাজ্য বিস্তাৰ ঢৌ কিহৰ জোৰত কিমান দূৰ অবাধে চলি থাকিব।

তু। (হাতৰ তৰোৱাল ডাঙ্গি) ইচলাম ধৰ্ম্ম আৰু এই তৰোৱালৰ জোৰত।

অ। জ্ঞান বিশ্বাসত ধৰ্ম্ম গ্ৰহণ নকৰাকৈ ভয় বা বলৰ জোৰত ধৰ্ম্ম গ্ৰহণ কৰালে সেই ধৰ্ম্ম প্ৰকৃত আৰু স্থায়ী হব

নোৱাৰে। আৰু তাত ইচলাম ধৰ্ম্মৰ যে কিবা গৌৰব বাঢ়িব, মোৰ বিশ্বাস নহয়।

তু। তুমি ইয়াৰ আচল উদ্দেশ্য বুজিব পৰা নাই। সৃষ্টিৰ আদিতে আছিল—একমাত্ৰ ধৰ্ম্ম আৰু একমাত্ৰ জাত। পাচত স্বাৰ্থপৰ মদগৰবী মানুহে নিজৰ মত আৰু মহিমা প্ৰকাশ কৰিবৰ নিমিত্তে পৃথক পৃথক ধৰ্ম্ম আৰু জাত প্ৰচাৰ কৰি মানুহৰ মাজত শত্ৰু ভাব জন্মাইদি পৃথিবীত অশান্তিৰ গুটি সিচি দিলে। এতিয়া তাৰ প্ৰতিকাৰ কৰিব লাগিব। পৃথিবীৰ সমস্ত মানুহক পুনৰ এক ধৰ্ম্ম আৰু এক জাতলৈ আনিব লাগিব। হিন্দু মছলমান আদি নানা জাতৰ মানুহক এক জাতত চামিল কৰি আন্তৰিক মিল আৰু প্ৰকৃত একতা স্থাপন কৰিব লাগিব।

অ। তাৰ উদ্দেশ্য ?

তু। তিতিয়া এই পৃথিবী স্বৰ্গ তুল্য হব। মানুহে স্বৰ্গ সুখ ভোগ কৰিব।

অ। পৃথিবীখন স্বৰ্গতুল্য কৰা! সমস্ত পৃথিবীৰ মানুহ এক ধৰ্ম্ম আৰু এক জাতলৈ অনা !—

তু! সম্ভব নহয় নে কি ?

অ। স্বৰ্গখন আনি পৃথিৱীত বহুৱাই দিলে পৃথিবীৰ পাপী বিলাকৰ উপায় হব কি !

তু। ইচলাম ধৰ্ম্মৰ গুণত নিস্তাৰ হব।

অ! হিন্দু মছলমানৰ ভিতৰত মিল! জোনাব! তেল আৰু পানী কি মিল হয়!

তু। খুব হয়! তাৰ উপায় তুমি নেজানা! তাৰ উপায় হৈছে—চোকা মচলা আৰু পকা ৰান্ধনী।

অ। সমস্ত পৃথিবীত এক মাত্র ধৰ্ম্ম স্থাপন কৰা শক্তি শক্ত কাম। সম্ভব হলেও সিদ্ধি কৰি বলৈ বহু যুগ লাগিব; বহু বিপ্লব ঘটিব। মোৰ বিবেচনাত ধৰ্ম্ম ভেদ বাহাল ৰাখি কেৱল জাতি ভেদ উঠাই দিলেও মানুহৰ ভিতৰত আন্তৰিক মিল আৰু প্রকৃত একতা স্থাপন হোৱাৰ সম্ভৱ।

তু। কি প্রকাৰে?

অ। সকলো ধৰ্ম্মতে ঈশ্বৰ আছে। সকলো জাতিয়ে ঈশ্বৰ মানে। যেয়ে যি নিয়মে যি ভাৱে ঈশ্বৰ উপাসনা কৰে মানুহৰ মত ভেদ হলেও তাত পৰস্পৰ ঘৃণা বা নিন্দা জন্মন হয় কিন্তু জাতি ভেদৰ পৰা জন্ম হয়—অহঙ্কাৰ, ঘৃণা, অবিশ্বাস আৰু হিংসা। এই কাৰনে জাতি ভেদ নষ্ট হলে তাৰ লগে লগে এই সকল কুপ্রবৃত্তি ও লোপ হৈ মানব জাতিৰ ভিতৰত আন্তৰিক মিল আৰু প্রকৃত একতা জন্ম হব।

( গুৰুচৰণৰ প্রবেশ )

গু। চেলাম, জোনাৰ।

তু। খবৰ কি গুৰুচৰণ বাবু?

গু। খবৰ এক এক ৰকম ভালেই।

তু। কোনেও একো সন্দেহ কৰিব পৰা নাইতো ?

গু। কাৰ সাধ্য। মই বেপাৰী মানুহ। যাৰে তাৰে ওচৰলৈ যলৈকে লাগে তলৈকে যাওঁ। তাত কোনে কিহৰ সন্দেহ কৰিব।

তু। আচ্ছা কি দেখি শুনি আহিলা কোৱা।

গু। তাওচাং আৰু কিলিং থাম বুঢ়া গোহাঁইয়ে মছলমানৰ লগত চক্ৰান্ত কৰি যি সন্ধি কৰিছিল, তাত আহোম ৰজা মান্তি নহৈ দুইজনা ভাঙ্গৰীয়াকে মন্ত্ৰী পদৰ পৰা বৰখাস্ত কৰিলে। চাওফাচেংমুং বৰ গোহাঁইক বৰ সেনাপতি কামত মোকৰল কৰি মছলমানৰ লগত যুদ্ধ কৰিবলৈ আদেশ দিছে।

তু। খাঁ চাহাব! আমাৰ ছাউনী লৈ জলদি যোৱা। টবাম সেনা সেনাপতিকে খবৰ দিয়া গৈ হুকুম পোৱা মাত্ৰ যুদ্ধ লৈ ৰাৱনা হব লৈ তয়াৰ আকিব লাগে।

অ। বহুত আচ্ছা জোনাব!

(অমৰ ওলাই যায়)

তু। গুৰুচৰণ বাবু! আহোমৰ যুদ্ধৰ আয়োজন কেনে দেখি আহিলা ?

গুঃ। বিস্তৰ আয়োজন! হাতী, ঘোড়া, বন্দুক, কামান, সেনা, সেনাপতি সকলো সম্পূৰ্ণ!

তু। তবে লৰাই আচ্ছা ৰকমেই হব। আমাৰ ফালেও তো কোনো ৰকমে কম নহয়। তত্রাচ হুচিয়াৰ হব লাগিব। আসামৰ লোক বৰ জবৰ মালুম হৈছে!

গু। খুব হুচিয়াৰ হব লাগিব! চাও বৰ গোহাই যেনে বুদ্ধিৱন্ত তেনে বলৱন্ত বীৰ পুৰুষ! কোনো যুদ্ধত কেতিয়াও পৰাজয় হোৱা নাই!

তু। কিমান দূৰ আহি পাইছেহি আন্দাজ কব পাৰে নে?

গু। শীঘ্রে আহি পাবহি। আৰু বেচি দেৰি নাই।

তু। তবে আপোনাক এতিয়া বিদায় দিছো। মইও ছাউনি লৈ যাওঁ। ঠিক হওঁ গৈ।

( ওলাই যায় )

গুঃ। পাঠান বেটাৰা জিতলে তো ভালই। যদি না জিত্‌তে পাৰে—তাহলেতো আমাৰ সর্ব্বনাশ! পুৰস্কাৰ দূৰে থাক আসাম ৰাজা খবৰ পেলে নিশ্চয় আমাৰ নাক কান কাটা যাবে।

( দূৰত "জয় স্বর্গ দেব ৰজয় ধ্বনি ) ওৰে বাপৰে। গেলাম ৰে! এখন কোথায় যায়!

( লৰি ওলাই যায় )

—০—

# দ্বিতীয় অঙ্ক।

## দ্বিতীয় পট।

মুলাৰ চৰাঘৰ—মুলা হাতত হেংদান লই থিয়।

মু। (হেংদানলৈ চাই)—

আছিলা তুখনি হেংদান
বাই ভণী দৰে মিলি একে ঘৰে।
এখনিক লৈ গৈছে চাও বীৰবৰে
পাঠানক বলি দিব বুলি।
আছাঁ বেজাৰত তুমি। ধৰিছে মামৰে।
ইচ্ছা হয় মইও যাওঁ ৰণে,
ধৰাও তোমাক শক্ৰৰ তেজৰে।
(হাতৰ হেংদান জোকাৰি) ব'লা যাওঁ!
মই হম সাৰথি স্বামীৰ।
হবা তুমি বায়েৰৰ।

(পমিলা প্ৰবেশ)

কি কৰিছা সখি! অকলে পাতিছা কথা
নিজানত বহি! হাতত হেংদান কিয়!

মু। স্বামীৰ আদেশ মানি নগলোঁ ৰণত।
দেখিলে এই হেংদান চোকা তিৰবিৰ!

পাহৰো ঘৰৰ কথাণ কিয় থাকোঁ বহি !
যেবে পতি কষ্ট ভোগ কৰিছে ৰণত।
মন গৈছে যাওঁ মই চাওঁৰ ওচৰ।
লগে সঙ্গে কৰো যুজ বৈৰীৰ লগত।
প। কিয় উচাটন হোৱা অকাৰণ !
বিপদ ভঞ্জন হৰি কৰিব মৰম !
মু। হল বহুদিন ! নেপালোঁ বাতৰি
আছেঁগৈ কত মোৰ নাথ,
কিৰূপে চলিছে ৰণ !
উগুল-থুগুল মন কৰে দিনৰাতি।
দিনেতে আন্ধাৰ দেখোঁ, চিন্তাত অজ্ঞান।
আহিব কোনোবা যেন দিবহি বাতৰি।
এই ভাবে থাকোঁ চাই পথুলিৰ পোণে।
চাওঁতে চাওঁতে দেখো সপোনৰ দৰে—
আহিব গালিছে যেন প্ৰাণনাথ মোৰ ;
হাহিঁ মনে দাসীক ধৰিছে হাত মেলি।
মইও যেন যাওঁ উল হে আগুৱাই
সাবটি ধৰিম বুলি প্ৰানৰ ধনক।
কিন্তু দেখোঁ হঠাৎ আন্ধাৰ ! উৰি যায়
ভ্ৰম জাল। থাকে মাত্ৰ হিয়াত যাতনা।

প। পতি ভক্তি, পতিৰ মুৰুতি অলঙ্কাৰ
পিন্ধি পূৰ্ণ ৰাখে সতী সততে হৃদয়।
নে দেখিলে স্বামীগুৰু শূণ্য অন্ধকাৰ
চিন্তা বায়ু লয় আহি হৃদয়ত ঠাই।
কৰে মন বাতুল সদৃশ।
উলটি আহিব যেবে পতি
হব দূৰ ভাবনাৰ কুঁৱলী
প্ৰণয় পোহৰে প্ৰাণ কৰিব মুকলি।
নুমাব চিন্তাৰ জুই হব জুৰ প্ৰাণ—
—ললে হয় শিৰে যেন জুৰণি ভৰণ।
নকৰিবা চিন্তা। ৰাখাঁমন থিৰ।

(জয়ন্তী আৰু ললিতা প্ৰবেশ)

মু। আহাঁ আই দেও! জয়ন্তী ললিতা।
দেখিলে পাহৰোঁ চিন্তা ভাবনা মনৰ।

জ। হাতত হেংদান দেখোঁ!
কোনে দিলে সেনাপতি পদ!
কোন থন ৰণলৈ যাব ওলাইছা!
নিবানে আমাকো লগত!

ল। মইও যাম লগত তোমাৰ।
যুজিব নোৱাৰোঁ যদি হম দোলাভাৰী।

জিকিলে পাতিম তোঁমাক ৰজা—
যদি পাঁতা মন্ত্ৰী মোক পাচে।
মু। সেই বোৰ পাচ কথা হব বাৰু ঠিক
শুনিছানে কিবা ৰণৰ বাতৰি!
জ। উৰণি বাতৰি শুনু—যবনৰ জয়!
আমাৰ ফালৰ ফৌজ আহিছে উভটি।
মু। নহয় বিশ্বাস মোৰ—চাও সেনাপতি
দেখাব শত্ৰুক পিঠি পৰাজয় মানি।
কোনে কয় এনে কথা! শুনি লাজ পাওঁ।
ক্ষত্ৰিয় জনম ধৰি দিব এৰি ৰণ
থাকোঁতে নিজৰ কিম্বা শতুৰুৰ প্ৰাণ!
জ। নেপাবা বেজাৰ। মই কৰিছোঁ ধেমালি।
মু। কেতিয়ানো যাব ধেমালি তোমাৰ!
ল। লাগিছেনে দেখি খিয়াল তোমাৰ!
মু। তোমালোকৰ নিচিনা কেনেকই হ'ম।
মুকলি মুৰীয়া মন চিন্তা একোনাই।
ধন্য সুখি দিন কেটা জীৱৰী কালৰ।
সদায় আনন্দ মন, হাহিঁ ভৰা মুখ।
পুৱাৰ ৰাঙ্গলী বেলি যেনে জকমক।
সদায় ধেমালি ৰঙ্গ, ৰঙ্গতে বলিয়া।

কি সুন্দৰ বসন্তৰ সখিঁয়তী যুৰি।
আহাঁ বাৰু সবে মিলি জনাওঁ মিনতি
জগতৰ অধিকাৰী দেৱৰ পদত।
স্বামীক অভয় দান সঙ্কট কালত
দিয়ে যেন বীৰ ভাব ৰণৰ থলত।
জয়লাভ কৰে যেন আহোমৰ সেনা
বিনাশী শত্ৰুৰ দল ঘুৰি আহে ঘৰে।

গীত।

হেৰা দিগম্বৰী কৰিছোঁ গোহাৰি
কৰা কৃপা কৰি বিপদ ভঞ্জণ।
কৰা হে অভয় দান।
ব্ৰহ্মা বিষ্ণু ইন্দ্ৰ আদি দেৱগণ
কৰিব নোৱাৰি অসুৰ দমন
ললেহি আশ্ৰয় তোমাৰ চৰণ,
মহাশক্তি ৰূপে দলিল দুৰ্জ্জণ।
কৰা হে অভয় দান।
সঙ্কটত আছে স্বামী ৰণে গৈয়া,
ৰক্ষা কৰ দিয়া তবু পদ ছায়া
সত্ৰুক সংহাৰি দিয়া জয় দান
কৰিছোঁ গোহাৰী তোমাৰ চৰণ।
কৰাহে অভয় দান।

—c—

# দ্বিতীয় অঙ্ক।

## তৃতীয় পট।

কলং ঘাট। ঘাটৈৰ বহা। বহাৰ ভিতৰত ঘাটৈৰ ঘৈনীয়েক তিলৌ।

( ঘাটৈর প্রবেশ )

ঘাটৈ। হেৰ ময়না মাক! ঘৰত আছনে অ'! হেৰ বেগাই ওলাই আহ!

তি। ( ঘৰৰ ভিতৰৰ পৰা ) হেৰ ৰ অথন! মই এতিয়ান্ যাব নোৱাৰিছোঁ!

ঘা। ( খংকৈ ) হেৰ এই জনী! ওলাই নাহকিয় অ'!

তি। (ওলাইআহি) হেৰ এই পাট্! তত্ নোপাৱ কিয় অ'! ইয়াকেহে বোলে "কি পৈ হুতাই তাই, লোন খৰিচা দিবৰ তত্ নাই"।

ঘা। এ আই! গোটেই জনী দেখোন দাংখাই উঠিলি! বোলে "বাজিব লাগে টেমি কটাৰী বাজিছে হাঁচটি!" ওৰে দিনটো নাও বাই দুখে ভাগৰে মৰি আহিছোঁ ময়! ওলাই মাতিবলৈকে টান পাইছ তই! নহয় নি!

তি। তাকে দিনৌ চেলাৱহি! দুখ ভাগৰত নিতৌ মৰ। পাচেন মৰা হলে এদিনো নেদেখিলো।

ঘা। হেৰ! ময় মৰিলে তয় ভাল পাৱ নহয়! এৰা! আজি কালি তোৰ গঢ় গতি বোৰ বুজিছোঁ। মোৰ মাত

শুনিলে তোক বিছায় ডকাদি ডাঁকে। নহয় নি! অলপতে একেবাৰে টিক্‌ছি বিক্‌ছি উঠ!

কি। উঠিমতো। তয় নো গধূলিখন আহি কি এই জনী, সেই জনী চেলাইছহিঅ! তোৰ হে দুখ ভাগৰ আছে। আনৰ নাইনে কি!

ঘা। (তিলৌৰ গাত হাত দি) আই অই মোৰ সোনটি! তেনে বুলি মই আকৌ জনাই :নাই নহয়! মোৰ শপত হেৰ! বেয়া নেপাবি দেই। যদিন বেয়া পাইছ,—তোৰে শপত, তোৰে মূৰকে খাওঁ—দুখ ভাগৰ মশা এতিয়াই জোকাৰি পেলালোঁ।

তি। এই খনেই তোৰ দুখ ভাগৰ!

ঘা। নহয় মোৰ সোনটি! সচাঁকৈ কৈছোঁ—তোৰ মুখখন দেখিলে মোৰ দুখ ভাগৰ মশা পলাই ফাঁটমাৰে, পায়।

তি। বাৰু বুজিছো তোৰ মৰমখন! মাগুৰ মাছ দুবিহামান আনিবলৈ কৈছিলোঁ, নানিলি। নহয়! চাউলৰ নামত ঘৰত খুদ এটাও নাই। পাচেন ধান দুকঠা মানকে নো কিহৰে সলাই আনো গৈ।

ঘা। তোৰ বেহাখনৰ কথা এৰচোঁ অথন। আগেয়ে মোৰ কানিৰ চুঙ্গাটো আনিদে। এহেঁাপা নে মাৰিলে মোৰ ধাতু ৰেই যাব এতিয়ান!

তি। সেই দেখিহে তত নেপাইছিলি মই ওলাই আহি বলৈ! (ভিতৰলৈ গৈ কানি চুঙ্গা আনি দিয়েহি)।

ঘা। (কানি চুঙ্গা হাতলৈ) দে! দে! দেচোন টিকিৰাটো জলাই। থিঐ থিঐ এহোঁপা মাৰি লওঁ।

(তিলৌয়ে টিকিৰাত জুই লগাই দিয়ে। ঘাটৈয়ে হুপি মুখৰ ধোঁৱা তিলৌৰ মুখলৈ মাৰি দিয়ে।)

তি। কিহৰ এইখন ধেমানি অ! লোকৰ মুখলৈ দেখোন ধোৱা মশা মাৰিদিছে! তালৈকেহে মোক মাতি আনিছিলি নহয় নি!

ঘা। হেৰ! এহোপা মাৰিচাচোন এনে ভাল লাগে পায়! গাটো উৰি যাওঁ উৰি যাওঁ কৰে!

(অকৌ মুখলৈ ধোঁৱা মাৰি পঠিয়াই)

তি। নেওচা-কেওচা দিবলৈ বহি! এই বলিয়া তোৰ লগত কোনে চুপিত কৰি থাকে দেও!

(গুচি বাবলৈ ধৰে)

ঘা। (আগচি ধৰি) হেৰ মোৰে শপত! অলপ মান ৰচোন। এটা বৰ কথা হৈছে! তই শুনিছ নে?

তি। কি কথা! আমাৰ ছাগলী জনী জগিলেনে কি!

ঘা। এঃ! কিবা কথা বোৰ পাতল কৰি নিয় বালক!

তোৰ খালি ছাগলীৰ হে কথা ! " বোলে "আনৰ আন চিন্তা ; বুঢ়ী বামুনীৰ ছুখন কানৰ চিন্তা" ।

তি । আকৌনো তেনে কি হল ! তোৰ কানি টেমা টো হেৰাল নে কি !

ঘা । যা বালক ! ফুচুৰি কথা বোৰেই নুশুছিল তোৰ ।

তি । তেন্তেকি কথা একে উশাহে কৈ নেপেলাৱ কিয় ।

ঘা । তই দেখোন উশাহ লবলৈকে তত দিয়া নাই ।

তি । বাৰু যিমান পাৰ উশাহ লই থাক । মইও কানখন খৰিকীয়াই আহোঁগৈ ।

( ওলাই যায় )

ঘা । হেৰ কওঁ শুনি যা । ৰবি ৰবি ।

( ওলাই যায় )

গুৰচৰণ প্ৰবেশ ।

গুঃ । ওৰে ঘাটৈ ! পাৰ কৰি দেৰে বাবা ! নাও খান জলদি লৈ আহ । দেৰি নাই কৰিবিৰে বাবা !

তি । ( ওলাই আহি ) কোন অ এইটো ! বা-বা বুলি চিঞৰখন মাৰিছেহি ! মইনো এইটোক কেতিয়ান ফুকাই- ছিলোঁ এই ! গধূলি বেলিকাখন যে পাৰ হবলৈ আহিছ দিনটো নো কত মৰিবলৈ গৈছিলি ।

গুঃ । আহাঁ বাইটী তুমিয়ে আহাঁ । ঘাটৈ নাই যদি তুমিয়ে পাৰ কৰি দিয়া ।

তি। যেই বাটে আহিছা সেই বাটে উলটি যোৱাঁ। বৰ বিগ্ৰহৰ দিন। নিচিনা নজনা লোকক পাৰ কৰিবলৈ স্বৰ্গদেওৰ মনা।

গুঃ। (ওচৰলৈ আহি) কিয় বাই! তই মোক চিনিব পৰা নাই! মই হলে তোৰ ভৰিৰে পৰা মূৰলৈকে চিনিছোঁ। তই তাহানিৰ—তিলৌ নাচনী নহৱ নে?

তি। হেৰ! অমুকীক নিচিনা নো কেইটা আছে অ! সেই বুলি তোক ও এটাইয়ে চিনিব লাগিলনে কি!

গুঃ। কিয়! তাহানি পানচৈ নাওৰে তহঁতৰ গাৱঁত মই বেহা কৰিবলৈ অহা নাই!

তি। আইনো মই কতে মাৰিযাওঁ! হয় যে নহয়! এইটো দেখোন তাহানি থনৰ সদাগৰ বাবুটো! কৰ পৰা নো ওলালিহি! (ওচৰলৈ গৈ) চাওঁ! তোৰ চুলি মশা পকি বগা হল মই চিনিবকে পৰা নাই।

গু। এঃ! নুচুৰি নুচুৰি! তই দেখোন একেবাৰে গাতে উঠিবলৈ আহিলি। (আঁতৰি যায়)

তি। কিনো বাপুৰ গাত বাঢ়নী লাগিল অ'! দুদিনতে বৰ শুচি-পবিত্ৰটো হৈ পৰিলি! ত'হানিৰ কথাবোৰ পাহৰিলিনে কি!

গু। মানুহ সদায় একে নিয়মতে থাকেনে কি! ইপিনে আকৌ তোৰ গাত কেচা মাছৰ গোন্ধ।

তি। হেৰ হেন্দু! বৰ ফুটনি নকৰিবি দেই! কেচা মাছৰ গোন্ধ এতিয়ান হলে বেয়া হল। নহনি? বোলে "ৰণত পৰি কলিয়া হলোঁ; তেল নাইকোতে ফপৰীয়া হলো"। মোৰ নিচিনা মৎস্য-গন্ধা এজনীয়েই অনন্ত-যৌবনা ৰূপৰে মানুহ নেলাগে দেৱতাকো প্ৰেমবলিয়া কৰিছিল বুলি নেজাননে কি! মযো তেও সেই বংশৰ এজনী হে।

গু। সৰ্ব্বনাশ! তই দেখোন গোটেইখন ভাগৱতৰ ভেদ ভাঙ্গি দিলি!

তি। ভাঙ্গিম তো! মোৰ জমক উঠিলে আৰু বা কিহৰ ভেদ ভাঙ্গো। নে জান।

গু। হেৰ বাই! বৰ ভাগৰ লাগি আহিছে। পাণী এটোপা খাবলৈ দিহা কৰি দিব পাৰিবি নে?

তি। আই ঐ মোৰ দেহিডোখৰি! কিয় নোৱাৰিম। জা-জল পান লগত অহা/নাই যদি, সুকাল পিঠা গুড়ি ছুটামান ও দিব পাৰিম হে।

গু। সেই বোৰ একো নেলাগে বাই! নতুন টেকেলি আছে যদি এটা দে। মই নিজে পানী এটোপা আনি লওঁ।

তি! আই ঐ দেহি! তই নো কিয় দুখ কৰিব লাগিছে! ময়ে আনি দিওঁ চো

গু। নেলাগে বাই! তই অনা দেখিলে মানুহে বেয়া বুলিব।

তি। হেৰ, কিয় নো বেয়া বুলিব! তই বিবা মোৰ হাতৰ পৰা পানী খাব লাগিছেনে। তোৰ গিলাচত ভৰাই লবি।

গু। হেৰ! তই চুৱা পানী গিলাচত ভৰালে জানো শুচি হব!

তি। এই টোনো কৰ অধা মূৰ্খ হেন্দু অ'! মই নো তোৰ পানী চুবলৈ গৈছোঁ কিয়। টেকেলিত ভৰাই হে আনিম। হেৰ! তই জানো দেখা নাই! বজাৰত বটলত ভৰাই থোৱা ফটক পানী বোৰ দেখোন তহঁতৰ হিন্দু বোৰে গিলাচত লৈ ঢক ঢক কৰে গিলে।

গু। (হাহিঁ হাহি) ঠিক কৈছ হয়। পাচে এতিয়া বুঢ়া কালত সেই বোৰ চলাব নোৱাৰি নহয়।

তি। যা, যা বামুণ। লিখা পঢ়া জনা মানুহৰ ভিতৰত— মূৰ্খ—তোকেহে দেখিলোঁ।

গু। বাৰু যাওঁ। (গাত ধৰি) বাই হেৰ! কিবা বেয়া পালিনে কি?

তি। ৰবিচোন হেন্দু অলপ ৰ। পিচেন আমাৰ স্বৰ্গ দেওৰ লগত বোলে কিবা এখন ৰণ লাগিছে। ইনো কি কথা, ক'ব পাৰনে।

গু। হঁ, বাই তই শুনা নাই! দিল্লীৰ বাদচাৰ ফৌজ আসাম দেশ দখল কৰিবলৈ আহিছে।

তি। পিচেন দেশখন ল'ব পাৰিব জানো।

গু। জোৰ যাৰ, মুলুক তাৰ।

তি। সেই টোনো কোন দিল্লীৰ বাদচা অ'। কিবা দিল্লীৰ লাড়ুৰ কথা যে কয় তাৰে ৰজা নে কি!

গু। এৰা। তাৰে ৰজা।

তি। হেৰি বাবু। তেনে মোলৈ দিল্লীৰ লাড়ু দুটা মান লৈ আহিবা দেই।

গু। ইঃ! দিল্লীৰ লাড়ু খোৱা মুখখন! খাৰ খোৱা অসমীয়াৰ পেটত দিল্লীৰ লাড়ু জীণ নিয়াবলৈ আহিছে!

তি। যা, যা! কলগুটি খোৱা। ফুটনি নকৰিবি অ।

—০—

# দ্বিতীয় অঙ্ক।

## চতুৰ্থ পট।

কলিয়াবৰ। মছলমানৰ ছাউনী।

( তুৰ্ব্বক, তাজু, বঙ্গাস সেনাপতি, অমৰ খাঁ )

( বাহিৰত "জয় আহোমৰ জয়" ধ্বনি )

তু'। শুনা যায় ওচৰত যুদ্ধৰ আৰাও!
খবৰদাৰ থাকিবা সকলো।
এঠাইত এদল হৈ থকা অযুগুত।
ঘেৰিলে শত্ৰুৰে আহি নহব উপায়।
এই ঠাইত থাকাঁ তাজু তুমি।
বঙ্গলাও থাকিব সেনা সহ।
আৰঁলত থাকোঁ মই অমৰ খাঁক লৈ।
সময়ত পৰস্পৰ মিলিব সহায়।

( "জয় যবনৰ জয় ধ্বনি" )

( তুৰ্ব্বক আৰু অমৰ খাঁ ওলাই যায় )

( "জয় আহমৰ জয়" ধ্বনি কৰি চাও আৰু দেওবাজ সেনাপতি প্ৰবেশ )

চা। পালোঁহি সাক্ষাত আছি বিচাৰি পাঠান।
বাৰে বাৰে কৰিছে দেশত উৎপাত।
ভালে ভালে বাজ হোৱা আসাম সীমাৰ।
নহলে পাইবা দণ্ড নেসাৰা সুদাই

তা। নকৰা ব্যাদপি কথা।* নকৰিবা গপ।
নেজানানে বাদচাৰ বল পৰাক্ৰম।
অহা নাই লব দণ্ড। আহিছোঁ দিবলৈ।
কৰিম দখল দেশ। নবাবৰ হুকুম!
চা। নুশুনো মই কথা তুচ্ছ মানুহৰ।
কোৱাঁ তোমাৰ চুৰাদাৰ কত।
ব। ভাবিছাঁ কি তুমিহে বৰ বীৰ।
ফিন্দাই দেখাইছা আহি বুকু।
আগে দিয়া বলৰ আমাকে পৰিচয়।
দেখিবা তাৰ পাচে তুৰ্ব্বক কেনে বীৰ।
চা। মৰণ চাপিছে আহি তোৰ দুৰাচাৰ।
দে। ৰক্ষা নাই আজি। নেসাৰ জীয়াই!

( চাও আৰু দেৰবাজে তাজু আৰু বঙ্গালক আক্ৰমণ কৰে )
( যুঁজ কৰি কৰি খেদি লৈ যায় )
( পাচে আন কালৰ পৰা তুৰ্ব্বক আৰু অমৰৰ প্ৰবেশ )

তু। দেখিছানে কি আচৰিত কথা!
হটিল আমাৰ সেনা! পলাল বঙ্গাল
আৰু তাজু সেনা পতি, যুজিব নোৱাৰি!
নহয় সামান্য দেখো আহোম বনুৱা!
অ। পুৰ্ব্বেই কৈছোঁ আপনাক,
বীৰ বংশী এই মুলুকৰ লোক।

( চাও আৰু দেওৰাজ ঘুৰি আহে )

চা। জানিছো তুৰ্ব্বক তুমি,
পাঠান চুবাদাৰ।
কি তোমাৰ অবিচাৰ
অকাৰনে বাৰে বাৰে
শান্তি ভঙ্গ কৰা আহি
শান্তিময় দেশত আমাৰ।
তু। নধৰিবা দায় দোষ মোৰ, ডাঙ্গৰীয়া।
কৰ্ত্তব্য বান্ধত পৰি সঙ্কল্প কৰিছো।
পালিম নবাব ও বাদচাৰ হুকুম—
প্ৰানান্তে এই দেশ আক্ৰমণ কৰি
গ্ৰহণ কৰিব লাগে ধন বস্তু যত।
বিস্তাৰ কৰিব লাগে ৰাজ্য যবনৰ।
চা। ন্যায় কি অন্যায় একো বিচাৰ নাই।
কিয় এনে লুভী হয় দিল্লী অধিপতি।
লভিছে ধন অতুল সম্পতি।
উপদ্ৰব কৰি নানা দেশে।
তাতো মৰা নাই মনৰ হেঁপাহ।
বাঢ়িছে আকল যতকে পাই।
দুষ্ট পৰকতি অধম প্ৰবৃত্তি

নাই কণামাত্র ধৰ্ম্মৰ নীতি।
হিতাহিত জ্ঞান নাই কি তোমাৰ
মানা অন্ধহৈ অন্যায় আদেশ!
তু। জানা তুমি আমি যবন জাতি।
নিমথ হাৰাম নকৰো কদাপি।
খাইছো নিমথ যবে বাদচাৰ
পালিম হুকুম। নকৰো অন্যথা।
কিয় কোৱা কথা অবোধৰ দৰে।
ৰাজ নীতি জ্ঞান নাই কি তোমাৰ!
ৰজাৰ উচিত কাম ৰাজ্যৰ বিস্তাৰ।
পৃথিবীত বিস্তাৰ হব লাগে নাম।
কোনে কয় তাক অবিচাৰ কাম!
চা। পাঠানৰ বল দেখিম কিমান।
নিদিওঁ কদাপি জন্ম ভূমি এৰি।
জানিবা—জগতে জানিব পাচে—
বাদচাৰ এই ঘৃণিত প্ৰবৃত্তি—
পৰৰ ৰাজ্য সম্পত্তিত লোভ—
হবগৈ নিজৰ ধংশৰ মুল!
কথাৰ সময় নহয় ইটো।
লোৱা তৰোৱাল। আহাঁ আগ বাঢ়ি।

( যুদ্ধ কৰি কৰি চাঁও আৰু দেওৰাজে তুৰ্ব্বক
আৰু অমৰক খেদি লৈ যায় )

( আন ফালৰ পৰা তুৰ্ব্বক আৰু অমৰ
আকৌ ৰণৰ থললৈ আহে )

তু। দেখিছো যুদ্ধৰ আজি বিপৰীত গতি !
অবাক হইছো দেখি আহোমৰ বল !
কৰিলোঁ বহুত যুদ্ধ অনেক দেশত।
পোৱা নাই এনে বীৰ বলী পৰাক্ৰমী !
কলৈ গল বঙ্গাল, তাজু সেনাপতি !
নিছিলে শত্ৰুৰে হুইও জনক খেদি।
নাহিলে দেখোঁ ফিৰি এতিয়াও।
নে জানো কিবা পৰিল যুদ্ধত !

অ। আহে সোঁৱা লৰি বঙ্গাল আৰু তাজু।
অতি বেগে ! হাবাথৰি খাই !

( তাজু আৰু বঙ্গালৰ প্ৰবেশ )

তু। কি খবৰ, তাজু ! কোৱা শীঘ্ৰে।
কেনেকৈ আহিলা কৰ পৰা !

তা। হলোঁ হাইৰান ! নোৱাৰি যুজিব আৰু।
আহিলোঁ পলাই, লই প্ৰাণ কোনোমতে !

এনে হুঁচিয়াৰ, আহোম সেনাপতি !
এনে তাৰ তৰোৱাল খেল !
নোৱাৰিলো কোনো মতে দিব এটা ঘা,
দুইও জনে আমি ছল চাই।

ব। দেখি তাৰ মহতালি, দুৰ্জ্জয় সাহস ;
কম্পমান হল মোৰ প্ৰাণ অতিশয়।
নেজানো কি আছে নচিবত
আজি এই আসাম যুদ্ধত।

তু। এটি এটি কৰি সেনা পৰিল বহুত।
আছে বাকী সেনা মোৰ বহুত দূৰত।
যদি পুনু শত্ৰুদলে আগচি ধৰেহি
নেজানো কি বিপদত পৰোঁ আজি আমি।

তা। ঘটিছে সুবিধা এক। শুনক শুনাব।
তাৰেহে আহিছোঁ লৰি খবৰ দিবলৈ।
জয়লাভ কৰি আহোমৰ সেনা
গৈছে গৈ উলটি অস্ত্ৰ আদি লৈ।
পৰিছে পাচ চাও সেনাপতি।
বিশ্ৰাম অভিপ্ৰায়ে নৈৰ কানত।
আছে মাত্ৰ এক সাৰথি লগত।
গুলাইছে সুন্দৰ এইটো ছেগ।

দিয়ক হুকুম, আনোগৈ ধৰি।
নতু কৰোঁ বধ অলক্ষিত হৈ।

অ। অলক্ষিতে শত্ৰুক আক্ৰমণ !
বীৰোচিত নহয় ইটো কাম।
নহয় ন্যায়-যুদ্ধৰ নিয়ম।
ভুঞ্জিব লাগিব নিন্দা ভবিষ্যৎ।
নাই মোৰ মত এনে অকাৰ্য্যত।

তু। (অমৰলৈ চাই) নে জানা যুদ্ধৰ ৰীতি নীতি তুমি।
ধৰা-বন্ধা নিয়মত নচলে ৰাজ কাম।
কাল পাত্ৰ স্থানৰ সুবিধা বুজি
চলিলে হে হয় কামনা সিদ্ধি।
(তাজুলৈ চাই) জানা ঠিক, সচাঁনে যি কৈছা তুমি ?

তা। দেখি মই আহিছোঁ নিজৰ চকুৰে।
আছে সেনাপতি বৈ। অস্ত্ৰ লগত নাই।
আগ বাঢ়ি গৈছে সেনা বহুত দূৰত।

ব। পলম কৰিলে কাম নহব সফল।

তু। যোৱাঁ তাজু আৰু বঙ্গাল আগুৱাই।
গৈছোঁ মই অলপ পাচত।
নেদেখাকৈ চাপিবা ওচৰ।
নুশুনিবা একো ওজৰ আপত্তি।

ধৰিবা হঠাৎ বেৰি। •
নেপায় যাতে একো চল—যদি আছে—
লবলৈ হাতত ডাঙ্গি তৰোৱাল।

তা। পালিম হুকুম। চিন্তা নকৰিব।

( তাজু আৰু বঙ্গাল ওলাই যায় )

তু। কি ভাবিছাঁ অমৰ, তলমূৰ কৰি!
ভাবনি গুণনি নুগুছে তোমাৰ।
বিলম্বত ঘটিব প্ৰমাদ
চলা যাওঁ যুদ্ধৰ থলত।

( দুই ও ওলাই যায় )

—o—

# দ্বিতীয় অঙ্ক।

## পঞ্চম পট।

নৈৰ পাৰ। চাও গছৰ তলত থিয়। ওচৰত দেওবাজ।

চ। দেখিলো বহুত ৰণ। যুজিলো বিস্তৰ
আসামৰ কাষৰীয়া জাতিৰ লগত।
পাঠানৰ দৰে চোকা পাৰ্গত ৰনুৱা
দেখা নাই পোৱা নাই কদাপিও আগে।
ফিৰিঙ্গটি দৰে কিন্তু ভাগিল সম্প্ৰতি।
য'ক আগ বাঢ়ি ৰনুৱা আমাৰ
লাহে লাহে ছাউনীৰ ফালে।
খন্তেক জিৰাওঁ এই গছৰ তলত।

দে। মোৰ ও সেয়ে মন। লাগিছে পিয়াহ।
আছে ওচৰত নিজনী পানী।
মনত আশঙ্কা নকৰিব একো।
হব জয় আমাৰ নিশ্চয়।
হ'লগৈ বহুদূৰ কিন্তু আমাৰ ফৌজ
আমি বেচি পৰা পাচ উচিত নহয়।

চা। দুপৰৰ চোকা ৰ'দ সহিব নোৱাৰি
লৈছেহি গছৰ আশ্ৰয় পশু পক্ষী
সমীপতে নৈৰ নিৰ্ম্মল পানী

কেৰে খায়, কেৰে ধুইছে গা।
লভিছে প্ৰাণ তৃপ্তি আনন্দ অপাৰ।
পখীয়ে ডালত বহি গীত নাচ কৰে।
জিলীয়েও তাতে মিলাইছে সুৰ।
কি সুন্দৰ শোভা বৰষে অমৃত!
পৃথিবীৰ নানা বস্তু সজীব, নিৰ্জীব
শুনু সেই পাতি জোৰা গাইছে দূৰত
মোহিনী সঙ্গিত—অমৃত ৰসেৰে ভৰা।
সবাওৰো প্ৰতিধ্বনি উঠি গগনত
গম্ভীৰ সুৰত হয় অনন্তত লয়।
ইচ্ছা হয় সংসাৰৰ তিয়াগি জঞ্জাল
তাতে লয় হয় যেন মোৰ এই প্ৰাণ।
( উলটি চাই ) কি দেখোঁ দূৰত সোঁৰা!
কোন লৰি আহে আমাৰ পোনে!
আমাৰ তো কেও নাই পৰা পাচ!

দে। নাই পৰা পাচ আমাৰ কোনো জন।

চা। আহিছেনে তেন্তে কি যবন উলটি
আক্ৰমণ কৰিব আমাক!

দে। নহয় অসম্ভৱ!

চা। ( দূৰলৈ চাই )

আকৌ দেখোন নাইকিয়া হল।
সোমালেনে কি বনৰ মাজত !
আছিছে লুকাই হাবিৰ আৰত !
হঠাৎ যদি ধৰেহি বেৰি
হব কি উপায় ! নাই অস্ত্ৰ হাতে !

দে। ইমানতে পলাই যোৱাহে উচিত।
নেদেখোঁ আন উপাৰ একো।

চা চোৰৰ দৰে পলাই যোৱা !
নহয় বীৰৰ উচিত কাম।
সচাঁ যদি আছিছে শতুৰু।
আছে এতিয়াও বহুত দুৰত।
যোৱাঁ তুমি সতকাই ; মাৰ্তা ৰিঙ্গিয়াই।
আহক আমাৰ সেনা ঘুৰি শীঘ্ৰে অতি।
আগেয়ে আহিবা তুমি ঘোঁৰা দৌৰাই
আনিবা লগত হেংদান মোৰ।
যোৱাঁ ততালিকে নিচিন্তিবা একো।
পাবাহি ঘূৰি ঠিক সময়ত।

দে। ভাল ডাঙ্গৰীয়া।
নগলেও আন একো নেদেখোঁ উপায়।
বিপদ ভঞ্জন হৰি ! (ওলাই যায়)

চা। (অলপ বৈ থাকি) শত্রু মিত্র কাকো নেদেখোঁ
কোনো পিনে।
নেজানো কি আজি আছে মোৰ ভাগ্যত !
সময়ত আহি নেপালে সহায়
অকলই যুজিম বাহু বলেৰে।
নপলাওঁ তত্ৰাস শত্ৰুৰ ভয়ত।

(তাজু আৰু বঙ্গাল হঠাৎ আগত আহি ওলাই)

তা। পালো লগ আহি।
আহাচোঁ এতিয়া যুজিবা কিমান।

ব। কৰিছিলা ফুটনি হকৰাই এবাৰ।
পাবা মজা ! পহুজালত পৰিলা ধৰা।

চা। নিৰস্ত্ৰ কালত চোৰৰ দৰে
ছেগ চাই আহি ধৰিছ বেৰি।
নাইনে লাজ এনে ভীৰুৰ কামত !
শিয়ালৰ জাকঁলৈ নদৰো মই।
যদিও অকল অস্ত্ৰ হাতে নাই।

[ চাওৰে তাজুক গবামাৰি ধৰি নিমিষতে
হাতৰ পৰা তৰোৱাল কাঢ়িলয় ]

ভাবিছ কি আহি অকলে পাই
এবাৰ হাৰি জিকিব পাৰিবি।

আহ দুৰাচাৰ চাওঁ কিমান বল।

( যুদ্ধ লাগে। হাৰি তাজু আৰু বঙ্গাল পলায় )

( বাটলৈ চাই )

নেপালেহি আহি দেওৰাজ এতিয়াও !
নেজানো আৰু কি বিপদ উপস্থিত !
নাই কোনো সকাম চিন্তা কৰিবৰ।
নিৰাশ্ৰয়ৰ আশ্ৰয় ঈশ্বৰ আছে।
( ওলটি চাই ) ভয়ঙ্কৰ অমঙ্গল দেখোঁ !
পালেহি আকৌ আহি পাঠানৰ দল !

( তুৰ্ব্বক, হুচেন, তাজু আৰু বঙ্গাল প্ৰবেশ )

তু। বাহাদুৰি কৰিছিলা তুমি ডাঙ্গৰীয়া।
পৰি আচলত মানিছিলো হাৰ।
পাইছো ছল এতিয়া। দেখাম সাক্ষাতে
পাঠানৰ আছে কেনে বুদ্ধিবল।

চা। হই পৰাজয় সম্মুখ ৰণত,
তিষ্ঠিব নোৱাৰি হেঙ্গদানৰ কোব,
পলালোঁ এবেলি প্ৰাণৰ ভয়ত—
—পলায় শিয়াল যেনে সিংহক দেখি।
ধৰি চুবাদাৰ পদ গুৰিয়াল সেনা—
দেখালা সেনাক শিয়ালৰ প্ৰকৃতি।

কোন সতে মুখ দেখাইছাঁহি আহি ;
গৰ্ব্ব কৰিছাঁহি বুদ্ধি কৌশলৰ !
নহয় নীতি ইটো বীৰপুৰুষৰ,
লুকাই আহি শত্রুক ধৰা।

তু। কিয় বলকিছাঁ পাগলৰ দৰে
নহই তয়াৰ জান বচাব লৈ।
ভাবিছা কি তুমি যুক্তি দেখুৱাই
পাৰিবা ৰাখিব তোমাৰ প্ৰাণ।
নকৰো মই তৰ্ক যুক্তি অযুক্তিৰ
নহওঁ যুক্তিৰ বশ কাৰ্য্যৰ সময় !

চা। ধৰ্ম্মজ্ঞান তোমাৰ নাই কণা মান।
ধৰ্ম্ম-যুদ্ধৰ নীতি নেজানা তুমি।

তু। (হাঁহি হাঁহি) ধৰ্ম্ম যুদ্ধ ! হাহা ! ধৰ্ম্মযুদ্ধ !
আছে এই শব্দ মাত্র কিতাপত !
ধৰ্ম্ম যুদ্ধ ! আছেনে তাৰ কিবা অৰ্থ !
কেনোবা দুৰ্ব্বলী পুৰুষ অকামিলা
কৰিছিল স্থষ্টি এই "ধৰ্ম্ম-যুদ্ধ" শব্দ।
পাৰেনে থাকিব ধৰ্ম্ম ইহেন কাণ্ডত—
উৎপাত, প্ৰমাদ, মৃত্যু, হাহাকাৰ
লগৰীয়া যাৰ ! যি কাৰ্য্যৰ ফল—

নৰ-হত্যা, নাৰী-হত্যা, শিশু-হত্যা হয়।
থাকিব পাৰেনে কিবা ধৰ্ম্ম তাত!
হা হা! যুদ্ধৰ আকৌ ধৰ্ম্ম!
ইয়াকে কয় হিন্দুলোকে
"গৰু চোৰৰ গঙ্গা স্নান।"
যুদ্ধ হৈছে এক পাষণ্ড কাণ্ড!
লোভত মতলীয়া পৰৰ ধনত।
কোনে কয় আছে ধৰ্ম্ম তাৰ!
ছলে বলে কৌশলে কৰা জয় লাভ—
সেয়ে হে যুদ্ধৰ কৰ্ত্তব্য কাম!
যুদ্ধৰ আচল ধৰ্ম্ম কেৱলমাত্র জয়।

চা। শুনিলো আচৰিত নীতিৰ বথান।
সঙ্কট কালত গাইছা প্ৰলাপ।
সেনা অস্ত্র মোৰ নে দেখি লগত,
ভাবিছা আহি চোৰৰ দৰে,
জিৰনি লওঁতে ধৰিবাহি মোক।
দেখিছা এই খন পাঠান তৰোৱাল!
চিনিছানে কাৰ আছিল হাতত।
পাঠান তৰোৱালে আজি বধিব পাঠান।

( তুৰ্ব্বক আৰু হুচেনৰ লগত চাওৰ যুদ্ধ। )

ব। বাৰে বাৰে কৰিছে ব্যাৰ্দপি
আহি ছাগে বাঘৰ আগত।

( বঙ্গালে পাচ ফালৰ পৰা আহি
চাওৰ পিঠিত তৰোৱাল মাৰে।)

চা। দুৰাচাৰ! কৰিলি অন্যায়!
পাবি তাৰ প্ৰতিফল।

( চাও পৰি যায়, হটাৎ
দেওবাজ আহি চাওক ধৰেহি—চাওৰ মৃত্যু )।

দে। অকাৰ্য্য কৰিলি, অধম!
নহয় ইটো যুদ্ধৰ নিয়ম।
লুকাই আঘাত কৰা পাচফালে আহি
থাকোঁতে আনৰ লগে সন্মুখত যুজি
নহয় কদাপি ইটো বীৰোচিত কাম
ডাকাইত চোৰৰ দল তইঁতি পাঠান।
পাবি অবিলম্বে পাপৰ ফল।
গুচি যা আঁতৰি দুযাচাৰ ইঁত।

তু। নিলগিছোঁ আমি।
কৰা নীতি কাম মৃতকৰ।
যদিও প্ৰাণৰ বৈৰী হয় এইবীৰ
নকৰি প্ৰশংসা থাকিব নোৱাৰো—

তীক্ষ্ণ বুদ্ধি বল পৰাক্ৰম।
বিৰল অতি জগতে এনে মহাবীৰ।

( মৃত দেহ লৈ মুৱ দোৱাই সম্মান কৰিওলাই যায় )।

দে। জলিছে হৃদয় মোৰ দুৰ্ঘোৰ শোকত।
ইচ্ছা বিধাতাৰ! একো উপায় নাই।
ধন্য বীৰ। কৰিলা সাৰ্থক জীৱন।
উছৰ্গিলা প্ৰাণ স্বদেশ কাৰণে।

—০—

# দ্বিতীয় অঙ্ক।

## ষষ্ঠ পট।

ভিতৰ চৰা ঘৰ। মূলা আৰু পমিলা বহি আছে।

( দুৰবীৰ প্ৰবেশ। )

মূ। পাঁলানে লগ মঙ্গলতী বুঢ়ী ?

দু। ( কৰজোৰ কৰি ) পালো লগ। আনিছোঁ লগতে মাতি।

( বুঢ়ীৰ প্ৰবেশ—দুৰবী ওলায় যায়। )

বু। কিয়নো মাতিছিল দেওতা! ককালৰ বিষত পৰি আছিলোঁ, আপুনি বেয়াপায় বুলিহে চুচৰি বাগৰি কোনো-মতে আহিছোঁ। বোলোঁ কানি খাবলৈ ২,২ পাওঁবা।

মূ। ডাঙ্গৰীয়া ৰণলৈ গৈছে। জানা নহয় ?

বু। কানখন অলপ গধুৰ। ডাঙ্গৰকৈ কথা ক'ব।

মূ। বোলোঁ ডাঙ্গৰীয়া ৰনলৈ গৈছে। জাঁনা নহয়।

বু। অ'আই! কিয় নেজানি মা! লৰালুৰি বুঢ়া বুঢ়ী আমি সকলোৱে ধিয়াই আছোঁ—কেতিয়া কৈনো ডাঙ্গৰীয়াই বাঙ্গালবোৰ ধৰি আনে—মাকটীয়েকে ভালকৈ এপিটন দিম।

মূ। ডাঙ্গৰীয়াৰ আজি বহুদিন একো বাতৰি পোৱা নাই। মঙ্গল এখন চোৰাচোঁ। কতনো আছেগৈ, কেতিয়া আহিব।

বু। ভাল দেউতা। ( গাঠিৰ পৰা কড়ি এমুঠি উলিয়াই মনে মনে কিবা ছুআযাবমান মন্ত্ৰ মাতি কড়িমুঠি মাটিত মাৰি জুমি জুমি চায় )

মু। কি ক'লে মঙ্গলে ?

বু। নকলে থিৰাং একো।
নোৱাৰিলে মঙ্গলে ধৰিব
কেনে, ক'ত আছে ডাঙ্গৰীয়া ;

মু। কিনো আচৰিত !
মঙ্গলেও ধৰিব নোৱাৰে ঠিকনা
হল কি, আছে ক'ত মোৰ প্ৰাণেশ্বৰ !
হৈছে মন অথিৰ অবীৰ।
হোৰ্'। বাই, লোৱা মঙ্গলৰ মাননি, যোৱাগৈ এতিয়া।

( বুঢ়ী ওলাই যায়। জয়ন্তী আৰু ললিতাৰ প্ৰবেশ )

জ। কি কৰিছা মাহীদেৱ,
মঙ্গলতী বাই আহিছিল কিয় ?

মু। চোঁৱাইছো মঙ্গল, ডাঙ্গৰীয়াৰ
বাতৰি নেপাই বহু কাল।

জ। মই ও জানো মঙ্গল চাব ভালকৈ।

মু। চোঁৱাচোঁ তেনে এখন।

জ। বঢ়োৱা তামোল পান আগ।

মু। বঢ়াইছোঁ আগ। চোঁৱা সাচা কৈ।

জ। ( হাতৰ আঙুলি দুটা মেলি )

* ধৰা এটা আঙুলি যি টোকে মন যায়।

মু। ( এটা আঙুলি ধৰি ) এইটোকে ধৰিছো বাৰু।

জ। নকৰিবা চিন্তা। আহিব মহা দেও

তোমালৈ লই এটি পত্নু পোৱালি।

মু। নেলাগে ধেমালি মোৰ ভাল।

কোৱাঁ আন কথা।

জ। শুনিলা ক'ত মঙ্গল চোৱা কথা,

সচাঁকৈ কৰানে বিশ্বাস ?

মিছা কথা। একো মূল্য নাই মঙ্গলত

অশিক্ষিত অবোধ, অজলা লোকক

ছলিবৰ কাৰণ টেঙ্গৰ মানুহে

উলিয়ালে এটা মঙ্গল-চোৱা বিদ্যা।

লেশমাত্র সচাঁ নাই তাত।

কাল পাত্র চাই মঙ্গলতী

সাজি কথা কয় কল্পনাৰ পৰা।

মু। মোৰও সেয়ে মত। কিন্তু

আতুৰ কালত নেথাকে ঠিক মন।

ভাল মন্দ নেজানে বিচাৰ।

যি কয় যিহকে বিশ্বাস হয় তাতে।

চিন্তাৰ ডুবিত থাউনি নে পাই
ওপঙ্গিৰ পাৰোঁ বুলি ফেনকে থামোচোঁ।
জ। থাকাঁ কৰি বুকু ডাঠ নহবা বিতত।
অৱশ্যে পাবহি আহি ৰণৰ বাতৰি।
মৃ। কালি পুৱালৈক যদি ঘুৰি নাহে নাথ,
নতুবা নেপাওঁ যদি একোকে বাতৰি
ওলাম ঘৰৰ পৰা, স্বামীক বিচাৰি।
কি চাই থাকিম মই ঘৰত সোমাই।

( সুৰবীৰ প্ৰবেশ )

সু। আছে ৰই স্বৰ্গদেৱ বাহিৰ চ'ৰাত।
গাভৰু দেউতাক দৰশন পাবলৈ।
মৃ। আহিছে স্বয়ং মহাৰাজ!
নহয় কথা সামান্য নিশ্চয়!
উঃ! কিয় কপে হঠাৎ বুকু মোৰ,
ধপ্ ধপ্ কৰিছে কলিজা!
যাওঁ নিজে, আনো আগ বঢ়াই।

( ৰজাক আগবঢ়াই আনে )

স্ব। এই মাত্ৰ পালে আহি ৰণৰ বাতৰি।
হানী হল বহু সুযোগ্য ৰণুৱা।
দুয়ো পক্ষ যুজিলে বহুক্ষণ।

পলালে যবন চাৰি ফালে।
থেদাই দূৰত শত্ৰুৰৰ দল
আহিছিল ফিৰি চাও সেনাপতি।
ৰইছিল এথন্তক নৈৰ পাৰত
স্নান আৰু বিশ্ৰাম কৰিব মনেৰে।
নাছিল লগত সেনা, ৰণৰ সঁজুলি।
এনে সুযোগতে পাঠান সেনা আহি
চোৰৰ দৰে পুকাই ছেগ চাই
ধৰিলেহি চাওক অকলৈ থাকোঁতে।
উঃ! কি অন্যায়, অধৰ্ম্ম! ( মনে মনে থাকে )।

মু। কি ঘটিল তাৰ পাচে?
খুলি কথা কওক স্বৰ্গদেও!
ব্যাকুল হৈছে মোৰ মন।

স্ব। তাৰ পাচে—আৰুনো কি কম!
( তল মুৰ কৰি মনে মনে থাকে )

মু। তেন্তে কি বধিলে পাষণ্ড পাঠানে
কৰি অন্যায় মোৰ প্ৰাণেশ্বৰ!
( কপালত হাতদি ) হায় বিধি, কি কৰিলা।
কিয় মোক আগে নেমাৰিলা।
অনন্ত আন্ধাৰে মোৰ ডুবিল জীৱন।

কলৈ গ'লা এৰি প্ৰাণেশ্বৰ মোক।
নেপালো দেখিব সোনা মুখ,
নুশুনিলো মাত একেযাৰ
তোমাৰ অন্তিম কালত।
দুৰ্ক্পলীয়া অভাগিনী তিৰী
মোৰ সম নাই পৃথিবীত।
হে ঈশ্বৰ ! জগতৰ পিতা
দিয়া বুদ্ধি বল মোক কৰ্ত্তব্য কামত
দমন কিৰূপে কৰো শোকৰ আগুণ,
মৰ্দ্দন কিৰূপে কৰো পতিৰ বৈৰীক,
প্ৰতিশোধ লও তাৰ পিওঁ জীয়া তেজ।
নতুবা তিয়াগো প্ৰাণ যুজি তাৰ লগে।

স্ব। নহবা ব্যাকুল, বীৰ পত্নী দেবি !
নুশুৱাই এনে ভাৱ। নহবা বিহ্বল।
তিয়াগিলে প্ৰাণ বীৰ স্বদেশ ৰক্ষাৰ্থে
আছে হেন কিবা আৰু পুৰুষৰ ধৰ্ম্ম !
থাকিব যশস্যা পৃথিবীত জ্বলি,
স্বৰ্গতো লভিব অতি শ্ৰেষ্ঠ ঠাই।
আছে যত হিলৈধাৰী ৰণৰ সজুলি,
বাচি ভাল সেনাপতি যত লাগেমানে,

পঠিয়াম অবিলম্বে। লব প্ৰতিশোধ।
পাঠান বিশ্বাস ঘাটি যথা দণ্ড পাব।

মৃ। নহয় পলম যেন ৰনৰ যোগাৰ।
ময়ো যাম ৰনলৈ ৰনুৱাৰ লগত।
সাধ্যমানে যুদ্ধ দিম প্ৰাণ থাকে মানে
পতি ঘাটি পাঠানৰ সতে। হয় পাৰোঁ
বধিম স্বামীৰ বৈৰী। ল'ম প্ৰতিশোধ।
নহলে তেজিম প্ৰাণ যবনৰ হাতে।

স্ব। কৈছা কথা বীৰ যোগ্য, ক্ষত্ৰীয় ৰমনী।
কিন্তু দেবি ! নাৰী তুমি, আলসুয়া দেহ।
কিৰূপে কৰিবা ৰণ পুৰুষৰ সঙ্গে !
ক্ষান্ত হোৱা। নেলাগে ৰণত যাব তুমি।
আছে মোৰ সেনাপতি অসংখ্য ৰনুৱা।
পাৰিব কৰিব ৰণ যবনৰ সতে।

মৃ। আছিল কোমল দেহ তেজ মঙ্গহৰ
কিন্তু পতি অবিহনে শুকাল সকলো।
হল টান দেহ মন শিলৰ সদৃশ।
প্ৰতিহিংসা অগনি জলে অন্তৰত।
সৰল কোমল নম্ৰ যত নাৰী গুণ
জলি হল ফুট-ছাই অন্তৰত মোৰ।

দয়া মায়া লাজ ভয় শান্ত নম্র ভাব—
নাৰীৰ যি আদৰৰ সজ অলঙ্কাৰ ।
থহিল বুকৰ পৰা স্বামীৰ লগতে ।
ললে আহি ঠাই সাহ হিংসা গৰ্ব্ব ক্রোধ ।
প্রতিজ্ঞা কৰিছোঁ দিম প্রাণ পতি হন্তে !
নেবাধিব স্বৰ্গদেৱ ! দিয়ক আদেশ ।

স্ব। পতিব্রতা নাৰী ! নকৰো হকাবধা
যোৰাঁ দিছো অনুমতি ৰণ ক্ষেত্রলৈ !
যাব যত লাগে মানে ৰনুৱা বিষয়া ।
হাতী ঘোঁৰা যত লাগে ৰনৰ আহিলা !
যাওঁ শীঘ্রে মই । জনাওঁ সবাক
দিহাত যেন নহয় বিলম্ব ।

( স্বঃ ওলাই যয় )

জ। আমি যত আছোঁ মানে লগৰীয়া তিৰী
বাঢ়িছোঁ আগ যাবলৈ তোমাৰ লগত ।
ধৰি জন্ম ক্ষত্রীয় কুলত
নজনা নহওঁ অস্ত্র ব্যৱহাৰ ।
যদিবাও শত্রু, কিন্তু নিৰস্ত্র কালত
অনিয়মে কৰা বধ নসহে হিয়াত ।

চিঃ ! কি ঘিনলগা কাম ।
কোন সিটো অধৰমী বীৰ !
ল । ওলোৱা সকলো সখি । লোৱা হেংদান ।
লোৱা শেল শূল ঢাল হাতত হিলৈ ।
আসাম ৰাজ্যত কৰে ইমান দুৰ্গতি !
দেখিব পাঠানে কেনে অসমীয়া তিৰী ।

(সকলেৰে ওলাই যায় )

# তৃতীয় অঙ্ক।

## প্ৰথম পট।

আলিবাট।

লিগিৰা। পাচে পাচে লিগিৰাৰ হাতত ধৰি, টনা আঃঙ্গ। কৰি ৰবাৰ প্ৰবেশ।

ৰ। ৰবাচোঁ লিৰ্গিৰা, অলপ ৰবা হে! আগে মোৰ কথাষাৰ ভালকৈ শুনি লোৱা। খঙ্গনো কথাকে লৈ কিয় দিগ শপত কথাষাৰ শুনি লোৱা।

লি। সঁচাকৈ কৈছো ৰবা! তোমাৰ লগত মোৰ এতিয় দন্দ এখন হে লাগিব। সদায় একেটা কথাকে লৈ কিয় দিগ দি থাকাঁহে!

ৰ। তোমাৰ ভৰিত ধৰিছোঁ! মোৰ কথাষাৰ আগেয়ে শুনি লোৱা, তাৰ পাচে খঙ্গ কৰা দন্দ কৰা যি কৰা কৰিবা।

লি। ভৰিত নেলাগে মূৰত ধৰিলেও তোমাৰ সেই বোৰ কথা মোৰ মনে কানে নধৰে। মোৰ চৌধ পুৰুষ মৰিগল কানি খাই। মই ডাঙ্গৰ দীঘল হলো কানি খাই। তুমি

ধৰিছোঁহি মোক এতিয়া কানি এৰিবলৈ। বোপা ককাৰ বৃত্তিটো এৰি মই হওঁ এতিয়া জাত্যান্তৰি। হেৰা! ৰৰা মই ও তোমাৰ ভৰিত ধৰিছো। আন কিবা কথা আছে যদি কোৱাঁ। তুমি বেয়াকৈ কলেও ভালকৈ শুনিম। কিন্তু দোহাই স্বৰ্গদেও! কানি এৰা কথাৰ হলে শুংস্থত্ৰ ও মুলিয়াবা। নুহলে—সাৱধান ৰৰা! শান্তি ভঙ্গ হব একা।

ব। সচাঁকৈ লিগিৰা তোমাক মই ৰৰ-টান পালো! কানিত নো তুমি এনেদৰে কঠাল এঠাত লগাদি কেনেকৈ লাগি ধৰিলা হে!

লি। সেই বোৰ কথাৰ ভেদ তোমালোকে কেনেকৈ পাবা। কথা দকৈ ভাবি চাবলৈ তোমাকে শিকাই নাই। তোমালোকে জানা—ৰৌটোকে ঢৌটো কৰিব। আৰু জানা—মাছৰ হাটখন ভঙ্গাকে-ৰাজ ভাগণটো কৰি তুলিব। এটা বস্তু আন এটা বস্তুত লাগি ধৰা-এটা বস্তুৱে আন এটাক ঠেলি নি খালত পেলোৱা-এটা পদাৰ্থই আন এটাৰ ওপৰত উঠি বাহাদুৰি কৰা-এই বোৰ হৈছে বিজ্ঞানৰ কথা।

ব! ই ই! তুমি দেখোন কানিৰ কথা এৰি বিজ্ঞানৰ ওচৰ পালাগৈ।

লি। তাৰ কাৰণ বুজা নাই? তেন্তে তুমি বিজ্ঞানৰ মৰ্ম্মকে নুবুজা!

ব। নিচেই নুবুজা নহওঁ। তুমি পদার্থ বিজ্ঞানৰ কথা কৈছা হবলা।

লি। চাবাচ ৰৰা দেও। তোমাৰ দেখোন বিজ্ঞানৰ বোধ নিচেই নাইকিয়া নহয়।

ব। অলপ আছে। কিন্তু কানিৰ লগত বিজ্ঞান খন আকৌ কেনেকৈ লেটিয়াইছা গৈ তাকেহে বুজিব প্ৰৱা নাই।

লি। কেনেকৈ বুজিবা! কানিৰ অলপ জুতিলৈ চালহে বুজিব পাৰিবা। কানি জানো এটা পদাৰ্থ নহয়।

ব। অৱশ্যে কানিও এটা পদার্থ।

লি। সেইয়া দেখোন বাপেক! তোমাৰ কথা মতেই দেখোন কানিৰ লগত বিজ্ঞানৰ সমন্ধটো ওলাই পৰিল।

ব। জানোতে দেও! তোমাৰ এই বিজ্ঞান ভনিতা খন আমি এক্কে বুজিব নোৱাৰো।

লি। ই এলাপেচা মানুহৰ কাম নহয়। যোগধ্যানৰ কাম। ধ্যান কৰিব নেজানা নে কি?

ব। সেইখন বিদ্যা নাই শিকা দেও।

লি। তেন্তে শুনা। যেতিয়া কানি পদার্থটি ফটাকানি বা পানত চামিল কৰি টিকিৰাটিৰ দেহাটি দাহ কৰি তাৰ ধোঁবাখিনি অন্তৰ জগতত মেলি দিয়া যায়, নতুবা, দাহ

নকৰি পদাৰ্থটি জীয়াই জীয়াই মুখত ভৰাই স্বালোপ কৰে গিলি পেটত পুতি থোৱা যায় তেতিয়া সি ৰসায়ন বিজ্ঞানৰ দ্বাৰা নিৰাকাৰ হৈ মনো-বিজ্ঞানত লয় যায় গৈ। বুজিছানে নাই ?

ব। বাৰু, কৈ যোঁৱা।

লি। তাৰ পাছে ভিতৰ বিজ্ঞানত সঞ্চাৰ হৈ বাহিৰ বিজ্ঞানত মৌন ৰূপ ধৰেহি। এঁতাইতকৈ পাচৈ, কেওখন বিজ্ঞান খেলিমেলি হৈ এখন প্ৰকাণ্ড অজ্ঞান বা ধ্যান বিজ্ঞান অৱতাৰ হয়। বুজিছা।

ব। বুজিছোঁ।

লি। পাচে সেই ধ্যান বিজ্ঞানৰ মোহিনী গুনত কানীয়া ভকত সকল একেবাৰে মোহগৈ পূৰ্ণ ব্ৰহ্মত লয়হৈ থাকেগৈ। এনে মুক্তি-দায়ক, দেৱৰ দুৰ্লভ বস্তুক এৰিবলৈ কোৱানে! নিয়ন্তা ভগবন্তই স্বৰ্গ পাতাল লুট পাত কৰি ভাল ভাল বস্তুৰে পৃথিবী খন সাজি দিছে তাকে তোমালোকে ভাঙ্গিবলৈ ধৰিছা, নহয়!

ব। আমাৰ মনে হলে কানিয়েইহে দেশ খন ভাঙ্গিবলৈ ধৰিছে। ঈশ্বৰেতো মানুহক কানি খাবলৈ শিকাই পঠোৱা না ছিল।

লি। কিয় শিকাব লাগিছে। চোকা বুদ্ধিৰ নজনা কি

আছে। মানুহ জানো ঈশ্বৰৰ নিচিনা ভোদা। মানুহৰ বুদ্ধি যে ঈশ্বৰৰ বুদ্ধিত কৈ একাঠি চৰা। তুমি নেজানা নে কি!

ব। (হাঁহি হাহি) যোৱাঁ! তুমি কিবা বলিয়া মানুহৰ দৰে বলকিছা। মানুহ নো ঈশ্বৰত কৈ বেচি বুধিয়ক হব পাৰেনে! এনেবোৰ কথা নকবা দেও হে।

লি। নহয় বৰা দেও! মই হলে সাক্ষীয়ে চাবুদে প্ৰমাণ পাইছোঁ ঈশ্বৰত কৈ মানুহ বেচি বুধিয়ক।

ব। জানো কি প্ৰমাণ পালাঁ। আমাৰ বুদ্ধিয়ে হলে সিমান বোৰ কথা চুকি নেপায়গৈ দেও।

লি। বাৰু কোৱাচোঁ—ঈশ্বৰে মানুহক নাকটো দিছিল কিয়।

ব। নাকটো দিছিল কিয়! গোন্ধ লবলৈ আৰু উশাহ লবলৈ।

লি। ঠিক কৈছাঁ। পাচে কোৱাচোঁ বাৰু সেই নাকতে বিন্ধা দি মানুহে যে—নাক-ফুল পিন্ধিব সিমানবোৰ কথা ঈশ্বৰে ভাবিছিল জানো।

ব। তুমিও ভাল কথা বোৰ খোঁচৰিব পাৰা দেও! আমাৰ নিচিনা মানুহে কথাৰে তোমাক বলে নোৱাৰে দেও।

লি। তেন্তে তোমাৰ কথা এৰি মোৰ কথা শুনা।—ৰাব্ধ! এটা কাম কৰা। খোৱা-লোৱা, পিন্ধা-উৰা কথা

বোৰ সম্প্ৰতি জোলোঙ্গাত ভৰাই থৈ, দেশ-খন ৰক্ষা কৰিবলৈ এটা উপায় চিন্তা কৰাঁ। বঙ্গাল আহি আমাৰ দেশখন কাঢ়ি লবলৈ ধৰিছে। ইপোনে আমাৰ ডেকা সকলৰ ভুয়েই নাই। গা-ঘেলাই বা-বলাই, কথা চোবাই ফুৰুতেই গৈছে। ভাগ্যে আমাৰ মুলা গাভৰু দেও আছিল। তেওঁৰ উৎসাহতে জানিবা কিছুমান জীয়াৰী বোৱাৰী ককালত টঙ্গালি বান্ধি, মৰণত শৰণলৈ যুজিবলৈ ওলাইছে। নহলে তো আমাৰ দেশৰ কালে একেবাৰে অধ্যা পৰিছিল।

ব। ডেকা সকলও ৰহি থকা বিধৰ ন হয়। সময়ত নলৰি নে থাকে।

লি। মাইকীখন আগত! মতাখন পিচত। মাইকীয়ে গৈ ৰণ কৰক। মতাখনে ঘৰত বহি সূতা কাটক। তোমা লোকৰ এইখন বৰ ধেমালি এৰি পেলোৱা দেওহে। কানি খোৱা বিদ্যাটো যদি দেশৰ পৰা একেবাৰে মোহাৰি পেলাব খুজিছা, এটা কাম কৰা। তিৰোতা বিলাকক মছলমানৰ লগত ৰণ কৰিবলৈ উদং নেমেলি ঘৰুৱা কামলৈ ঘুৰাই আনা। আৰু কানি বন্ধ কৰা ৰণত লগাই দিয়া। তেতিয়া হে কানীয়া ভকত সকলৰ গা লৰিব।

ব। যোৱা দেওহে! মতাই কানি এৰুৱাব নোৱাৰিলে মাইকীয়ে এৰুৱাব পাৰিবনে ?

লি। মই দেখিছো তোমাঁলোকে কামৰ আগগুৰি একো নে জানা। ক্ষনাৰ দৰে মিছাতে খপজপাই ফুৰিছা। ৰাজ নীতি, সমাজ নীতি, পুৰুষ নীতি, নাৰী নীতি—একোকে নুবুজা। কেতিয়া—ক'ত—কোনে—কাৰ লগত—কেনেকৈ —কি কৰিব লাগে তাৰ ভেদ একো নোপোৱা।

ব। আমি বাৰু নেজানো। তুমিয়ে কোৱাচোঁ কি কৰিব লাগে।

লি। তেন্তে মোৰ বুদ্ধি লোঁৱা। মাইকী সকলে মেল পাতি প্ৰস্তাব জাহিৰ কৰি দিয়ক যে-যি লোকে কানি নেৰে তাৰ নিমিত্তে—গুৰ পিঠাস্তৰি বন্ধ আৰু তেনে লোকৰ লগত—সহবাস বৰ্জন। তেতিয়া চাবাচোঁ বাৰু কোন বা পেকৰ পিতেকে কানি নেৰি পাৰে।

ব। তেনেহলে ভালেই হৈছে! তোমাকও কানি একৰুৱাবলৈ এটা উপায় পাইছোঁ। আহাঁ এতিয়া যাওঁ।

---

# ৩য় অঙ্ক।

## ২য় পট।

নগবব বাজ বাট।

(বাহিৰত "জয় স্বৰ্গদেৱৰ জয়" ধ্বনি)
মূলা আদি তিৰী সেনা আৰু পুৰুষ সেনা
লানি পাতি নাম গাই বনলৈ যায়।)

বীৰ মনে, ধীৰ প্ৰাণে,
আনন্দ বদনে,
অপূৰ্ব্ব মিলনে,
পুৰুষ নাৰী, পাতিছে শাৰী
কৰ্ত্তব্য বন্ধনে,
স্বদেশ কাৰণে,
শত্ৰুক দমনে;
মন্ত্ৰনা সাধনে।
| গগনে মলয়া বয়,
অৰণ্যে পখীয়ে গায়,
উলাহে নাচে হৃদয়,
উৎসাহে সবে নিৰ্ভয়

জগত জিনি, উঠিছে ধ্বনি,
আকাশী শুনা বাণী
খুলিছে জননী,
ঘুচিব বিষিনি
আজি শুভদিনে।
জীৱনৰ অমূল্য ধন,
কৰিব লোকে হৰণ,
কি লই থাকে জীৱন,
মেলা গৈ এনে জীৱন,
জয় ঢোল বাজে, ৰণ সাজে,
আহাঁ সবে মিলি,
তিয়াগি খেয়ালি,
দিও জীৱ বলি,
মাতৃৰ চৰণে ,

---

# তৃতীয় অঙ্ক।

## ৩য় পট।

ডুইমুনি শিলা। মছলমানৰ ছাউনী।

তুৰ্ব্বক, তাজু, বঙ্গাল, হুচেন, অমৰখাঁ থিয়হৈ।

তু। (হাঁহি হাঁহি) শুনিছাঁ, অমৰ! এটা তামাচাৰ কথা।
আহিছে আসাম নাৰী ৰণ-সাজ পিন্ধি,
লৈ অস্ত্র তৰোৱাল যুদ্ধৰ হাতিয়াৰ।
যুজিব পাঠান সঙ্গে অভিপ্ৰায় কৰি।

অ। নহয় ইটো তামাচাৰ কথা।
নহয় বিশ্বাস কেৱল তিৰী
আহিছে যুজিব পুৰুষৰ লগত।
যদিবা হয় সচাঁ সমাচাৰ
আচৰিত একো নাই তাত।
আছে বৰং চিন্তাৰ কাৰণ।

তু। (হাঁহি হাঁহি) সদায় অমৰ তুমি চিন্তাত মগন।
চিন্তাই তোমাৰ ধৰ্ম্ম, চিন্তাই জীৱন।
চিন্তা বিনে আন কৰ্ম্ম নেজানা একোকে।

অ। নকৰিব কথা উপলুঙ্গা।
জানিও নজনা হয় কিয়।
নে জানে কি কথা পুৰনি কালৰ ?
জগতৰ কত দেশ আজিও জিলিকে
নাৰীৰ অদ্‌ভুত বীৰত্ব যশত।
বীৰাঙ্গনা বোডেচিয়া—ৰানী ব্ৰিটনৰ—
দিলে যুদ্ধ ভয়ঙ্কৰ ৰোম্ সেনা স'তে।
কিম্বা যেবে ব্ৰিটনৰ ফৌজ পৰাক্ৰমী
কৰিছিল অৰলিন দেশ আক্ৰমণ,
স্বদেশৰ অপমান সহিব নোৱাৰি
ফৰাচি কুমাৰী জোৱানডার্ক নামে
ঢাল তৰোৱাল ধৰি প্ৰাণৰ কাতৰে
উদ্ধাৰিলে জন্মভূমি উগ্ৰমূৰ্ত্তি ধৰি,
কৰি খৰ্ব্ব দৰ্প ব্ৰিটনৰ।
দেখো যাওঁ অলপ দূৰত।
পাওঁনে কিবা সঠিক খবৰ।
আহিম ফিৰি খন্তেক পাচত। (অমৰ ওলাই যায়)
(বহিৰ্ভূত "জয় সৰ্গদেবৰ জয়" ধ্বনি)

তু। ইকি! বাস্তবিক পালেহি ওচৰ
আসামৰ নাৰী সেনা আহি!

নাৰী বা পুৰুষ, যুজিব লাগিব।
খবৰদাৰ হবা তোমালোক।
( আন ফালে "জয় আহোমৰ জয়"ধ্বনি )

অ। ( লবালবি কৈ আহি )
পশ্চিম আৰু দক্ষিণ দুফালৰ পৰা
আহিছে দুদল হৈ আসামৰ সেনা।
দেখোগৈ আৰু কিবা পাওঁনে খবৰ।

( অমৰ ওলাই যায় )

তু। সঙ্কট ঘটিব যদি চাপেহি দুফালে
দুয়ো দল সেনা আহি অতি ওচৰত।
মাতত বুজিব পাৰি—দক্ষিণত নাৰী।
তিৰীৰ লগত যুদ্ধ নহব কঠিন।
ৰই থাকা তাজু আৰু বঙ্গাল ইয়াতে।
হুচেন আৰু মই পশ্চিমমুখে যাওঁ।
ধৰোগৈ আগভেটি পুৰুষৰ দল।

( তুৰ্ব্বক আৰু হুচেন ওলাই যায় )

( বাহিৰত "জয় আহোমৰ জয়" ধ্বনি )

( জয়ন্তী, ললিতা, পদ্মিলা.
মূলা আৰু তিৰী সেনাৰ প্ৰবেশ )

মূ। ( তাজু আৰু বঙ্গাললৈ চাই )

কোন তোমালোকি ? দেখাত মছলমান ।
করিছাহি উপদ্ৰব আমাৰ দেশত।

তা। তাজু আৰু বঙ্গাল জানা আমাৰ নাম ।
পাঠান সেনাপতি, বাদচাৰ নোকৰ ।

মু। আছে কত তোমাৰ তুৰ্ব্বক চুবাদাৰ ?

তা। কি দৰকাৰ চুবাদাৰ তোমাৰ ।
দিয়া মোক আগে পৰিচয়—
কোন তুমি নাৰী যুদ্ধৰ পোচাকত।

মু। আসামৰ সেনা আমি, আহোম ৰমণী
আহিছো বিচাৰি বৈৰী দমন কৰিব।
বহুপৰ বিচাৰিছো পাঠান সেনাক
অধৰমী দুৰাচাৰ বীৰৰ কলঙ্ক।
বধিলে মোৰ স্বামী আনিয়াই যুজত
অনস্ত্ৰ অবস্থাত অকলসৰে পাই।
পাব আজি পাপৰ উচিত প্ৰতিফল।

তা। দেখা নাই ক'তো এনে উধতুৱা তিৰী
পুৰুষৰ আগত আহি ফেৰ পাতিছে।
কোনে দিলে দুৰমতি ৰণত আহিব।
নেলাগে যুজিব বাৰু তুৰ্ব্বক সহিত।
আহা, দেখো দিয়া মোকে বলৰ প্ৰমাণ ।

ৰ। নাৰীৰ কৰ্ত্তব্য আছে গৃহস্থালী কাম।
কিয় এৰি লাজ কাজ আহিছা যুদ্ধত।
কদাপিও যবনক বলে নোৱাৰিব।
যোৱা ফিৰি ভালে ভালে লঘু হোৱা আগে।
তুচ্ছ তিৰী সঙ্গে যুদ্ধ কৰা অযুগুত।
লাগে লাজ পুৰুষৰ—প্ৰকৃত বীৰৰ।

জ। নকৰিবি গৰ্ব্ব হেৰ, অঘৰী পাঠান।
নসহে বহতীয়াৰ চহতীয়া কথা।
বুলিছ কাক তুচ্ছ, নিজে হই অধম!
নিজেই নিলাজ হৈ কৰ লাজৰ কথা!
বীৰ হৈ নৰ হত্যা কৰ চোৰৰ দৰে।
কোন লাজে বীৰ বুলি দিছ পৰিচয়।

ল। পাবি পৰিচয় ভালৰূপে আজি
ৰনতো যে কাজী আসামৰ তিৰী।
নেলাগেচোঁ কব বাৰু পুৰুষৰ কথা।
তিৰীৰেই যুজি আগে ৰক্ষা কৰ প্ৰাণ।

প। দেখাম আজি তোক তিৰীৰ মহতালি।
ৰাখ বাৰু মান তোৰ প্ৰকৃত বীৰৰ।

তা। তিৰীৰ ফুটনি, বৰ বৰ কথা!
নোৱাৰি ধৈৰ্য্য ৰাখিব আৰু।

ব। দেখোঁ তোৰ মহতালি আহ আগ বাঢ়ি।

মু। ভাবিছ কি আমি পাচ সোহকিম।

(তাজু আৰু বঙ্গালাৰ লগত মুলা, জয়ন্তি, ললিতা আৰু পদ্মিলাৰ তৰোৱাল যুদ্ধ। তাজু মুলাৰ হাতত, বঙ্গাল জয়ন্তীৰ হাতত মৃত্যু)।

মু। অন্যায় যুঁজত বধি মোৰ স্বামী
উপাৰ্জিলি মহাপাপ।
নৰকত ফল তাৰ ভোগ কৰগৈ।
কিন্তু তুৰ্ব্বকক নেপাওঁ লগ মানে
প্ৰতি হিংসা জুই বুকত নুমুমাই।

জ। নেযাওঁ উলটি ৰণ থল এৰি
প্ৰতি হিংসা পিয়াহ নপলাই মানে।

(তুৰ্ব্বক আৰু হুছেন প্ৰবেশ)

তু। হাঁয় আল্লা মোৰ, কি সৰ্ব্বনাশ!
তাজু আৰু বঙ্গাল মাটিত পতন।
হেৰুৱালে দুয়ো প্ৰাণ আসামত আহি।
আছিল নচিবত মৰণ তিৰী হাতে!
শোকত ফাটিছে মোৰ দিল।
কি হব কান্দিলে! খোদাৰ হুকুম!
লৈযোৱা দুজনক কবৰ দিয়াগৈ।

(সেনা দুজনে মৃত দেহ বাহিৰলৈ নিয়ে)

অদ্‌ভুত কাণ্ড অতি দেখোঁ আসামত !
আসামৰ নাৰী সবে যুদ্ধ সাজ পিন্ধি
নিৰ্ভয়ে যুজিলে আহি পাঠানৰ সঙ্গে ।
মু । জানিছোঁ তয় নিধক তুৰ্ব্বক ।
বধিলি মোৰ স্বামী—চাও সেনাপতি
ধৰ্ম্ম যুদ্ধ নীতি উলঙ্ঘন কৰি ।
আনিছে মৰণে ঠেলি দুৰাচাৰ তোক ।
প্ৰতিজ্ঞা মোৰ জানিবি নিশ্চয়—হয়
ল'ম প্ৰাণ তোৰ, নহয় দিম মোৰ ।
হু । উদ্‌ভণ্ডালি কৰিছ সিংহৰ আগত ।
ভাঙ্গিম মোচৰি ঘাৰ তঁহতৰ আজি !
তু । নহয় বিশ্বাস ! সামান্য অবলা তিৰী
জঙ্গলী এই অসভ্য দেশৰ
বিনাশ কৰিলে সম্মুখ যুদ্ধত
এই দুই অগ্ৰগণি বীৰ !
মু । নাই একো আশঙ্কাৰ কাৰণ ।
হাততে প্ৰমাণ পাবি, গুচিব সন্দেহ ।
জানিবি পাঠান আমি অসমীয়া তিৰী ;
ক্ষত্ৰিয় কুলত জন্ম নডৰো মৰণ ।
পাই অস্ত্ৰহীন, নম্ৰ, অজলা জাতি,

কিম্বা শান্ত, ৰণ-বিদ্যা হীন—,
কৰিছিলি গ্ৰাহ অন্য বহু দেশ
অকাৰণে—খালি ধনৰ লোভত।
নেভাবিবি তেনে কিন্তু আহোমৰ দেশ।

জ। দেৱ বংশে জন্ম ধৰোঁ বীৰৰ জীয়াৰী।
ভাবিছকি আমি যবনৰ নাৰী
লুকাওঁ মতাৰ ভয়ে দুৱাৰ চুকত—
চুকৰ ভেকুলী যেনে ডৰাই বেলিক।
চাই লহি আহ কেনে অসমীয়া তিৰী।

মূ। ( মূলা, জয়ন্তী, ললিতা আৰু পমিলা
তুৰ্ব্বক আৰু হুচেণৰ লগত তৰোৱাল যুদ্ধ কৰি
কৰি খেদাই লৈ যায়। মূলা, জয়ন্তী, ললিতা
আৰু পমিলা পুনৰ প্ৰবেশ।)

মূ। পলাল পাঠান শিয়ালৰ দৰে।
কিন্তু সখি ভাগবিলোঁ আজি।
নহয় তুৰ্ব্বক সামান্য যুজাৰু।
নেপায় লগ তাৰ বঙ্গাল আৰু তাজু—
বল বুদ্ধি কিম্বা তৰোৱাল খেলত।
পলাইছে তুৰ্ব্বক সৌ পোনে।
যাওঁ মই পাচে পাচে খেদি।

লগত পমিলাক লই।

জয়ন্তী, ললিতা! যোৰা আন ফালে

আৰু সেনা লই—ধৰাগৈ আগচি।

( তুৰ্ব্বক পলাই যোৱাৰ ফালে মূলা আৰু পমিলা, আন ফালে জয়ন্তি আৰু ললিতা বেগাই ওলাই যায় )

—o—

# তৃতীয় অঙ্ক।

## ৪র্থ পট।

বণ ক্ষেত্র। তুর্ব্বক, হুচেন, অমৰ প্ৰবেশ।

তু। আচৰিত পালো দেখো আসামৰ তিৰী!
বাস্তবিক ইসকল ক্ষত্রিয় ৰমণী।
ফুৰিলোঁ বহুত দেশ, যুজিলোঁ বহুত।
দেখা নাই এনে তিৰী দোচোৰা দেশত—
বলী, বুধিয়ক, ধনিস্তা নকৰে ভয়।
যুজে ভীম মূৰ্ত্তী ধৰি মুনিহ লগত!
ৰূপত শুৱনী অতি দেখাত কোমন,
অন্তৰত আছে কিন্তু বীৰ তেজ ভৰা।
নগনে একনো বাধা, নেমানে মৰণ!

অ। পূৰ্ব্বেই কৈছোঁ নাৰী-বীৰত্বৰ কথা।
আসাম দেশতো আছে তেন উপমা।
সৃষ্টিৰ অপূৰ্ব্ব বিচিত্ৰ নাৰী জাতি।
বুজিব নোৱাৰি তাৰ অপাৰ মহিমা।
নানা মূৰ্ত্তি ধৰে খন্তেকতে;
পুৰুষৰ অৰ্দ্ধাঙ্গিনী, জুৰনি দুখত।
শক্তিদাত্ৰী বিপদত, ধৰণী শোকত।

নম্র, স্নেহময়ী, কোমল ভাষিনী
শান্ত মূৰ্ত্তি যেন গম্ভীৰ সাগৰ।
কিন্তু যদি পায় হিংস্ৰাত আঘাত,
নিৰাশা, বিষাদ কিম্বা অপমান,
ক্ৰোধত বাতুল ধৰে মূৰ্ত্তি অগ্নি সম।
গৰজে সাগৰ যেনে ধুমুহা বায়ুত।

হু। নহয় মানৱী এই তিৰী সেনা।
কিবা মন্ত্ৰ বলত ধৰিছে এই বেশ।
আছে ইহঁতৰ যাদুকৰী গুণ।
যুঁজিছেহি আহি যাদুৰ বলত।
শুনিছো এই দেশৰ তিৰী
বিদেশীক ইন্দ্ৰজাল মাৰি
বন্দী কৰি ৰাখে ভেৰা–ছাগ কৰি!

তু। ভয়ত ভ্ৰম জন্মিছে তোমাৰ।
ইন্দ্ৰজাল কিম্বা মন্ত্ৰ–বল
নিশ্চয় জানিবা সকলো মিছা কথা।
নকৰে তাক জ্ঞানীয়ে বিশ্বাস।
দৰাচলে বুজিছোঁ এতিয়া
বীৰ বংশী এই অসমীয়া জাতি।
নৰ নাৰী সবে যুজত পৰিপাটি।

কিন্তু আছে কাৰ সাধ্য–লৰাই কৰি
তিষ্ঠিব পাৰিব পাঠানৰ আগত।
যাৰ দপদপনিত পৰ্ব্বত ও কঁপে।

হু। আছে মোৰ নিবেদন এক।
জোনাবে নধৰে যদি কোনো দোষ।

তু। কোৱা ভাল পেট-কথা খুলি
তেহে হব উচিত বিচাৰ।

হু। দেখিলো অদ্ভুত এই আহোমৰ তিৰী
অযুগুত যুজ ইহঁতৰ লগত।
যদি কৰোঁ জয়লাভ বধি ইহঁতক
নিন্দিব লোকে তিৰী বধী বুলি
নুবুলে তাক যশস্যাৰ কাম।
কিন্তু যদি কদাচিত হওঁ পৰাজয়
তেনেওতো লোকে বিতণ্ডা কৰিব
হাৰিলোঁ বুলি তিৰীৰ আগত।
নপৰি এই দোধোৰমোৰত
ইচ্ছা হয় ফিৰি যাওঁ নিজ দেশ।

তু। কোৱা নাই কথা তুমি ভাবি চাৰি ফালে।
বীৰ বংশী যোদ্ধা হৈ যদি ফিৰি যাওঁ
তিৰীৰ ভয়ত নকৰি ৰণ

কি বুলিব শুনি জন সাধাৰণে।
জ্ঞাতিবৰ্গে কিম্বা নবাব চাহাবে।
বীৰৰ কলঙ্ক বুলি ৰতিব সবাই।
সবাই নিন্দিব বুলি নিমথ হাৰাম।
শুনিব লাগিব লঘু লাঞ্চনা কিনান
নিজ পৰিয়াল আৰু ল'ৰা ছোৱালীৰ!
( অমৰলৈ চাই ) কোঁৱা মোল্লা চাহাৰ কি তোমাৰ মত,
অ। নবাবৰ ইচ্ছা আছিঁছা যুদ্ধত।
অবশ্য পালিব লাগিব হুকুম।
নচেৎ লভিবা গুৰু দণ্ড অতি
নিমথহাৰামি কৰিলে কাৰ্য্যত।
তথাপি অধৰ্ম্মত কদাপি নেযাবা।
নহব লাজ হাৰিলে নিয়াই যুদ্ধত।
( বাহিৰত "জয় স্বৰ্গদেৱৰ জয়" ধ্বনি ),
তু। যোৱা শীঘ্ৰে অমৰ ছাউনিৰ ফালে।
দিয়া খবৰ আহক আমাৰ সেনা।
( অমৰ ওলাই যায় )
নিৰ্ভয় চিতেৰে থাকিবা হুচেন।
নিশ্চয় আহিছে বিচাৰি আমাক
পাচে পাচে তিৰী সেনা সবে।

ছল বল ফন্দী যত আছে পাঠানৰ
লাগাব লাগিব আজি তিৰীৰ যুদ্ধত।
আগবাঢ়ি মই ধৰিম মুলাক
তহঁতৰাক তুমি ৰাখিবা পাচত।
( মুলা আৰু পমিলাৰ প্ৰবেশ )

মু। মাৰিছিলি গণ্ডপ কোনখন মুখেৰে
কৰিছিলি কিতাহি বৰ বীৰ বুলি।
পলালি দেখোন শিয়ালৰ দৰে
সহিব নোৱাৰি তিৰীৰ আঘাত।
হব আজি তোৰ তাজুৰ দশা
পঠিয়াম তোক যম পুৰিলৈ।
অন্তিম সময় পালেহি তোৰ
স্মৰণ কৰি ল ইষ্ট দেৱতাৰ।

তু। ( দাবিদি ) চুপৰও তিৰী নকৰ ফুটানি
বন্ধ কৰ তোৰ বকবকনি!

মু। ( হেংদানত হাতদি )
খবৰদাৰ গণ্ডপী গাৰীয়া
কৰি কথা বুজি বাজি!
( মুলাই তুৰ্বকক আক্ৰমণ কৰে। দুইবো যুদ্ধ আৰম্ভ )

তু। মৰ সাহ বাঢ়িছে তইঁতৰ!

প। নাইনে লাজ তোৰ পলৰীয়া চোৰ!

( পদ্মিনী আৰু হুচেনৰ যুদ্ধ )

( দুৰ্ব্বৃত্তৰ লগত যুদ্ধি আকোতে হুচেনে পদ্মিনীক এৰি হঠাৎ মূলাৰ পাচ কাললৈ গৈ পিঠিত তৰোৱালেৰ আঘাত কৰে )

মু। চোৰাঁ সখি! বিন্ধিলে মোক কোন পামৰে!
পাচ ফালৰ পৰা নেদেখা কৈ।
( পাদ্মিনীৰ গাত আওজি )
যায় প্ৰাণ বায়ু! কিন্তু নাই দুখ!
জীৱন কৰিলোঁ সাৰ্থক
তিয়াগি প্ৰাণ স্বামীৰ নিমিত্তে
আৰু স্বদেশৰ হিতে।
লইলো বিদায় এই সংসাৰৰ পৰা
যাওঁগৈ য'ত আছে স্বামী মোৰ।
লগতে যোৱা নগৰত ফিৰি।
জনাবা মোৰ স্নেহ সেৱা সকলোকে।
আৰু ক'বা সকলোকে—কেতিয়াও যেন
নহয় উৎসাহ ভঙ্গ মৰণত মোৰ,
নেৰে যেন্ এই ৰণ—যেতিয়ালৈকে
নহয় পৰাজয় যবনৰ দল।
( মূলা মাটিত পৰি যায় )

প। হায় হায়! হল সৰ্ব্বনাশ!
কলৈ যোৱাঁ সখি আমাক এৰি।
কি কৰিলি হেৰ পামৰ পাঠান
এই কি তহঁতৰ বীৰৰ ধৰম
কৰ নাৰী হত্যা চোৰৰ দৰে।
ছিঃ দুৰাচাৰ! তোৰ নেপায় চাব মুখ।
( মূলাৰ গাত ধৰি )
হায় সখি! কোনে ভাবিছিল
আছিলে এনে তোমাৰ দশা।
এৰি অলঙ্কাৰ মাণিক মুকুতাৰ
এৰি ঘৰ বাৰী স্বৰ্ণ পুৰি হেন
এৰিবাহি প্ৰাণ ৰণৰ থলত
চিকণ কোমল দেহ ধূলিত পেলাই!
নকৰো আৰু শোক। কি হব কৰিলে।
পতিব্ৰতা বীৰ নাৰী বীৰৰ জীয়াৰী
পতি-ভক্তি মন্ত্ৰ ধৰি দিলা প্ৰাণ দান।
যোৱাঁগৈ স্বৰগত, ধন্য সতী তুমি।
থাকাগৈ সুখে পতিৰ লগত।
তু। শুনিছোঁ গল্পত, বুৰঞ্জীও পঢ়িছোঁ।
কৰে যুদ্ধ তিৰী উগ্ৰমূৰ্ত্তি ধৰি।

স্বচক্ষে দেখিলো আজি আসাম দেশত
অদ্বিতীয় নাৰী এই বীৰ শিৰোমণি।
ধন্য দেশ, জাতি, পৰিয়াল
জন্মিছিল য'ত এই দেবীতুল্য নাৰী।
কৰিছো স্বীকাৰ শোকৰ সহিত
আত্মৰক্ষা হেতু নিষ্ঠুৰ ভাৱে
কৰিলো বিনাশ এই অপূৰ্ব্ব ৰমণী।
ক্ষমা কৰঁা দেবি! লইলো বিদায়।
( তৰোৱালেৰ চেলাম কৰি ওলাই যায় )

---

## ৪ৰ্থ অঙ্ক।

### ১ম পট।

ৰজাৰ চ'ৰাঘৰ। স্বৰ্ণ নাৰায়ণ, কমচেং আৰু দেওবাজ্ঞ।

স্ব। বিপদৰ ক'লা মেঘ বাঢ়িছে ক্ৰমাত
ধৰি ঘোৰ মূৰতি আসাম আকাশত।
বাৰে বাৰে ৰণ বিফল ঘটিতে।
হানি হ'ল বহু গুণী বলী জন।
নাৰীয়েও যুজিব পৰিলে পালত।
বীৰাঙ্গনা মূলা তেজিলে জীৱন।

দগ্ধ হল হৃদি মোৰ চিন্তা ভাবনাত।
নেজানো কি আছে মোৰ ৰাজ্যৰ ভাগ্যত.

ক। নহব অধৈর্য্য স্বৰ্গদেও !
বিপদত ধৈৰ্য্য এৰা নহয় উচিত।
ধৈৰ্য্যেহে বিপদক কৰে পৰাজয়।
বিপদতে গয়না লৈ লাগিলে কামত
সম্পদৰ ফল লাভ হব আগন্তুক।
দিগ্বিজয়ী যবনৰ সঙ্গে কৰি ৰণ
দেখুয়ালে জগতক চাও বীৰবৰে
আসামৰ অতুলন বলৰ প্ৰতাপ।
নডৰি মৰণ আৰু যবনৰ সেনা,
কৰিবধ বাহু বলে পাঠানৰ বীৰ,
অনন্ত অক্ষয় কীৰ্ত্তি গৈছে ৰাখি অই
নাৰী ৰত্ন মুলা সতী, বিস্তাৰি জগতে
নাৰীৰ মাহাত্ম্য আৰু আসামৰ যশ।
দেখি এনে অপৰূপ আৰ্হি বীৰত্বৰ !
বীৰ ভাবে জ্বলন্ত হইছে অসমীয়া,
এৰি হেলা, দলন কৰিব শত্ৰুৰুক।

দে। কি ধৰিব ফল যোৱা কথা ভাবি।
ঈশ্বৰে যি কৰে ভালৰ কাৰণে।

উগ্র প্রেম ভক্তি হেন স্বদেশৰ হেতু
জন্মা নাই কদাপিও আমাৰ দেশত।
ধন্যবাদ যবনক আমি দিব লাগে।
শত্রুৰূপে দিলে আহি দেশ-ভক্তি জ্ঞান।
মুগ্ধ বিলাসত ধেমালিত ৰতি
স্বভাবত হয় অসমীয়া জাতি।
কিন্তু স্বদেশৰ যেবে দেখিলে দুৰ্গতি,
প্ৰজাৰ লটিঘটি বিদেশীৰ হাতত,
দেশৰ মঙ্গল অৰ্থে এৰি গৃহ কাম
তিৰোতাও ৰণত গৈ দিলে প্ৰাণদান।
উঠিছে ক্ৰোধত জকি সকলো নিৰ্ভয়ে
পাই যেন বিপদত নতুন জীৱন।

(চুতেং প্ৰবেশ)

শ্ব। পালানে লগ চুক্লেং গোহাইক ?
হৈছেনে সাজু ৰণত যাবলৈ ?
বাৰে বাৰে পাঠালোঁ মাতি,
অহা নাই কিয় এতিয়াও !

চু। পালোঁ লগ। আছে বহি ঘৰত।
বুজালো মিনতি কৰি বহু।
দিলো কত উৎসাহ প্ৰবোধ।

কিন্তু মান্তি নহল কোনোমতে
যাবলৈ ৰণে কিম্বা হব সেনাপতি।
নুবুজিলো মই একোকে কাৰণ।
শৰীৰ অসুখ বুলি কৰিলে আপত্তি।
নেদেখিলো কিন্তু চিন লেশ মাত্ৰ তাৰ।
দেওতাৰ ওচৰলৈ আনিব ধৰিলো।
অসুখৰ কথা কেহে বাৰে বাৰে ক'লে।

স্ব। বুজিছোঁ সকলো কথা মই
যিবা ভাবিছিলোঁ, যিবা শুনিছিলোঁ।
সকলো প্ৰমাণ পাইছোঁ হাততে।
কুবুদ্ধি কুতেজে তাক লৈছে লগ আহি।
বুজালে নুবুজে একো অজ্ঞান অন্ধক।
মূৰ্খৰ ঔষধ নাই। কি হব চিকিৎসা।
আছে যিবা ঘটিব অদৃষ্টত তাৰ।

চু। শত্ৰু আহি পালেহি নগৰ ওচৰ।
হত হল শত শত আহোমৰ সেনা।
পৰিল ৰণত বহু বীৰ অগ্ৰগণি।
নাৰীয়েও উলাহাৰে দিলে জীৱদান।
আছেনে জহৰা নিলাজ কোনোবা
থাকিব আওকান পাতি অকৰ্ম্মা হৈ।

বৈৰী যেবে আহি কৰিছে প্ৰমাদ
স্বৰ্গতো অধিক জনম ভুমিত
কৰিছোঁ সঙ্কল্প যত প্ৰজা আছোঁ
উদ্ধাৰিম দেশ শত্ৰুক খেদাই।
স্বৰ্গদেৱৰ আদেশ অপেক্ষা কৰি
আছে সবে ৰই ৰণ সাজু হৈ।

দে। অধীকাৰ কৰিব যবন আহি
পবিত্ৰ এই জনম ভূমি!
স্বাধীনতা যদি হব লাগে লোপ
কি আছে সকাম এই জীৱণত!
কি সুখ আছে সম্পদ বিষয়ত,
যদি হব লাগে অজাতিৰ বশ।
পৰাধীন ডোল ডিঙ্গিত পিন্ধি
স্বৰ্গত থাকিও নিমিলে সুখ।

ক। প্ৰতিজ্ঞা কৰিছোঁ -- প্ৰাণ থাকে মানে—
এটোপাও তেজ এই শৰীৰত—
নাহোঁ ঘুৰি আৰু ৰণৰ পৰা
শতুৰুক দলন নকৰা কৈ।
ব'লা সকলোৰে সাজু হওঁগৈ
বিলম্বত বিথিনি ঘটিব পাচে।

স্ব। বীৰোচিত কথা !
যথাৰ্থ বীৰৰ সন্তান তোমা সব।
দেখি বীৰ ভাব আজি শুনি বীৰ বাণী
গুচিলে মোৰ অন্তৰৰ চিন্তাৰ আন্ধাৰ ;
জ্বলিছে আশাৰ বন্তি আনন্দ জন্মিছে।
তোমা সকলোত কৈ ডাঙ্গৰ কনচেং
সকলো কাৰ্য্যত দিছে বুদ্ধিৰ প্ৰমাণ।
পাতিছোঁ তেওঁকে মই বৰ সেনাপতি
দিলো ভাৰ সমস্ত ৰণৰ আয়োজন।
যোৱা সবে, কৰিছোঁ আদেশ অশীৰ্ব্বাদ
ৰক্ষা কৰাঁ জন্মভূমি।

---

## ৪ৰ্থ অঙ্ক।

### ২য় পট।

ৰাজাৰ ভিতৰ চৰা। ৰাণী অকলে বহি আছে।
স্বৰ্গনাৰায়ণৰ প্ৰবেশ। দেখিৰাণী উঠি
ওচৰলৈ আহে।

স্ব। শুনিছানে ৰাণি ! বৰ পুতেৰৰ কথা।
সুগুছিল এতিয়াও কুস্বভাৱ তাৰ।

পালে পূৰঠ বয়স তথাপি তৰল,
পৰা নাই এৰিব কুন্ধচ প্ৰকৃতি।
ভাল মন্দ বিচাৰ নজন্মিল তাৰ,
কৰ্ত্তব্য কামত নহল প্ৰবৃত্তি।
যাৰ নাম যশত ভোগে ধন মান
তেনে দেশলৈ তাৰ নাই ভক্তিভাব।
ওলাল লগৰ ডেকা সকলো ৰণত
কিন্তু আগ নে বাঢ়িলে — ব্যস্ত আমোদত।
বা। শুনিছো সকলো কথা তাৰ।
সুধিলো ৰণত নোযোৱা কাৰণ।
ক'লে কেৱল মোক — ভয় লাগে বুলি ;
দেখা নাই কৰা নাই কেতিয়াও ৰণ
শিকা নাই ৰণ-বিদ্যা মনযোগ কৰি।
অজ্ঞান নিৰ্ব্বোধ ল'ৰা নধৰিব দোষ
দিছোঁ মই তাক বহুত প্ৰবোধ।
বুজাম আকৌ তাক উপদেশ দি।
স্ব। সিংহৰ পেটত জন্মি শিয়াল স্বভাব!
ক্ষত্ৰিয় জনম ধৰি ৰণলৈ ভয়!
পুৰুষৰ এনে ভাব! শুনি লাগে লাজ।
সুশুৱাই এনে কথা মোৰ বঙ্গহত।

গুচালা তুমিয়ে তাক। বহু লাই দিলা।
অতি মৰমত ডাঙ্গৰ কৰিলা।
কোমল থাকোঁতে মন নিদিলা বুজন।
নোৱাৰি শিকাৰ মাত বুঢ়া শালিকাক।
ৰৰপুত্ৰ মোৰ চুক্লেং কোঁৱৰ ;
প্ৰাণত কৈয়ো যাক কৰিলো আদৰ
যাক ৰাজ্য ভাৰ দিম বুলি ভাবিছিলো
কিন্তু এটা কথা মোৰ পৰিছে কানত
অতি অদ্ভুত্! কবলৈ নোলায় মুখত!
শৰীৰৰ নোম শিয়ৰি উঠে!
শুনিছো—সি মোৰ চিন্তিছে অহিত!
কৰিছে মন্ত্ৰণা—আঁতৰাই মোক
পুৰাব তাৰ অধম কামনা!
এৰি সৎ সঙ্গ পবিত্ৰ ভাৰ,
ৰাজ কাৰ্য্য কিম্বা বিদ্যা আলোচনা।
যৌবনত মত্ত, বাতুল সদৃশ।
পিতৃ মাতৃৰ বাইক উলঙ্ঘা কৰি,
লুকুৱাই আমাক কৰিছে দিহা
বিবাহ কৰিব নিজ ইচ্ছা মতে
পৰ দেশৰ জীয়াৰী জয়ন্তী বালিকা

আশ্ৰিত মোৰ—মই অধিকাৰী।
নলৈ আগে তাইৰ মনৰ ভাব
তলে তলে কৰে বিয়াৰ প্ৰস্তাব।
অনেক বিৰক্তি কৰিছে তাইক
তথাপি সন্মত নহয় বালিকা,
সিকাৰণে কৰে নানা তিৰস্কাৰ।
অকাৰণে দিয়ে তাইক মনত দুখ।
ঘটিছে প্ৰমাদ ৰাজ্যত মোৰ
কথাৰ সময় নহয় এতিয়া।
যাওঁ বাক সম্প্ৰতি আছে বহু কাম
দিহা বুদ্ধি কৰিব লাগিব ৰণৰ।

( ওলাই যায় )

ৰা। সাদৰৰ ধন মোৰ চুক্লেং কোঁৱৰ।
আলসুৱা কৰি তাক কৰিলোঁ ডাঙৰ।
টান কথা ক'লে মই চকু পানী টোকে।
তাকে দেখি লাগে মোৰ হিয়াত আঘাত।
নেবাধিলোঁ মই তাৰ মন্দ আচৰণ।
মাতৃৰ কৰ্ত্তব্য কাম ত্ৰুটি হল মোৰ।
নিজ খুৰ নিজে খালোঁ বুজিব নোৱাৰি।
দেখো তাক পাৰো যদি সুপথে আনিব।

( বাহিৰলৈ চাই ) আছনে কোনোবা বাহিৰত ?

লি। ( বাহিৰৰ পৰা লিগিৰা আহি, আঠুলৈ )

আছোঁ বন্দী, দুৱাৰত হাজিৰ।

কিবা আজ্ঞা হয় ?

ৰা। দেখিছনে আছে ক'ত চক্ৰেং কোঁৱৰ ?

লি। দেখিছোঁ। নিজৰ কোঠাতে বহি আছে। জয়ন্তী আইদেৱক মাতি পঠাইছিল, নাহিল। তাতে কোঁৱৰে চকু মোপা কৰি কিবা চিঠি এখন লিখিছে। ভয়ত মই আঁতৰি আহিলো।

ৰা। যা। কোঁৱৰক মোৰ ওচৰলৈ পঠাই দেগৈ।

লি। ভাল দেউতা। কিন্তু লগ পাওঁনে নেপাওঁ বৰ ঠিক নাই। বন্দীয়ে হলে আজি কালি কোৱঁৰৰ গতি গোত্ৰবোৰ এক ৰকম দেখিছোঁ। কলৈ যায়, কি কৰে, কি ভাবে, কি খায়, কি পিন্ধে একো ঠিক নাই।

ৰা। কিয়! হৈছে কি!

লি। হ'ব কি! মই দেখোঁতে হলে—কোঁৱৰৰ মূৰত—বায়ু চৰিল, ভৰিত বতাহ সোমাল, মনত বিজুলী সঞ্চাৰ হল। কিবা এটা দেৱতাই লম্ভিছেনে কি।

ৰা। বাৰু তোৰ বলকনিখন এতিয়া থৈদে। মই যলৈ পাচিছোঁ যাঁ।

লি। ভাল স্বৰ্গ দেও। ( ওলাই যায় )

ৰা। মইনো কিয় নমৰি আছোঁ। লৰা'টোৰ আৰু ভাল এটা নুশুনিলোঁ। যেয়ে সেয়ে নিন্দা ককৰ্থনাহে কৰে। সকলো দোষ মোৰ দুৰ্ভাগিণীৰ গাত হে। ধিক মোৰ জীৱন! লৰাক জন্ম দিব জানিলোঁ কিন্তু জ্ঞান দিব নেজানিলোঁ।

( চেক্লেং আহি ৰাণীৰ ওচৰত থিয় দি )

চু। কিয় মাতিছিল, আইতা?

ৰা। কিয় মাতিছিলোঁ! মোৰ মূৰ খোৰা! তোৰ কথানো আৰু কিমান শুনিম। তোৰ নো এতিয়াও জ্ঞান জন্মিব নেপাইনে! আজি বাদে কাইলৈ ৰজা হব লাগিব। বুদ্ধি বিবেচনাৰে ৰাজ্যখন চলাব লাগিব। এতিয়াও ঠেং জোকাৰি —উৰুলি-পুঙ্গা হৈ ফুৰিবৰ দিন আহিছেনে তোৰ!

চু। কি হল! মই কি কৰিলোঁ! লোকৰ টুটকীয়া কথা শুনি তুমি মোক সদায় খংকৰি থাকাঁ। এনেকৈ আহুকাল কৰি থাকিলে, ঘৰবাৰী এৰি কৰবালৈ গুচিহে যামগৈ।

ৰা। সেইয়া! মই ভাল কথা ক'লে, তই ওভতালি কথ কৰ।

চু। কোৱাচোঁ বাৰু—মইনো মানুহে নকৰা কাম কোনটো কৰিলোঁ।

ৰা। বোপাই! তোৰ লগত মই তৰ্ক কৰিব নেজানোঁ।

তোৰ কথা কাৰখানা লাহে লাহে দেউতাৰৰ কানত ও পৰিলগৈ। তোৰহে মই জানিবা ককৰ্থনা শুনিব লগীয়া হল।

চু। মুশুনিবা। তোমাকনো কোনে শুনিবলৈ কৈছে।

ৰা। এনেকুৱা কথা কবলৈ তই ক'ত শিকিলি, কচোঁ।

চু। ইঃ! কথা কবলৈ আকৌ কোনোবাই শিকাব লাগিছে।

ৰা। এইবোৰ বহুৱালি কথা শুনিবলৈ মই তোক মাতি অনা নাই। মই শুনি মৰিবৰ সমান বেজাৰ পাইছোঁ—তই হেনো দেউতাৰৰ অহিত চিন্তা কৰিছ।

চু। কোনে ক'লে ?

ৰা। শুনিছোঁ ময়। কচোঁ বাক. সচাঁনে মিছা।

( চুঃ তললৈ মুকৈ নেমাতে )

ৰা। হেৰ! কথা নকৰকিয়! কুলক্ষণীয়া! এতিয়া দেখোন নমতা হলি! মোৰ কথাৰ উত্তৰ নিদিয় কিয়! তই পো নহৱ—ফেটি সাপ! তোক হাত ভৰি বান্ধি নৈত উটাই দিয়াহে ভাল। তোৰ মুখ দেখিব নেপায়।

চু। শত্ৰুৰ কথা শুমি তুমি মোক মিছাতে খং কৰিছা। তোমাৰ ভৰিত ধৰিছোঁ ক্ষমা কৰা। ( আঠু কাঢ়ে তাৰ পাচত আকৌ উঠে )

ৰা। জয়ন্তীৰ লগত হেনো। তই কিবা পেংধালী কৰিবলৈ ধৰিছ।

চু। একে টোলতে থকা মানুহৰ ভিতৰত দেখা শুনা, কথা বতৰা হলে কিবা দায় লাগেনে কি!

ৰা। মই তাৰ কথা কোৱা নাই। তাৰ বাহিৰেও হেনো আন কথা কৈ তাইক আহুকাল কৰি থাক। সাৱধান! সেইবোৰ কথা ভাল নহয়। আমি জীয়াই থাকোঁতে তোৰ বিয়াৰ নিমিত্তে তই চিন্তা কৰাৰ আৱশ্যক নাই। সেই কথাৰ ভাৰ তোৰ মাৰ বাপেৰৰ ওপৰত। বিশেষকৈ জয়ন্তীৰ ওপৰত তোৰ কোনো অধীকাৰ নাই। তাইলৈ কেতিয়াও মন নেমেলিবি।

চু। সেই বোৰ বাক পাচ কথা। মই এতিয়া যাওঁ। আৰু কিবা কথা আছেনে।

ৰা। ৰ'বি আছে। মুৰপোলোকা দিবলৈ বিচাৰিছ। (হাততধৰি) আহ। মোৰ মুৰত ধৰি শপত খা। ক, বুলি— "মই জয়ন্তীক বিয়া নকৰাও"। (চুঃ নেমাতে) আকৌ তই দেখোন নমতা হলি! নেমাতি ৰণ জিকিবলৈ আহিছ! খা, শপত খা।

চু। এৰি দিয়া। মই বাহিৰৰ পৰা আহোঁগৈ। তাৰ পাচে শপত খাম।

ৰা। তই এতিয়াই শপত খা—"জয়ন্তীক বিয়া নকৰাওঁ" বুলি।

চু। (অলপ বোলি ইফালে সিফালে চাই—ৰাণীৰ ভৰিত ধৰি) তোমাৰ ভৰিত ধৰি শপত খাইছোঁ—জয়ন্তীক বিয়া নকৰাওঁ।

ৰা। কেতিয়াও তাইক বিয়া নকৰাব ?

চু। কেতিয়াও নকৰাওঁ।

ৰা। (চুক্লেঙ্গৰ মুৰত ধৰি চুমা খাই) এতিয়া যোৱা মোৰ পোনা। আৰু যেন এইবোৰ কথা মই শুনিবলৈ নেপাওঁ। (চুঃ ওলাই যায়) কোনে কয় মোৰ লৰা বেয়া ! দেখাত ডাঙ্গৰ দীঘল হৈছে হয় কিন্তু মোৰ লৰাৰ মন এতিয়াও কোমল। ভাল বেয়া বুজিব পৰা হোৱা নাই। সঙ্গৰ দোষত টটাটিঙ্গা হৈছে। কিন্তু মোৰ ওচৰ চাপিলে লেও সেও হৈ পৰে। যিহকে কও তাকে শুনে। মই জীয়াই থাকোঁতে সি কেতিয়াও বেয়া কাম কৰিব নোৱাৰে।

---

## চতুৰ্থ অঙ্ক।

### ৩য় পট।

(জয়ন্তী অকলে নৈৰ কানত থিয় হৈ)

জ। কি কুখেনত মই উপজিছিলোঁ! মই কুলক্ষণীয়ে

কিয় কেচুৱাতে নমৰিলোঁ! সকলোৱে মৰিব জানে। কনা যমে মোকহে নেদেখে। মই বুজিছোঁ এই সংসাৰত মোৰ সুখ নাই। আই বোপাইৰ বেজাৰত আহোমৰ দেশলৈ আহিলোঁ। কিন্তু ক'তা ইয়াতো দেখোন সুখ শান্তি নাই। সুখৰ আশা ফুলিও গুটি নধৰিল। এই অকল-শৰীয়া জীৱটো যাৰ আশ্ৰয় লবলৈ বিচাৰি ছিল, যাক পূজা কৰি পবিত্ৰ হৈ সুখেৰে দিন নিয়াব বুলি বাঞ্ছা কৰিৰিল, যাৰ সঙ্গত থাকি এই অনাথিনী সুখভোগ কৰিব বুলি হেপাহ কৰিছিল—সেই জন দেখোন ওচৰৰ পৰা গুচি গল! আকাশত সজা ৰংঘৰ খহি পৰি ভাগি ছিগি গল! হাঁয় ঈশ্বৰ! তেওঁকনো কাহানি কৈ আকৌ দেখিবলৈ পাম। কামত মন নবহে। খাবৰ মন নেযায়। শুলেও টোপানি নধৰে। মইনো কলৈ যাওঁ। কি কৰোঁ। (মৌন—অলপ পাচত) ললিতা সখী আহিম বুলি মোক কৈ পঠালে, এতিয়াও নাহিল! এনেই বৈ থকাত কৈ এটা নামকে গাওঁ। তাতেই বা মনটো অলপ ভাল লাগে।—

গধূলি বঙ্গা বেলি মেঘৰ বুকে কৰে কেলি।
জুমা জুমি ধৰা খৰি কৰি লুকা-লুকি খেলি।
মিচিক্ মিচিক্ হাঁহি মেলি,
ঘনে ঘনে চাই বিজুলী,
মনৰ কথা মনতে বল
থাকিল হেপাহ বুকত জ্বলি।

থুপি থুপি তঁৰা জলি,
গগন কৰে ধুপাৱলী,
তুনাই কি নাহিব ঘুৰি
পুৱা হলে দিনমনি।

( জয়ন্তী গীত গাই থাকোঁতে ললিতা মনে মনে আহি জয়ন্তীৰ পাচফালে থিয় হয় হি। পাচে জয়ন্তীয়ে "পুৱা হলে দিন মণি" ফাকি গাওতে ললিতা ও লগতে গাই গীত শেষ কৰে। জয়ন্তীয়ে উচাপ খাই গাবলৈ এৰে। )

ল। গোঁৱা, গোৱঁা। মইও লগতে গাইছো।

জ। নেগাওঁ যোৱা।

ল। নেগালে মই তোমাক ইয়াতে এৰি গুচি যাম। অকলে অকলে কাৰ কথা কৈ বেজাৰ কৰিছাহি—ৰানী দেউতাক কৈ দিম গৈ।

জ। মোৰে শপত, মোৰ মুৰকে খোৱঁা, নকৰা। বাৰু তেনে হলে ধৰঁা আকৌ গাওঁ।

( দুইও গীত আকৌ গায় )

জ। তোমাৰ পেংধালিখনেই সদায় মুগুচিল। মই আকৌ বোলোঁ ভূতেইনে পিশাচ এই। পাচ ফালপৰ পৰা ওলালহি !

ল। ভূতও নহওঁ, পিশাচ নহওঁ দেও ! ভয় নকৰিবা

জ। সেই দেখিহে মনে মনে আহি লোকক ভয় খুৱা ইছাহি।

ল। ভয় খাইছা কিয় ! তোমাৰ আকৌ ভয় কি। এতিয়াই দেখোন কৈছিলা—এই সংসাৰত তোমাৰ সুখ নাই। মাৰিনিবলৈ যমক মাতিছিলা। যি মানুহ মৰিবলৈ ওলাই তাৰ আকৌ ভয় কিহৰ ! যদি মনত ভয় আছে তেন্তে কেনে কৈনো মৰিবলৈ ওলাইছঁা। এই বোৰ মিছাকৈ খালি মুখৰ খজুৰতি মাৰিছঁাহি !

জ। কি কৰিম সখি ! মই বিবুদ্ধি হৈছো। কলৈ যাওঁ, কি কৰোঁ, ভাবি চিন্তি একো ঠিক কৰিব নোৱাৰোঁ। মোকনো কিহে পাইছে বুজিবকে পৰা নাই !

ল। সখি, ভয় নকৰিবা। তোমাক কিহে পাইছে, কি ৰোগে ধৰিছে, মই বুজিছো। এই বয়সত এনেকুৱা সকলোৰে হয়। আহাঁ এতিয়া। দৰপ জাতি দিওঁগৈ।

---

## চতুৰ্থ অঙ্ক।

### ৪ৰ্থ পট।

মছলমানৰ ছাউনি। তুৰ্ব্বক আৰু হুচেন থিয় হৈ কথা পাতিছে।

হু। কৰি যুদ্ধ আসামত হলোঁ হায়ৰাণ।
জান যাব বুলি লাগিছিলা ভয়।
খোদাৰ মৰ্জিত লাভ হল জয়।
বাদচাৰও হুকুম কৰিলোঁ পালন।

ইচ্ছাহয় যাওঁ ফিৰি আপোন মুলুক।
নেদেখি কান্দিছে প্ৰাণ নিজ পৰিয়াল।

তু। এতিয়াও পূৰা নাই হোৱা জয়।
উজনী আসাম দখল বাকী।
হল যত হানি যবনৰ সেনা,
নলৈ তাৰ দাম নে যাওঁ ফিৰি।
দেখিম আহোমে কিমান লৰে।
দেখাম পাঠানৰ কেনে বাহাদুৰি।
ভাঙ্গিম ৰাজ হাৰ গচকি মোচৰি।
নেৰোঁ সাপক মাৰি নেজত বিষ।

হু। উজনী আসাম জঙ্গলী মুলুক
কি হব ফয়দা দখল কৰি।
বহুদিন হল পৰ দেশত অহা।
খুচি নাই দিল, নবহে কামত।

তু। চবুৰ কৰা হুচেন। নকৰা আপচোচ্
হব দিল খুচি তাৰ কৰিছো উপায়।
পৰিশ্ৰম কৰি মন লাগিছে খাৰাপ
বিশ্ৰাম তামাচা কৰি কৰা দিল খোচ্।
( বহিৰলৈ চাই ) কই হ্যায়!

আদলী। ( বাহিৰ পৰা আহি, চেলাম দি ) হাজিৰ হুজুৰ।

তু। তামাচাৰ বন্দবস্ত্ কুছ্ ঠিক হুৱা ?

আ। বহু তকলিপ কৰি পালোঁগৈ বিচাৰি।
অসমীয়া ছোৱালীৰ নাচনী এজোঁৰা
বহুত ডৰাইছিল ; নাহে কোনো মতে।
বহুত বকচিচৰ আশা দেখুৱাই,
ফুচুলানি কথা কই খাতিৰ কৰাত,
হল ৰাজি। আহিছে, কৰিব নাচ গান।
আছে বাহিৰত বৈ। যো হুকুম জোনাব।

তু। জলদি যাও, সবকো লে আও।

( আৰ্দলী অলাই যায় )

জানিবা হুচেন ! এই ছুনিয়া ছুৰঙ্গি।
পোৱা যায় সুখ দুখ যিহকে বিচাৰঁা।
ভোগে সুখ যি মানুহে বাচি লব জানে।
ছুখ ভুঞ্জে বহুলোকে নেজানি চলিব।
অসাৰ সংসাৰ এই বিপদৰ ঠাই।
কোনে জানে পুৱা হলে কিবা গতি হয়।
ধৰ্ম্মত ৰাখিবা মন, খোদাক ভজিবা
জীৱণৰ সুখ কিন্তু কভু নেচাৰিবা।
চোৱঁা সৌৱা আহিছে নাচনী
কৰা দুৰ্ মনৰ আপচচ্।

( নাচনী সকল আহি চেলাম দিয়ে )।

কুছ ডৰ নাই। বকচিচ মিলেগা।

আচ্ছি তৰচে নাচ গান কৰনে হোগা।

গীত

পাঁও যদি ধন, দিওঁ ঢালি মন

প্ৰেম বৰিষণ।

উবনীয়া ডালৰ চৰাই ঘৰত নৰয় মন।

অবুজন মন, নুশুনে বাৰণ,

পাই পানীবান, ধৰে উজান

নে-মা-নে মৰণ,

মনৰ ধাউতি নহয় পূৰ্ত্তি

খন্তেকৰ মিলন।

প্ৰণয়ৰ বাণ, পুৰিমাৰে প্ৰাণ

নাই নিজত মন, পৰত মগন

নে-থা-কে চেতন ;

তেও কি মৌয়ে বিহ্নে বুলি

পাবি নেথায় কোণ।

( অমৰৰ প্ৰবেশ )

অ। ই কি কাণ্ড! মই বুজিব নোৱাৰোঁ।

কিয় আজি এনে বেপৰোৱা ভাব!

বিপদ সময় শত্ৰুৰ মাজত

শুৱাইনে তামাচা বিলাস ভোগ !
মহা কাল-অগ্নি জলিছে আগত।
অবোধ ফৰিঙ্গে নাচিছে ৰঙ্গত ।
এৰি সেনাৰ লগ, যুদ্ধকাৰবাৰ
কিয় আজি এনে চঞ্চল মন !
তু। জীৱন আবেলি হল যুদ্ধ হাঙ্গামাত।
চমুচা জীৱন গল ফুৰি বিদেশত।
হৃদয়ৰ সজ গুণ—স্নেহ, প্ৰীতি, দয়া
সুখ, শান্তি, প্ৰেমৰস, আনন্দ মনৰ
শুকাল জীৱনী শক্তি চিন্তা ভাবনাত।
কেৱল বিপদ চিন্তা শত্ৰুৰ মাজত
নাই আন কাজ কাম কটা মৰা বিনে ।
সদায় মগন থকা একে অবস্থাত
নহয় কদাপি ইটো সৃষ্টিৰ নিয়ম ।
নেথাকে বাৰেও মাহ সদায় নীৰস ।
পশু পক্ষী বিৰিখেও জাৰৰ পাচত
বসন্তৰ ধেমালিত সুখ পাহৰায় ।
দেৱেও জিৰনি নয় সৃষ্টি শেষ কৰি।
নলৈ আহাৰ আমোদ শ্ৰমৰ পাচত
পাৰেনে থাকিব শক্তি কাৰ্য্যৰ ক্ষেত্ৰত ।

কৰিলে সময় মতে এনে ব্যবহাৰ
নহয় অধৰ্ম্ম পাপ কিম্বা অনাচাৰ।

( চুবৈত "জয় অহোমৰ জয়' ধ্বনি )

অ। শুনিছেনে সেই কিহৰ খবৰ !
কৰ্ম্মত প্ৰবৃত্তি হওক তিয়াগি তামাচা।

তু। ( বাহিৰলৈ চাই ) কৈ হ্যায় !

আ। হাজিৰ হুজুৰ ! ( আৰ্দলী প্ৰবেশ )

তু। লে যাও জলদি বীবী লোক্ কো।
ভেজো আপনা দেশ দেকে আচ্ছা বক্চিচ।
( আৰ্দলী আৰু নাচনী সকল ওলাই যায় )
ক্ষুদ্ৰ এই অৰণ্য মুলুক আচৰিত !
শুনিছিলোঁ এলেহুয়া অসমীয়া জাতি।
কিন্তু দেখোঁ বিপৰীত ইহঁতৰ গতি।
হাৰিও নেমানে হাৰ, মৰিও নডৰে।
দফে দফে দলে দলে যুজিবলৈ আহে।
নাৰী কি পুৰুষ ফেৰ মৰিব আহিছে !

অ। আসামৰ ঘাই মন্ত্ৰী বন্‌চেং গোহাঁই—
বুদ্ধিমান সাহিয়াল যুদ্ধত পাৰ্গত
আহিছে স্বয়ং হৈ বৰ সেনাপতি।

আনিছে জগত বাচি ৰণুৱা উত্তম।
যবন সেনাত কৈ দেখাত হুঁচিয়াৰ।
দেখা যায় ইবাৰ যুদ্ধৰ এক জাত।
আগেয়ে যিমান জয় লভিলে জোনাব,
বুলিব নোৱাৰি ফল প্ৰকৃত যুদ্ধৰ।
মুখা- মুখি দেখা-দেখি আচল লৰাই
নিশ্চয় এইবাৰহে কৰিব লাগিব।
বাৰে বাৰে কৰি যুজ যবনৰ সঙ্গে
বুজিলে আহোমে আমাৰ কৌশল,
জানিলে আমাৰ কিমান ৰণুৱা
কেনে অস্ত্ৰ বল যুদ্ধৰ আহিলা।
কৰিব লাগিব ভাল যুদ্ধ আয়োজন
প্ৰকৃত যুদ্ধৰ এই আহিছে সময়।
কাৰ কেনে বল বুদ্ধি হব পৰিচয়।

তু। বঙ্গাল আৰু তাজু বিশ্বাসৰ বন্ধু—
সহায় সাৰথি যুদ্ধৰ থলত—
বহু দিন আছিল একে লগে মোৰ
দিছিল উৎসাহ আকল মনত।
যি দিন ধৰি দুইও পৰিল ৰণত
সি দিনাই মোৰ ছিগিল সোঁ হাত।

আছাঁ মিত্ৰ হুচেন তুমি লগৰীয়া
শোক আমোদত বা বিপদ সময়ত।
তোমাতেহে আছে মোৰ সকলো ভৰসা।
আৰু আছে মোৰ কাৰ্য্যত গুৰিয়াল—
বুদ্ধি উপদেশ দি সুপথে চলাওঁতা—
মান্যবন্ত বহুদৰ্শী অমৰ খাঁ চাহাব।
যদিও বিস্তৰ সেনা হানি যবনৰ
আছে বাকী বৰ্ত্তমান যুদ্ধৰ জোখাৰে।
সম্প্ৰতি কাৰণ নাই ভয় বা চিন্তাৰ।
নহবা নৈৰাশ হুচেন ! ধৈৰ্য্য নেৰিবা।
পাঠান কলিজা কভু নহয় চঞ্চল।
পাঠানে নকৰে ভয় কভু বিপদত।

হু। নহওঁ বিমুখ মই কদাপি যুদ্ধত।
নেযাওঁ যুদ্ধত হাৰি প্ৰাণ থাকে মানে।
য'ক জান ! য'ক সব জহন্নামে !
নকৰোঁ লঙ্ঘন মুনিবৰ হুকুম।
খোদাৰ কচম ! কৰিম লৰাই
প্ৰাণৰ কাতৰে আহোমৰ লগত।

( দুৰনিত "জয় আহোমৰ জয়" ধ্বনি )

অ। আহিছে আসামৰ সেনা !

চলা সবে যাওঁ আগবাঢ়ি।
ধৰোঁগৈ আগচি সুচল থলত।

( ওলাই যায় )

( বাহিৰত "জয় মছলমানৰ জয়" ধ্বনি )

---

## চতুৰ্থ অঙ্ক।

### পঞ্চম পট।

ৰণ থল। কমচেং, দেওৰাজ আৰু চুতেং প্ৰবেশ।

ক। এই পোনে শুনিলোঁ যবনৰ ধ্বনি।
পাম লগ শত্ৰুক অলপ পৰতে।
চাৰিফালে চকু কান ৰাখিবা সবাই।
পৰিব পাঠান আজি নিশ্চয় জালত।
যোৱাঁ দেওৰাজ তুমি পশ্চিম মুৱা হৈ;
থাকাঁগৈ আগভেটি অতি সাৱধানে,
সাৰিব নোৱাৰে যাতে এটিও যবন।
উত্তৰত আছে ভেটা বৰনৈৰ পানী।
পূব আৰু দক্ষিণে আমি খেদা দিম।
বন্দী হব শত্ৰু আজি পৰি গঁৰালত।

( সকলোয়ে ওলাই যায় )

( তুৰ্ব্বক হুচেন আৰু অমৰ প্ৰৱেশ )

তু। ৰিনিকি ৰিনিকি দেখোঁ পতাকা দুৰত।
আহিছে অসংখ্য সেনা তোল পাৰ কৰি।
অৱশ্য আহিছে শত্ৰু আমাক বিচাৰি।
প্ৰস্তুত থাকিবা সবে নকৰিবা ভয়।
সমুখত থাকোঁ আমি কিছু সেনা লই।
পাচত থাকাঁগই বৈ তুমি অমৰ খাঁ।
উৎসাহ অভয় দি বাকী বিলাকক্।
বন্দবস্ত ঠিকমতে ৰাখিবা নজৰ
সময়ত যেন কোনো নহয় নাটনি।

অ। মোৰ ফালে ঠিক থাকিব তবাম।
গৰজত যোগাৰ নহব অভাব।

( অমৰ ওলাই যায় )

হু। ( বাহিৰলৈ চাই ) পালেহি ওচৰ।
খুব হুঁ চিয়াৰ থাকিব জোনাব।

( কমচেং আৰু চুতেং প্ৰৱেশ )

ক। ( তুৰ্ব্বকলৈ চাই )
চিনিছোঁ তোমাক, তুৰ্ব্বক চুবাদাৰ।
কৰিছাহি পয়মাল অসম দেশত।
পাবা তাৰ সমুচিত প্ৰতিফল আজি।

শুনিছোঁ যবন এক সভ্য জাতি বুলি
বিদ্যা বুদ্ধি পৰাক্ৰম জগতে বিদিত।
পবিত্ৰ ইচলাম ধৰ্ম্ম বিখ্যাত জগতে।
সেই ধৰ্ম্ম পালি ধৰি জন্ম সিজাতিত
কৰিছাহি এনে অন্যায় আচৰণ
সানিছাহি কলঙ্ক নিৰ্ম্মল নামত।
অন্যায় যুদ্ধত কৰা শতুৰুক বধ
ডকাইতৰ ধৰ্ম্ম—নহয় বীৰৰ।
লভা নাই জয় যশ। লভিছা দুৰ্যশ।
তু। অহা নাই শুনিব নিন্দা কি উপদেশ।
আহিছোঁ কৰিব কিন্তু দেশ অধিকাৰ।
আসাম দখল খালি নহয় উদ্দেশ্য।
বাদচাৰ হুকুম—আসাম পাব হম।
কৰিম বিস্তাৰ আৰু যবনৰ ৰাজ্য—
পুবৰ ফালে মুলুক যত আছে মানে।
ক। মিছা আকাঙ্খা। নহব কামনা সিদ্ধি।
এৰি দিয়া আলাশত চাং পতা আশা।
ধৰমক লক্ষ কৰি চোৰাঁ বাৰু ভাবি;
কিৰূপে কৰিছা আহি দেশ আক্ৰমণ।
চক্ৰান্ত বলত লভি খন্তেকীয়া জয়;

ভাবিছা কি পাৰিবা হব দিগ্বিজয়ী।
জানিছোঁ শুনিছোঁ নীতি ৰণৰ তোমাৰ।
তেনেকুৱা প্ৰকৃতি মুগুৱাই বীৰৰ।
অধৰ্ম্মৰ জয় কভু নাই পৃথিবীত।
আসাম প্ৰভৃতি দেশ পূব অঞ্চলৰ
অধিকাৰ কৰা সপোন শেষ আজিয়ে।
আসামত পালাঁ আহি ভেটা দুৰজয়;
নিদিওঁ পাৰ হবলৈ জানিবা নিশ্চয়।
বিশ্বাস নকৰা যদি আহাঁ আগবাঢ়ি;
দিয়া পৰিচয় আছে ক্ষমতা কিমান।

তু। মন্ত্ৰৰ সাধনা ব্ৰত এৰি পাঠানে
নলয় পাচলৈ খোজ প্ৰাণ থাকে মানে।
আহাঁ আগুৱাই লোৱাঁ বলৰ প্ৰমাণ।

( কনচেং আৰু তুৰ্ব্বকৰ যুদ্ধ )

চু। নিদিও জীয়াই এৰি এটাও পাঠান।
নোৱাৰ সাৰিব আজি, ৰক্ষা কৰ প্ৰাণ।
( চুতেঙ্গে হুচেনক আক্ৰমণ কৰে
যুজি যুজি খেদাই লৈ যায় )

ক। নাই ৰক্ষা! যাব আজি প্ৰাণ
স্মৰি লোৱা তোমাৰ ঈশ্বৰৰ নাম।

( তৰোৱালৰ আঘাত তুৰ্ব্বক মাটিত পৰি যায় )

পৰৰ দেশত আহি ধনৰ লোভত
কৰা উপদ্ৰব জুৰি ধৰ্ম্মৰ ভাওতি,
শান্তিপূৰ্ণ দেশত তোলা মহামাৰি,
পালাঁ তাৰ প্ৰতিফল, হেৰুৱালা প্ৰাণ।
( বাহিৰলৈ চাই ) আহাঁ আচ্ছা কোন।
নিয়াহি বীৰৰ মৃত দেহ।
অতি সম্মানেৰে দিয়াগৈ কবৰ।

( দুজন যবন সেনা আহি মৃতদেহলৈ যায় )

( দেওৰাজ আৰু চুতেং প্ৰবেশ )

দে। এশ গৰু মাৰিলে বাঘৰ মৃত্যু।
তুৰ্ব্বকে সেই পাপত পালে প্ৰাণদণ্ড।

ক। তুৰ্ব্বক পতন হল!
পাঠানৰ কপাল ভাগিল নিশ্চয়।
কলৈ গল, কিবা হল বাকী শত্ৰুদল ?
কি কৰিলা তোমালোকে দেওৰাজ, চুতেং ?
কোঁৱা ভাঙ্গি মোক।

চু। খেদি নি বাটত ধৰিলোঁ হুচেনক।
দিলোঁ তাক বিদায় ইজগতৰ পৰা।

দে। পৰাজয় হৈ যবনৰ সেনা

গৈছিল পলায় নৈ পাৰ হবলৈ।
ধৰিলোঁ আগচি বেগাবেগি কৰি।
আনিছোঁ সবাকো ধৰি বন্দী কৰি।
হেজাৰত কৈও হব বেচি লোক।
নাছিল লগত কোনো সেনাপতি।
অমৰ খাঁ নামে এক বয়সস্থ লোক
আছিল মাত্ৰ ৰথীয়া স্বৰূপ
সভ্য, জ্ঞানী, সুবিচাৰী সিজন পুৰুষ।
তেওঁকো লগতে আনিছোঁ ধৰি।
-ক। আঁনা শীঘ্ৰে মাতি তেওঁক।
সন্ধিৰ ব্যৱস্থা কৰিব লাগিব।

( দেওৰাজ ওলাই যায় )

-চু। বান্ধিব লাগিব ভাল সন্ধিৰ নিয়ম।
কৰিব নোৱাৰে যাতে যবনে পুনৰ।
শান্তি ভঙ্গ কিম্বা পয়মাল ইদেশত।

( দেওৰাজ অমৰ খাঁকলৈ আহে। অমৰ খাঁয় চেলাম দি কনচেঙৰ আগলৈ আহে )

-ক। অমৰ খাঁ তুমি। শুনিছো তোমাৰ নাম,
সুচৰিত্ৰ, সুবিচাৰ, হইছে প্ৰচাৰ।
কিন্তু তোমাৰ বাদচা আৰু নবাবৰ

কিয় এনে অবিচাৰ ! কৰে অধিকাৰ
আহি অপৰৰ ধন দেশ অকাৰণে !
তাৰও বাজে কৰে যুদ্ধ অনিয়াই,
উলঙ্ঘি সকলো ধৰ্ম্ম যুদ্ধ নীতি ।

অ। অতুল সম্পত্তি যশ কুবেৰৰ ধন
ভুগিও নহয় তুষ্ট লাগে যত দেখে—
হৈছে এই মানুহৰ প্ৰকৃতি, জানিব ।
কিন্তু দেখি বিষয়াৰ কাৰ্য্য অবিচাৰ
নকৰিব ৰজাৰ চৰিত্ৰ বিচাৰ ।
ন্যায়বান ধৰ্ম্মিষ্ঠ হইলেও ৰজা
ভোগে অনাহক কলঙ্ক অপবাদ
কেৱল দুৰাচাৰ বিষয়াৰ দোষত ।
বিষয়াৰ কুচৰিত্ৰ কুনীতিৰ গুণে
হয় নষ্ট ৰাজ্য, দুৰনাম ৰজাৰ ।

ক। হব পাৰে সত্য যি কইছাঁ তুমি
পালো বহুজ্ঞান তোমাৰ পৰা আজি ।
দুদিন ক্ষমতা পাই হই মতলীয়া,
কুচিত ব্যবহাৰ, অন্যায় আচৰণ
কৰিছেহি যতেক যবন সেনা দল
নে থাকিব পাৰে তাত ৰজাৰ সন্মত ।

যুদ্ধত হইছা বন্দী আৰু বহু সেনা।
কোৱাঁ কেনে হব লাগে সন্ধিৰ ব্যবস্থা।

অ। কবলৈ আৰু কিবা আছে মোৰ।
কলেও বা কিয় শুনিব আপুনি।
নচিবৰ ফেৰত পৰিছোঁ ফান্দত।
কাটে মাৰে যি কৰে আপনাৰ হাতত।

ক। শুনিছো বাদচাৰ ইচ্ছা হইছে—
যত পাৰে মানে কৰিব প্ৰচাৰ
ইচলাম ধৰ্ম্ম এই পৃথিবীত।
মুনিবৰ ইচ্ছা লক্ষ কৰি,
কৰিবাস আসামত অসমীয়া হই
কৰা চৰ্চ্চা নিজ ধৰ্ম্ম স্বাধীন মনেৰে।
যবনৰ সেনা আজি যত বন্দী হল
যাতে সেই সকল নহয় অনাচাৰী
ধৰ্ম্ম শিক্ষা দিবা ধৰ্ম্ম-গুৰু হই।
পাবা আসামত নিষ্কৰ ভূমি দান;
কৰিবা তাত আপোন ধৰ্ম্মৰ থান।
আহোমৰ প্ৰজা হই নিৰবিঘিনিৰে
কৰি থাকা স্বজাতিৰ উন্নতি সাধন।

অ। ধন্য ডাঙ্গৰীয়া! দিছোঁ দোৱা আপনাক।

ধন্য তযু স্থবিচাৰ গৰিবৰ প্ৰতি।
সপোনতো কদাপি মই ভৱা নাছিলোঁ।—
শক্ৰুৰ হাতত এনে পাম দয়া দান।
এনে অকপট অতি উদাৰ স্বভাব
দেখা নাই শুনা নাই এই ছুনিয়াত।
জন্মভূমি বুলি আসাম দেশ
কৰিলোঁ গ্ৰহণ আজিৰ পৰা।
স্থায়ীভাৱে বাস কৰিম ইদেশত
ভাই মিত্ৰভাৱে চলিম সততে।
কৰিম থাপনা পোৱা-মক্কা থান।
জাতি ভাই মিলি ধৰ্ম্ম আচৰিম।
ক। যবনৰ সেনা যত বন্দী হইছিল
বিনা দণ্ডে মুক্ত পাব সবে আজিপৰা।
ভুক্ত হব চমুয়া পাইকৰ খাপত
জীবিকাৰ উপায় ধৰিব খেতিবাতি।
অন্ন পাব আন বৃত্তি উপযুক্ত চাই।
অ। যিযি আদেশ দিলে মেহেৰবানি কৰি
লৈছোঁ তুলি শিৰত বহু চেলাম কৰি॥
কিন্তু খোদাৱন্দ! এটি গোহাৰি জনাওঁ—
পশ্চিমৰ মানুহে নেজানে আও-ভাও,

আসামমাটিত খেতিৰ নিহা দস্তৰ।

ক। নকৰিবা চিন্তা একো তাত অমৰ খাঁ।
পুৰুষাৰ্থ কৰি দেখক তোমাৰ লোকে
পাৰে কি নোৱাৰে খেতিত প্ৰৱৰ্তিব।
যদি অকামিলা সিকামত দেখা যায়
দিয়া যাব বাচি আন বৃত্তি ব্যৱসায়।

অ। হজুৰৰ হুকুম নহব ভগন;
কৰিম পালন অতি সন্তোষেৰে।

ক। শুনা দেওৰাজ মোৰ এটি অভিলাষ—
সোৱা কৰতোৱা নৈৰ বহল পাৰত
সাজিব লাগিব এক বিচিত্ৰ দোল;
কাষ ত তাৰ খানি ডাঙ্গৰ পুখুৰী।
গমীয়া হৈ যাতে থাকে চিন
মাহোমৰ জয় যবন যুদ্ধত।
নাম যাতে থাকে জ্বলি মুলা গাভৰুৰ
বিত্ৰ নাম আৰু গৌৰৱ বীৰত্বৰ।
যাক দেখি আগলৈ আসাম বাসীৰ
অন্তৰত জ্বলে যেন বীৰত্বৰ ভাব।

দে। আমা সকলোৰ ও এই অভিলাষ।
হব এই শুভ কাৰ্য্য সহজে সাধন।

## পঞ্চম অঙ্ক।

### ১ম পট।

ৰজাৰ চ’ৰাঘৰত ৰাজ সভা।

স্বৰ্গ নাৰায়ণ, কন’চং, মন্ত্ৰী, বৰা, লিগিৰা-উপস্থিত।

স্ব। কালৰ চকৰি ঘুৰে-আন্ধাৰ পোহৰ
সুখ দুখ গঁঠা থাকে এগছি জৰীতে।
বিধিৰ মহিমা! পুৰালে শোকৰ ৰাতি।
বিয়পিছে অন্তৰত শান্তিৰ পোহৰ।
হেৰুৱালোঁ কত সেনা বন্ধু লগৰীয়া
গুনী জ্ঞানী সাহিয়াল ৰনত পাৰ্গত।
কিন্তু বাপা কনচেং তোমাৰ গুনত
লভিলো সম্পূৰ্ণ জয় যবন যুদ্ধত,
ৰখি নাম আসামৰ জলাই জগতে
আহোমৰ কেনে তেজ কেনে বীৰ বল।
থাকিলে কলিত যদি ক্ষমতা নৰৰ
যিবা বৰ খোঁজা দান কৰিলো হেতেন।

ক। মেলাগে ভৃত্যক একো বৰ। লাগে মাত্ৰ
তয়ু চৰণৰ মৰম আশীৰ্ব্বাদ।
পিতৃ মাতৃ হীন অনাথ অজলা ল’ৰা
আছিলোঁ নগাৰ সঙ্গে পৰ্ব্বতৰ মাজে

অজ্ঞান আন্ধাৰত পৰি পশু তুল্য হৈ।
অসভ্য অশুচি বুলি যদি কৰি ঘিন
নিদিলে আশ্রয় দান নললে চপাই
আজিও থাকিলো হেতেন জধা মূর্খ হৈ
পৰ্ব্বতত পৰ্ব্বতীয়া জাতি ৰূপ ধৰি।
তবু অনুগ্রহে পালোঁ বিদ্যা বুদ্ধি জ্ঞান
সজ গুণ ৰীতি নীতি সভ্য মানুহৰ।

স্ব। বুজিছোঁ ইসৱ কথা, বাচা! যি কৰিলোঁ
তোমা প্রতি আছিল কৰ্ত্তব্য মোৰ কাম।
তুমি মোৰ বংশ হোৱা। দৈব্য ঘটনাত
পৰিছিনা অকস্মাৎ পিচলি খালত।
ডাঙ্গি নধৰিলোঁ। যদি ককৰ্গনা মোক
সবাই কৰিলে বা পাপে চুলে হেতেন।

ক। স্বৰ্গদেৱে যি কৰিলে এই দাস প্রতি
পৰিশোধ কৰা তাক মোৰ ও উচিত।
কিন্তু নাই ধন বস্তু, নাই উপহাৰ।
কিহৰে পূজিন তবু দুখানি চৰণ।
কিন্তু মোৰ দেহ প্রাণ কৰিছোঁ অর্পণ
অন্তৰৰ ভক্তি আৰু শক্তি যত মানে
বৃদ্ধি কৰিবাক তবু কীৰ্ত্তি যশ মান।

ধৰিছোঁ বৰত মগ্ন সেৱিব কাৰণে
স্বৰ্গতো অধিক পবিত্ৰ জনম্ ভূমি।
থাকে মানে ইদেহত প্ৰাণ আৰু জ্ঞান,
থাকে মানে শৰীৰত এটোপাও তেজ
কদাপি নকৰোঁ মৃত্যু শেল মাত্ৰ ভয়।
লৰিম সততে বৃদ্ধি কৰিবৰ অৰ্থে
জাতিৰ গৌৰব আৰু স্বদেশৰ নাম।

স্ব। বীৰোচিত বাণী! নুথলিব কাৰ সাহ,
নুতলিব কাৰ তেজ, পৰিলে কানত!
শুনা মন্ত্ৰী সভাসদ যত আছাঁ মানে
লোৰা এই মহামন্ত্ৰ ভজিবে স্বদেশ।
লোৰা আহিঁ কন্‌চেঙ্গৰ। এৰি পেলোৱা
খিয়লা-খিয়লি হেলা ঘৰুৱা কন্দল।
স্বদেশ স্বজাতি প্ৰেম হৃদয়ত ধৰাঁ
জানিবা পৰম ইটো নৰৰ ধৰম।
স্বৰ্গসম হব ৰাজ্য সুখী হব প্ৰজা।
শুনা আৰু কৰোঁ এক আদেশ প্ৰচাৰ
দিবা সকলোৰে মোৰ প্ৰজাক জাননী—
ন কৈ সৃজিলোঁ আজি তৃতীয় মন্ত্ৰী পদ।
কনচেং কোঁৱৰে পাব সেই পদ ভাৰ।

বৰপাত্ৰ গোহাঁই বুলি হব জনাজাত্।
হব আদি পুৰুষ কন্‌চেং সি বংশৰ।
পুৰুষানুক্ৰমে ভোগ কৰিব বিষয়।
অপৰ দুজনা মন্ত্ৰী সম পাব মান।
সমানে ক্ষমতা পাব ৰাজ-কাৰ্য্য ভাৰ।
থাকিব প্ৰখ্যাত নাম কনচেং বীৰৰ।

মন্ত্ৰী। ধন্য স্বৰ্গ দেও! ইটো বিচাৰ সুন্দৰ
যোগ্যবান পাত্ৰ যেনে, তেনে পুৰস্কাৰ।

ক। সাৰ্থক মানিলোঁ মোৰ অপাত্ৰ জীৱন।
সাৰ্থক মানিলোঁ কৰি যি এফেৰা শ্ৰম
নিজ ৰজা, নিজ দেশ উপকাৰ দেতু।
আশীৰ্ব্বাদ মাগো যেন থাকে মোৰ মতি
ধৰমত আৰু প্ৰীতি পৰৰ হিতত।

স্ব। সামৰিলো মেল আজিৰ নিমিত্তে
যোৱাঁ দিহাদিহি সবে নিজ নিজ কামে।

—— o ——

## পঞ্চম অঙ্ক।

### ২য় পট

( ফুলনি। জয়ন্তী আৰু ললিতা-থীয়। )

ল। সখি! মই ইমান কৈ ধৰিলোঁ। একনিও মোৰ কাথালৈ কান নকৰিলা।

জ। কেনেকৈনো কৰিব লাগিলে কান? তোমাৰ কথা বোৰ টোপোলা বান্ধি কানত ওলোমাই লব লাগিছিল নে কিঁ!

ল। মোৰ কথাটো শুনা হলে আগলৈ তোমাৰ বৰ ভাল হল হেঁতেন।

জ। তুমিও মোৰ কথাটো শুনিলে আগলৈ তোমাৰ বৰ ভাল হব।

ল। চুক্রেং কোঁৰৰক সঁচাকৈ বিয়া নকৰাঁ নে কি।

জ। তোমাকে দিছোঁ। তুমিয়ে কৰাগৈ।

ল। তোমাৰ ভাললৈহে কৈছোঁ। ৰাজ-কুঁৱৰী হৈ ৰাজ পাটত বহিবলৈ পালা হেঁতেন।

জ। ময়ো তোমাৰ ভাললৈহে কৈছো। ৰাজ পাটত বহি তুমিয়ে ৰাজ-কুঁৱৰী হোৱাগৈ।

ল। সদায় পেংধালি থলেই লুগুছিল আৰু তোমাৰ।

জ। তোমাৰ ও আৰু সদায় চলাহ-নলাহ খনেই নুগুছিল। কোঁৱৰে হবলা তোমাক কটকী কামত ভৰ্ত্তি কৰিছে। সেই দেখি মোক খবৰ বাতৰি সুধিবলৈ আহিছা। তেন্তে শুনা হেৰা কটকী বাই! তোমাক এটি সজ কথা কওঁ। এই বোৰ লোকৰ কথা লই মূৰ নঘমাই তোমাৰ নিজলৈকে এটা উপায় চিন্তা কৰাচোঁ।

ল। বাৰু যি কৈছা বুজিছোঁ। পাচে তোমাক সোধা কথাটোৰহে এটা চয় নিশ্চয় নেপালোঁ।

জ। ইয়া কেহে বোলে—"মৰিও মৰ-কামোৰ নেৰে।" সঁচাকৈ কৈছোঁ সখি! সেই টো কথাকৈ মোক আৰু আহুকাল নকৰিবা। যি জনক এবাৰ মোৰ হৃদয়ত থাপনা কৰি ইষ্ট দেৱতা বুলি পূজা কৰিবলৈ ল'লোঁ, তেওঁৰ বাহিৰে মই আন কাকো চিন্তিব নোৱাৰোঁ। এই কথা লই চুক্লেং কোৱঁৰৰ লগত মোৰ বহুত বাক-বিতণ্ডা হৈ গৈছে। তুমি মিছাকৈ কেলৈ চুপতি কৰিবলৈ আহিছাঁ।

ল। চুপতি কৰা নহই দেও! সজ কথাহে কৈছোঁ।

জ। সজ কথাখন মই আগেয়েই বুজিছোঁ। শুকক বেদ পঢ়াব নেলাগে। তোমাৰ তলা-নলা খনৰ ভেদ মই কাহানিবাই পাইছোঁ। চুক্লে কোঁৱৰক যে তুমি পেটে পেটে ভাল পোৱা, আনে নেজানিলেও মই জানো, চুক্লেং কোৱঁৰে জানে আৰু

ৰানী দেউতাই জানে আৰু তেওঁৰ লগত তোমাৰ বিয়া হলে ৰাণী দেউতাই ভাল পাব।

ল। ইঃ! তুমি বৰ সৰবজান জনী ওলালাঁহি!

জ। মই চুক্লেং কোঁৱৰক বিয়া নকৰালে যে তোমালৈ বাট মুকলি হব সেইটো তুমি জাঁনা। সেই দেখি তেওঁৰ কথা মোক ঘনে ঘনে সুধি থাকাঁ। "আজিৰ পৰা কথা থিৰাং" হল। বুজিছা? ততলৈ ফুৰিবা মাথোন।

ল। বাৰু স্নেইবোৰ কথা এৰিলোঁ। এতিয়া কি কৰিব লাগে কোৱাঁ।

জ। এতিয়া একো কৰিব নেলাগে। সোৱা গছৰ তলত বগৰি সৰি আছে। বুটলি খাওগৈ ব'লা।

ল। বাৰু ব'লা।

(গছৰ ওচৰলৈ যায়। গীত গায় গায় বগৰি বুটলে)

"অৰন্যৰ বগৰি ভাটৌৱে সৰালে
আইদেৱক ৰখীয়া দিলে;
সোনৰ কান খৰিকা দেউতাৰ যশস্যা
গোহাঁই লৈ ওলিয়াই দিলে।
আলিয়ে নেযাবা কাঁইটে বিন্ধিব
পথাৰে নেযাবা বোকা;

দুৰৈ হই নেযাবা চৰাই হালধীয়া
ৰাৱনে হৰিব সীতা।”

জ। (দুবৈলৈ চাই) চোৰাচোঁ, সৌৱা কোনোবা আহিছে।

ল। কিয়! তুমি চিনিব পৰা নাই! ধ্যানত অধীৰ হৈ নিজকে নিজে চিনিব নোৱাৰা হৈছা! সেইয়া কেমচেং কোৱঁৰ নহয়!

জ। ঠিক কৈছা। আজি মৃগয়া কৰিবলৈ যোৱা কথা আছিল। তালৈকে যাবলৈ আহিছে। কি কৰো এতিয়া! লুকাই থাকোঁ আহাঁ।

ল। লুকালুকি খন কিহৰ আকৌ! আমি কিবা কাৰোবাৰ চুৰ কৰিবলৈ আহিছোনে কি, তালৈকে লুকাব লাগিছে। (কনচেং আহি ওচৰ পালেহি। জয়ন্তী তললৈ মুখ কৈ থিয় হৈ ৰল)

ক। কি সুভাগ্য! আজি শুভ যাত্ৰা মোৰ। মৃগয়া কৰিবলৈ ওলায়ে পোনেই লক্ষ্মীৰূপা জয়ন্তী আইদেৱক দেখিলোঁহি। তাতে আকৌ লগৰ সখী ললিতা আইদেও! নিশ্চয় আজি মৃগয়াত লাভ হব। তোমালোকে দেখোন নিমাত হৈ ৰ'লা। মই অকস্মাৎ আহিওলোৱাত বেয়া পাইছানে কি?

ল। নাইপোৱা বেয়া। সখীয়ে আলপ লাজহে কৰিছেহবলা।

ক। যদি লাজ কৰিছে মই গুচি যাওঁ।

ল। নেলাগে যাব! নেজানেনে আপুনি—লাজ হৈছে মাইকীৰ এটা অলঙ্কাৰ। যাক ভাল পায়, তাৰ আগত সেই অলঙ্কাৰ পিন্ধি দেখুৱাই।

ক। জয়ন্তী! নধৰিবা দায় দোষ। কথা কোৱাঁ।. ইয়াত কি কৰিছাঁহি?

জ। সখীৰ লগত অলপ ফুৰিবলৈ আহিছিলোঁ।
ওচৰতে বগৰি গছ দেখি বগৰি বুটলি খাইছোঁ।

ল। বুজিছে গোহাঁইদেও। আপুনি আজি এই পোনেঃ
মৃগয়া কৰিবলৈ যাবহি বুলি জনা আছিল।
সেই দেখি ৰ'দ লোৱাও হৈছে, বন চিঙাও হৈছে।
অৰ্থাৎ বগৰি খোৱাও হৈছে আৰু—

জ। (ললিতা লৈ চাই) কিবা তুমি চুপতি কৰিছাঁহে! তোমাৰ লাজ চৰম একনিও নাই।

ক। নেলাগে খাব তলসৰা বগৰি। পাৰি দিও মই গছৰ পৰা। যিমান পাৰা খোৱা দুয়ো মিলি। (কনচেং গছৰ গুৰিলৈ যায়। হঠাৎ জাপ মাৰি আঁতৰি আহে)

জ। কি হল কোঁৱৰ!
কিয় উচাপ খাই আহিল আঁতৰি!

ক। নেৰোঁৱা বুজিব একো।
বিন্ধিলে কিহবায় কলাফুলত মোৰ।

জ। চাওঁ ক'ত, কিহেনো বিন্ধিলে।
( লালিতালৈ চাই ) চোৱাঁ। আহি সখি বিৰিঙ্গিছে
তেজ! কামোৰা-যেন দেখোঁ কিহবায়।

ল। দেখোগৈগেচোঁ কি আছে গছৰ গুৰিত।
( গছৰ গুৰিলৈ যায় )
সৰ্ব্বনাশ সখি! চোৱাচোঁ আহি।
আছে ফেট তুলি এটা ফেঁটী গোম!

ক। পাৰিলো বুজিব এতিয়া।
উজাইছে বিষ লাহে লাহে।
বোধ হৈছে যেন দগ্ধ হৈছে শক্তি শৰীৰৰ।

ল। চোৱাঁ সখি! জোন যেন মুখৰ বৰণ
আহিছে মলিন পৰি যেনে গ্ৰহণত!

জ। কঁপিছে কোঁৱৰ কিয় ঠক ঠক কৰে!
হাঁয় বিধি! কি হব উপায় এতিয়া।
পৰিল স্বৰগ আহি মোৰ কপালত
মেঘ-শূন্য আকাশৰ পৰা।
কুখেনত আহিছিলোঁ খাবলৈ বগৰি।
বগৰিৰ লগত খালোঁ বৰ বিহ!

ক। নোৱাৰোঁ থাকিব আৰু থীৰে থিয় হই।
( জয়ন্তীৰ গাত ধৰি বহি যায় )

জ। ৰক্ষা কৰা হৰি! আহঁা সখি ওচৰ চাপি॥
( ললিতা আহি কনচেঙ্গক আওজাই ধৰে )

ল। নকৰিবা চিন্তা সখি। নাই একো ভয়।
পৰিছে মনত মোৰ ভাল মন্ত্র এটি।
শিকিছিলোঁ চুক্লেং কোৱৰৰ পৰা।
ধৰিম ধৰণী। নোৱাৰে উজাব বিষ।
সাধ্য নাই তাৰ। বান্ধিম এতিয়াই।

জ। নকৰঁা পলম তেন্তে। লাগঁাহি কামত।

ল। লাগে নাথোন একোছি ছিগা চুলি মোক॥

জ। হেঁৰা লোৱা চুলি থিমান লাগে মানে
উঘালি দিওঁ মোৰ কপালৰ পৰা।
( চুলি চিঙ্গি দিয়ে )

ল। ( চুলিৰে কনচেঙ্গৰ ভৰিত ধৰণী বান্ধে )
বান্ধিলো ধৰণী। নহবা নিশ্চিন্ত কিন্তু॥
থাকিব মাথোন গুণ এদিন এৰাতি।
কাইলৈ এতে বেলি ধৰণী ছিগিব।
উজাব বিষম বিষ চাৰি গুণ জলি।

নোৱাৰিব দিব বাধা মন্ত্র বা ঔষধে।
নোৱাৰিব কোনো বেজে ৰাখিব জীৱন।

জ। হৈছোঁ মই নিৰুপায় বিচুৰ্ত্তি বাতুল।
কোন্বা সখি কলৈ যাও কি কৰোঁ এতিয়া।

ল। নাই আন বেজ চুক্লেং কোঁৱৰ বিনে।
জানে মাত্র তেওঁ এনে বিষৰ দৰব।
লগোৱা মাত্রকে ফলে—উৰি যায় বিষ।
যোৱাঁ ততালিকে লৰি, ধৰাগৈ তেওঁক।
আনা মাগি ঔষধ—জীৱ কনচেঙৰ।

জ। ( মনে মনে খন্তেক চিন্তা কৰি )
অভাগিনী মই! লাগ জুই কপালত!
আধা পোৰা হ'ক মোৰ মুখ।
যক জলি চুলি জীয়া জুই লাগি।
ওলাই পৰক চকু কপালৰ পৰা।
চিনিব নোৱৰা হ'ক চুক্লেং কোঁৱৰে
মোৰ এই কুলক্ষণীয়া ৰূপ।
চিনিব নোৱাৰি কিবা ৰাখে মোৰ কথা।
দিলো কত চুক্লেঙক লাজ তিৰস্কাৰ।
কোন সতে কোন মুখে চাপোগৈ ওচৰ!
এৰোঁ লাজ! যাওঁ লৰি পৰোগৈ পাৱত।

( শুলাই যায় )

ল। লাগিছেনে ভাল শৰীৰ অলপমান ?

ক। পাইছোঁ কিছু ভাল। কিন্তু পোৰনিত
লাগিছে যেন যায় ছিগি ভৰি।

ল। নকৰিব ভয়। নেৰিব মনৰ বল।
থাকক বহি থিৰৰে, নেযাব টোপনি।
দিওঁ আনি কাজিপানী খাবলৈ।
কাটিব শাম বিষৰ যন্ত্ৰণা।
আহিব জয়ন্তী শীঘ্ৰে। আনিব ঔষধ।

( ললিতাই কাজি পানী আনি খুৱাই )

---

## পঞ্চম অঙ্ক।

### তৃতীয় পট।

চৰা ঘৰৰ চোতাল। চুক্রেং কোঁৱৰে
খোজ চলাই ফুৰিছে। ওচৰত লিগিৰা।

লি। এৰিপেলক গোঁহাইদেও সেইবোৰ চিন্তা। দেখাতে ৰূপে গুণে পৰিপাটি কিন্তু ছোৱালী জনীৰ গাত দিবা এটা আছে যেন দেখি। বতাহৰ ছাটিৰ দৰে থন্তেকতে উগ্ৰ মূৰ্ত্তি! থন্তেকতে আকৌ—কথাতে গলি পমি যায়। আপোনাৰ নিচিনা শাস্ত, ধীৰ পুৰুষৰ জোৰ নহয়।

চু। তোৰ মতামত লই মই কাম কৰিবলৈ অহা নাই। মনে মনে থাক।

লি। আপুনি যদি দায় দোষ নধৰে মই হলে—ললিতা আইদেৱলৈকে আঙ্গুলি টোঁৱাব খোজোঁ। মই বেচ প্ৰমাণ পাইছোঁ, আপনালৈ পেটে পেটে তেওঁৰ বৰ ভাব আছে। ইফালেও ঠিক আপোনাৰ দৰে ধীৰ শান্ত স্বভাব। জয়ন্তী আইদেৱৰ নিচিনা চলন বুলনত ওফৰি ফুৰা নহয়।

চু। দেখা য'ক ক'ৰ পানী কলৈ যায়। যাৰ কন্যা তাৰ বিবাহ।

লি। ( পাচ ফাললৈ ওলটি চাই ) সৌৱা দেখোন জয়ন্তী আইদেও আহিব লাগিছে। আজি হলে আগৰ দৰে চকুচকীয়া টকৃটকীয়া নেদেখি। মনত কিবা এটা গধুৰ ভাৱলৈ অহা যেন দেখি।

চু। ( জয়ন্তীৰ ফালে পিঠি দি ) আহক। নেচাওঁ মই ফিৰি। নেমাতো মাত সতকায়।

( জয়ন্তী আহি পাচ ফালে থিয় হয় )

লি। গোহাঁইদেও! জয়ন্তী আইদেও আহিছে! কিবা কথা এটা কব খুইছে।

চু। তোক সেইবোৰ দায়ে নেপায়। তই ইয়াৰ পৰা গুচি যা।

( লিগিৰা ওলাই যায় )

জ। গোঁহাইদেও! অপৰাধ ক্ষমা কৰ'ক। মোৰা কথা পাহৰি পেলক। বিপদত পৰিছোঁ। ৰক্ষা কৰক।

চু। এইটো কাৰ মাত! আগেয়ে কেতিয়াবা শুনিছিলোঁ যেন লাগিছে।

জ। মই দুখুনী জয়ন্তী! আপোনাৰ চৰণত এটা ভিক্ষা মাগিবলৈ আহিছোঁ—এটা জীৱ দান খুজিবলৈ আহিছোঁ।

চু। (হাঁহি হাঁহি) জয়ন্তী দুখুনী! মাগিবলৈ আহিছে! অসম্ভৱ! যি জয়ন্তীয়ে কনচেং কোৱঁৰৰ আশ্ৰয় লৈছে, সেই জয়ন্তী দুখুনী হব পাৰেনে! অসবম্ভৱ! দুখীয়া মগনীয়া চুক্লেং কোৱঁৰে সেই জয়ন্তীক উপকাৰ কৰা কি সাধ্য আছে! নিশ্চয় তুমি মোক কিবা ছল, নহলে লাঞ্ছনা কৰিবলৈ আহিছা।

জ। (চুক্লেঙ্গৰ আগলৈ আহি) দিয়ক মোক যিমান পাৰে লাজ। কৰক লঘু লাঞ্ছনা যেনে ইচ্ছা হয়। ঢালি দিয়কমূৰত মোৰ যত আছে অধস্ত কুচিৎ কুবাক্য। কৰক শত বাৰ পদাঘাত মোৰ মূৰত। পৰিছোঁ চৰণত। (আঠু লয়) যদি কৰে ভিক্ষা অস্বীকাৰ, এৰিম জীৱন এতিয়াই। লাগিব তিৰী বধ পাপ আপোনাত!

চু। কিয় মোক অনাহক আহুকাল কৰিবলৈ আহিছা। থিয় হোৱা। কোৱাচোঁ কি হৈছে তোমাৰ।

জ। ( থিয় হয় ) তেন্তে শুনক কৃপা কৰি। কনচেং কোৱঁৰক হঠাৎ ফেঁটী সাপে খুটিলে। ললিতা সখীয়ে ধৰণী ধৰি এদিন এৰাতিলৈ বিষ বান্ধি ৰাখিছে। ইয়াৰ ভিতৰতে যদি দৰব দি ভাল কৰিব নোৱাৰি কোৱঁৰৰ জীৱনৰ আৰু আশা নাই।

চু। তোমাৰ কোঁৱৰক সাপে খুটিলে। বেজ বিচাৰি ভাল কৰাগৈ। মোৰ ওচৰলৈ আহিছাঁ কিয়।

জ। আপুনি নিজেই জানে যে ফেটীসাপৰ দৰব জনা বেজ আপোনাৰ বাহিৰে হাতে চুকি পোৱাতআন কোনও নাই। বেটীয়ে জীৱ দান মাগিছোঁ, পলম নকৰিব।

চু। এতিয়া দৰব বিচাৰিবলৈ মোৰ সময় নাই। এতিয়া যোৱাঁ। অলপ পাচে আহিবা।

জ। যদি দৰব দিবৰ মন নাই থিৰাং কথা কই দিয়ক। আপোনাৰ আগতে এতিয়াই এই দাব কটাৰীৰে ( কটাৰী দেখুৱাই ) ডিঙ্গি কাটি মৰি যাম। তেতিয়া আপোনাক তিৰীবধ পাপে ছুব। আৰু কনচেঙ্গৰ মৃত্যুৰ বাবে আপুনি ঈশ্বৰৰ আগত জবাব দিব লাগিব। আপুনি এই দৰে দৰব দি বহু মানুহক জীয়াইছে। কনচেঙ্গৰ যদি প্ৰাণ ৰক্ষা নকৰে আপোনাৰ বেজালি ধৰ্ম্মত আগলৈ এটা কলঙ্ক থাকিব। আনকি আপুনি কিবা খিয়ালত তেওঁক নিজীয়ালে বুলি জগতে ৰতিব।

চু। কনচেঙ্গর জানিবা প্রাণ ৰক্ষা কৰিলোঁ। তাত মোৰ লাভ কি।

জ। মহা ধৰ্ম্ম পাব। তাৰ বাজেও যদি কিবা দান দক্ষিণা লাগে, কওক। মই দিবলৈ প্ৰস্তুত আছোঁ।

চু। অবশ্য! দান দক্ষিণা আগ নবঢ়ালে ঔষধৰ গুণ ভালকৈ নধৰে।

জ। ঔষধৰ গুণ নিতান্ত ধৰিব লাগিব। তাৰ বাবে যিহকে লাগে দিবলৈ মই স্বীকাৰ কৰিছোঁ।

চু। সত্য কৰি কৈছানে মই যি দান খোজোঁ তাকে তুমি দিবা?

জ। সত্য, সত্য তিনি সত্য কৰি কৈছো মোৰ সাধ্যত থকা যিহকে লাগে তাকে দিম।

চু। এই প্ৰতিজ্ঞা ভগন নহয়?

জ। মোৰ জীৱ থাকে মানে প্ৰতিজ্ঞা ভগন নহয়।

চু। তেন্তে মোক দান দিয়া—তোমাৰ যৌবন। মোক বিয়া কৰাবলৈ মান্তি হোৱা।

জ। (চমক খাই, বিচুৰ্ত্তি হই চাৰি ও ফালে চাই থন্তেক নিমাত থাকে) উঃ! হল কি মোৰ! দেখিছোঁ আন্ধাৰ কিয়! সৰ্ব্বাঙ্গ কপিছে কিয়, জলে কিয় প্ৰাণ!

( থন্তেক ৰই, আঁঠু কাঢ়ি )

ধৰিছোঁ চৰণ আপনাৰ।
মাৰ্জ্জনা কৰক দুখুনীক।
যৌবন এৰি খোজক আন যিবা লাগে।

চু। নকৰিবা চতুৰালি। বাগি নিদিবা।
শপত কৰিলা-সত্য সত্য বুলি।
ভাবিছিলোঁ সত্যৱতী তুমি।
কোন মুখে কৰা ভঙ্গ অঙ্গীকাৰ?
সুচৰিত্ৰা নাৰীৰ নহয় ধৰ্ম্ম এনে।
জানিবা নিশ্চয়। নহয়, ধেমালি ইটো।
কনচেঙ্গৰ জীৱ মোৰ হাতৰ মুঠিত।
তুমি ইচ্ছা কৰিলেই জীব কনচেঙ্গ।
ভাবি চোৱাঁ দ-কৈ, দিছোঁ মই সময়।
যাওঁ ম'ই আনোগৈ ঔষধ।

( চুক্লেং ওলাই যায় )

জ। চিন্তাৰ ভৰত, কথাৰ বেগত,
বুজিব নোৱাৰি প্ৰশ্নৰ ভাৰ,
দিলো ঝাপ জীৱা জুইত!
চুক্লেঙ্গৰ কথাত যদি নহওঁ সম্মত।
নে পাওঁ ঔষধ আৰু নিজীয়ে কনচেং!

হে হৰি ! পেলালা মোক মহা সঙ্কটত।
অবোধ অজলা নাৰী নেদেখোঁ উপায়।
দিয়া উপদেশ কি কৰো এতিয়া মই।
বিচাৰি নেপাওঁ হায় ! কৰ্ত্তব্য কি মোৰ।

( খন্তেক মৌন থাকে )

এই বিপদৰ পৰা সাৰিব উপায়
দেখিছোঁ মাত্র এক—হওঁ আপোন ঘাটি !
তেনে ও তো নিজীয়ে চেনেহৰ কনচেং।
থৈ তেওঁক সঙ্কটত—মৃত্যুৰ মুখত
যদি মৰি সাৰোঁ মই বিপদৰ হাত।
নিন্দিব জগতে মোক স্বাৰ্থপৰ বুলি।
বুজিছোঁ কৰ্ত্তব্য মোৰ—স্বাৰ্থ বলিদান !
নেলাগে মোক আৰু একো সুখ।
থাকক মাত্র কনচেং জীয়াই।
ৰুইছিলো আশা গছ হৃদি ফুলনিত,
ফল ফুল ভোগ কৰি প্ৰীতি হম বুলি।
সাজিছিলোঁ আলাশত মানিকৰ ঘৰ
আনন্দে সুখে তাত কৰিম বাস বুলি।
দলিয়াই পেলালোঁ সকলো অভিলাষ।
খহক বুকৰ পৰা প্ৰণয় প্ৰতিমা !

হ'ক ধ্বংশ ! উটি য'ক প্ৰলয়ৰ ঢৌত !
দিলোঁ স্বাৰ্থ বলিদান কনচেঙ্গৰ অৰ্থে।
হ'ক পূৰ্ণ চুক্লেঙ্গৰ দুষ্ট অভিলাষ।

( কান্দিবলৈ ধৰে )

( চুক্লেং প্ৰবেশ )

চু। কি ঠিক কৰিলা ? নকৰাঁ পলম আৰু।
সঙ্কটৰ সময় চাপিছে ওচৰ।
( হাতৰ মুঠি দেখুৱাই ) চোৱা এই আনিছো ঔষধ।

জ। (কাঁন্দি, কাঁন্দি) হৈছোঁ মান্তি, হব পূৰ্ণ ইচ্ছা আপোনাৰ

চু। ( হাঁহি হাঁহি ) সুন্দৰ বিবেচনা কৰিলা সুন্দৰি !
হোঁৱা লোৱা দিছোঁ এই দুবিধ দৰব।
এই বিধ লগাবা বহিছে যত দাঁত
এই বিধ খুৱাবা গুলি পানীৰ লগত।
ততালিকে হব জ্ঞান, সুস্থিৰ শৰীৰ।
নকৰিবা চিন্তা একো কনচেঙ্গৰ বাবে।

জ। দিয়ক বিদায়।
নথৈ শলাগ লৈছোঁ। কদাপি নেপাহৰোঁ।
এই মহা উপকাৰ।

চু। ৰ'বা এখন্তক।
নহবা নিধাতু। নোৱাৰে উজাব বিষ

আছে বন্ধা ধৰনীৰ সময় যিমান ।
বিবাহৰ দিন ঠিক কৰোঁ এতিয়াই ।
আজি দেওবাৰ' ঘুৰি দেওবাৰে
শুভ দিন আছে বিবাহৰ ।
শুভ কাৰ্য্য সমাধা হব সেই দিন ।
দিম মই শুভ বাৰ্ত্তা ইষ্ট মিত্ৰ জনে ।
হব দিহা আয়োজন যি যি লাগে মানে ।
যোৱাঁ বেগতাই । ঔষধ খুৱাই
কৰা সুস্থ কনচেং গোহাঁইক ।
জনাব মোৰ মঙ্গল কামনা ।
জনাবা তুমিও মোৰ বিয়া নিমন্ত্ৰন ।

জ । লৈছোঁ বিদায় । পালিম আজ্ঞা আপোনাৰ ।

( জয়ন্তী ওলাই যায় )

( হাঁহি, হাঁহি লিগিৰা প্ৰবেশ )

লি । গোহাঁইদেও ! বাস্তবিক আপুনি মানুহ নহয়, দেৱতা ! ভালেহে আপোনালৈ আটায়ে ভয় কৰে । তন্ত্ৰ মন্ত্ৰ দেখোন গোটেই সোপা আপনাৰ গাতে । সচাঁকৈ গোহাঁই দেও ! মই হলে ভাবিছিলোঁ বোলো এই তৰচেঙ্গেলী জীয়াৰী জনা আপোনাব হাতৰ পৰা পিচলিল । গোসাঁয়ে ভাল থোকাত পেলালে ! আগেয়ে হলে কথাকে কব নোৱাৰি । ওচৰ চাপিলেও যেন

কোদোৰ বাহঁহে উজাৰ খায়! এতিয়া হলে লেও-সেও। তোমাৰ পাতলিত পৰিছোঁ। যেই কৰা সেই।

পাচে গোহাই দেও এটা কথা নহয়। আপুনি পাহৰিলেনে কি! জয়ন্তী আইদেৱক বিয়া নকৰাওঁ বুলি আপুনি ৰাণী দেওতাৰ আগত শপত খাইছিল নহয়।

চু। মনে মনে থাক। তাৰ দায়ে তোক নেপায়।

লি। এৰা! আমাৰ নিচিনা দুখীয়া নিচলা মানুহৰ হলে এনে দোষত গুৰু দণ্ড হন হেঁতেন। ধনী মানী লোকৰ হলে-সকলো দোষ মাফ্।

চু। তোৰ বলকনি থন এতিয়া এৰ। বিয়াৰ দিহা কৰগৈ।

লি। অবশ্য কৰিব লাগে। শুভস্য শীঘ্রং। পাচে গোহাই দেও! বন্দীয়ে এটা কথা ক'ৰ খোজোঁ যদি দায় নধৰে।

চু। কি কথা বেগাই ক।

লি। আপুনি দেখিছেই মোৰ জীৱনটো বৰলা ভাত খাওঁতেই গল। এতিয়া যে সেই দৰব টো দিলে, মোক ও শিকাই থলে হেঁতেন।

চু। তাৰে তই কি কৰিবি।

লি। বোলোঁ আগলৈ-কৰবাত-কেতিয়াবা—কেনে-

বাকৈ—কিবা জানি কিবা এটা এই দৰে সোলাৰ মুখত টোপ আহি পৰেহিবা।

চু। বাৰু সেইবোৰ দিহা পাচে হব। তই এতিয়া আহ।

( দুই ও ওলাই যায় )

## পঞ্চম অঙ্ক।

### ৪ৰ্থ পট।

ভিতৰ চ'ৰা ঘৰ। কনচেঙ্গক এজনে আওঁজাই ধৰি আছে। ওচৰত ললিতা।

ল। হই গল বহু বেলি, নাহিলে জয়ন্তী।
কিয় হৈছে পলম ইমান। ধৰণীৰ
মন্ত্র বল নেথাকিব আৰু বেচি বেলি।

ক। উজাব ধৰিছে বিষ। নোৱাৰোঁ সহিব।
যায় প্রাণ-বায়ু! কলৈ গল জয়ন্তী।
নাহিল এতিয়াও। অন্তিম সময়ত
চাই লওঁ এবাৰ। দিয়া আনি লগতে।

ল। যায় ধাতু কোঁৱৰৰ! ৰক্ষা কৰা হৰি!
হায় হায়! নেদেখোঁ উপায় একো মই।

( কান্দিবলৈ ধৰে )

(উলটি চাই) আহিছে সোৱা জয়ন্তী লৰ ধৰি।

( জয়ন্তীৰ প্ৰবেশ )

আনিছানে সখি, পালানে ঔষধ ?
উপস্থিত সঙ্কট ! কোঁৱৰ অচেতন !

জ। নাই ভয়।
মহৌষধ আনিছো লগত। হোঁৱা লোঁৱা ?
লগোৱা এইটো য'ত খুটিছিল সাপে।
পানী মিহলাই ইটো খুৱাব লাগিব।
যাওঁ মই আনোগই পানী
( জয়ন্তীয়ে বাটিত পানী আনি খুৱাই ).

ক। (অলপ পাচত) উঃ হৈছিল কি মোৰ ! নাছিল চেতনা
জলি পুৰি যায় যেন লাগিছিল দেহা।
তাৰ পাচে মৃত্যু যেন ধৰিলে টেঁটুত।
শূন্য হল জ্ঞান, নোৱাৰিলো কব একো।
সপোনৰ পাচে যেন পালোঁ পুনু জ্ঞান।
হৈছে গা সবল সুস্থ আগৰ নিচিনা।

ল। সমূলি গুচিব বিষ যদি থিয় হয়।
( কনচেং থিয় হয় )
লৰি পৰি পালেগৈ চুক্লেঙ্গৰ ওচৰ।
আনিলে দৰব খুজি জয়ন্তী সখীয়ে।
কৰি কষ্ট দিলে জীৱ আপোনাক দান।

এইটো মহা উপকাৰ নেপাহৰিব।
থাকিব সদায় তেওঁত ধৰুৱা হই।

ক। শত কোটি শলাগ লৈছোঁ সাদৰৰ
যিটি প্ৰাণ আজি তেওঁ ৰক্ষা কৰি দিলে।
থৈছিলো বান্ধিতাক বহুকালৰ পৰা
জয়ন্তীৰ ভৰিত প্ৰেমৰ জৰীৰে।
দেবী মূৰ্ত্তি তেওঁৰ পুজিছোঁ ৰাতি দিন
মৰমৰ প্ৰেম ভক্তি উপহাৰ দি।

জ। নকৰিব মৰম আৰু জয়ন্তীক।
মৰিবলৈ শাও দিয়ক যিমান পাৰে।

( কান্দিবলৈ ধৰে )

ক। কান্দিছাঁ কিয় লাহৰি! নকৰি আনন্দ!
বুজিব নোৱাৰোঁ কিয় দিছাঁ কষ্ট মোক।
আহা চাপি সোনা মোৰ জুৰাওঁ শৰীৰ
সাদৰৰ আলিঙ্গণ কৰি প্ৰেম ভৰি।

ল। বাতুল হ'লানে কি সখি!
শুনিছিলো—পাই মহা আনন্দ হঠাৎ
মানুহ বলিয়া হয়। হ'লাঁ নে কি তেনে?

জ। নহওঁ বলিয়া। কিন্তু বিচাৰোঁ হবলৈ,
যদি পাৰোঁ পাহৰিব প্ৰাণৰ যন্ত্ৰণা।

নতুবা নুমাৰ পাৰোঁ প্ৰেমৰ আগুণ।
উন্মাদ হইলে মই হ'ম ভাগ্যৱতী।
ক। কিয় কোৱা এনে কথা! প্ৰাণৰ পুতলি।
লগালোঁ জগৰ যদি ক্ষমা কৰাঁ, সোণা!
জ। কাৰো দোষ নাই। লীলা মাত্ৰ বিধতাৰ।
নেমাতিব মোক আৰু প্ৰেমৰ কথাৰে।
নেচাব নাথ! ৰূপ মোৰ প্ৰেমৰ চকুৰে।
প্ৰণয়ৰ স্নেহ আৰু নকৰিব মোক।
অভাগিনী জয়ন্তীৰ ফুটিল কপাল।
কৰিছিলো আশা বহু ঠাই পাম বুলি
আপোনাৰ সেই ধীৰ কোমল বুকত,
স্বৰ্গ সুখ ভোগ কৰি কটাম জীৱন।
পৰিলোঁ হঠাৎ খহি পাপী তৰা দৰে।
ক। সঁচা কি জয়ন্তী আহি কথা কৈছে মোক!
নতুবা দেখিছোঁ মই দিনতে সপোন!
জ। সপোনত কৈয়ো কথা চৰা এশ গুণ!
প্ৰেম-ভাব স্নেহ বেথা যত আছে মানে
আমা দুইৰ ভিতৰত জাগি উমলি
ডুবিব লাগিব নৈৰাশ আন্ধাৰত
পাহাৰিব লগা হলোঁ এতিয়াৰ পৰা।

ক। কোৰাঁ ঘটনাৰ কথা আগগুৰি ভাঙ্গি
কাৰ পৰা কি কাৰণে জন্মিল বিপত্তি।
অমৃতত বিহ ঢালিলে কোনে!
কোৱাঁ তাৰ নাম, লওঁ প্ৰতিশোধ।
জ। কুলক্ষিণী জয়ন্তী তাৰ নাম!
ক। কি! তুমিয়ে হলাঁ মোৰ প্ৰাণৰ বৈৰী!
ৰাখিলা যি প্ৰাণ মৃত্যুৰ মুখৰ পৰা।
দংশিব খুজিছাঁ আকৌ ফেঁটী সাপ হই!
কাৰণ কি ইয়াৰ বুজিব নোৱাৰোঁ।
জ। কনচেঙ্গৰ জীৱনেই আচল কাৰণ!
ক। ই কি অদ্‌ভূত ঘটণা!
মোৰ জীৱনেই শত্ৰু হল মোৰ!
যি জীৱন তুমি কৰিছিলা দান
সেয়ে কি হল বিপদৰ মূল।
হৰিলে তোমাৰ মোৰ আগন্তুক সুখ।
নেৰাখোঁ তেন্তে এই অধম জীৱণ।
কি সকাম আছে এনে জীৱনত।
জ। নহব অধৈৰ্য্য কথা বিচাৰ নকৰি।
শুনক মই কওঁ বিপদৰ বৃত্তান্ত।
খুজিলো গৈ চুক্লেঙ্গক সাপৰ ঔষধ —

নাই তেনে আৰু বেজ কোনো ওচৰত—
নিদিছিল ঔষধ প্ৰথমতে। কাকুতি
কৰিলোঁ বহু। মান্তি হল। কিন্তু খুজিলে
দান-ঔষধৰ বেচ। কথাৰ বেগত
ৰাজি হলোঁ দিবলৈ যি দানকে খোজে।
সেই ছল পাই খুজিলে যৌবন মোৰ!
কতনো কৰিলোঁ স্তুতি, নুশুনে আপত্তি।
বিবাহৰ অঙ্গীকাৰ নকৰিলে আগে
নিদিয়ে দৰব। ইপোনে মৰণ দেখোঁ
নিশ্চয় আপোনাৰ। কৰিলোঁ অঙ্গীকাৰ
ললোঁ বজ্ৰাঘাত মুৰ পাতি।
দিলো স্বাৰ্থ বলিদান মোৰ।
তেজিলোঁ মোৰ জীৱনৰ সুখ
আপোনাক জীয়াবৰ অৰ্থে। ( কান্দিবলৈ ধৰে )

ক। ডুবিল জীৱন মোৰ শোক সাগৰত।
প্ৰণয়-বঞ্চিত আশা শুন্য-প্ৰাণ
হব বাঁহ কুচিন্তা পিশাচ প্ৰবৃত্তিৰ,
নিজান জয়াৰ মৰিশালি সম।
কেলেই লাগিছে এনে অধম জীৱন।
মৰণ হে মোৰ প্ৰতি উৎকৃষ্ট অতি।

মৰণত হব আত্মা অনন্তত লয়
লভিব আশ্ৰয় শান্তিৰ ৰাজ্যত।
অন্ত হব শোক দুখ প্ৰণয় বেজাৰ।
প্ৰাণেশ্বৰি! পূজিলো তোমাক হৃদয়ত
বহুকাল। হ'লা তুষ্ট দিলা প্ৰাণ দান।
উছৰ্গিলো এ জীৱন তোমাৰ পদত
ধৰিলোঁ উদাস ধৰ্ম্ম, তেজিলো সংসাৰ,
লোভ মোহ কাম ক্ৰোধ দিলোঁ উপহাৰ
তযু চৰণত! কটাম জীৱন মোৰ
পূজি তযু ৰূপ মোৰ হৃদয়ত ধৰি।
জ। বীৰৰ জনম ধৰি ক্ষত্ৰিয় বংশত
নেসাজে এনুয়া ধৰ্ম্ম আপোনাৰ গাত,
এৰক এই অঙ্গীকাৰ, ধৰক বৰত
সাধিব উন্নতি দেশ, দুখীয়া প্ৰজাৰ।
প্ৰেম-পূৰ্ণ ভক্তি ভাৱে এই শেষ বাৰ
বুলি লওঁ প্ৰাণেশ্বৰ! কৰিলোঁ বিদায়।
( কন চেঙ্গলৈ চাই কান্দি কান্দি ওলাই যায়
ক। প্ৰাণেশ্বৰি! বুলি লওঁ এই শেষ বাৰ!
কৰিছোঁ কামনা শুভ, থাকা যেন সুখে
পতিব্ৰতা পত্নী হই স্বামীৰ বুকত।

অন্ধকাৰ এ জীৱন ! শূন্য ভবিষ্যত !

( ওলাই যায )

নাচনী সকলৰ গীত ।

নোমল প্ৰেমৰ কোমল কলি ধৰিলে কেৰোণ ।

চকুৰ দেখা, মনৰ আশা

নফলিলে সুখ সপোন ।

সজালে ৰতন, কতনো যতন,

ধৰি যেন হৃদয়তে পূৰ্ণিমাৰ জোন,

দেহি ঐ কোনে জানে লাগিব গ্ৰহণ ।

বাঁহৰ এফাল ভাল, মানুহৰ একাল,

ৰঙ্গ বেমালি চকু পানী মিলি হয় জীৱন,

পাৰে কেও খণ্ডাব কি বিধিৰ বন্ধন ।

## পঞ্চম অঙ্ক ।

৪ম পট ।

বিয়া ঘৰ । ভিতৰত বিয় নাম ।

"ওলাই আহাঁ আইদেও এ

( ঐ সখি ) দুৱাৰদলি বাজ ।

ঘৰতে নোৱাৰ লাগে

( ঐ সখি ) নকৰিবা লাজ ।

ওলাই আহাঁ আইদেও এ

( ঐ সখি ) আঙ্গুলিক লেখি ।

ৰই আছে অত প্ৰজা

( ঐ সখি ) তোমাক নে দেখি ।

ওলাই আহাঁ আইদেও এ

( ঐ সখি ) মাটি মঙ্গল চাই

গণকে গণিতা কৰে

( ঐ সখি ) খেন চৰি যায় ।

ওলাই আহাঁ আইদেও এ

( ঐ সখি ) হেন্দোলতে ধৰি

ৰই আছে নোৱাবলৈ

( ঐ সখি ) দৈৱকী সুন্দৰী ।"

প্ৰবেশ—চুক্লেং কোঁৱৰ—দৰা,
মন্ত্ৰী, কনচেং, ৰৰা, লিগিৱা আদি বিষয়া।

মন্ত্ৰী। কোঁৱৰালৈ লিখিৱা, ভিতৰত খবৰ।
ঠিক হৈছে সকলো দৰাৰ ফালে।
মিলিছে খেন ভাল।
আনক কনীয়া উলিআই।

লি। ভাল ডাঙ্গৰীয়া জনাওঁ গৈ ভিতৰত।
( লিঃ ওলাই যায় )

( নাম গাই গাই সখী সকলে কনীয়া সমাজলৈ আনে )

"আমাৰে আই দেও, নিচেই কুমলীয়া
কোমল কলা পাতৰ থুৰি ;
পিন্ধিব নেজানে কবালৰ কাছুটি
বান্ধিব নেজানে চুলি।
কৰফুলৰ কটাৰী, লোৱা মুঠি মাৰি
দিয়াহি পয়জাৰত ভৰি ;
মনতে অসন্তোষ, নকৰা আইদেও
বাসনায় আনিছে টানি।"

( কনীয়াক মাজতলই সখী সকলে নাম গাই নাচ কৰে)

"আগেফাল শুৱনী কাকিনী আমোল এ
পাচে ফাল শুবনীপান ;
বৰ ঘৰ শুবনী জীয়াৰী ছোৱালী
উলিয়াই দিবলৈ টান।
তামোলৰ ঢকুৰা, জোনাকী পৰুৱা
কিয় মনে মাৰি থাকাঁ ;
থাকোঁ মনে মাৰি, লোকৰ ঘৰে বাৰী
কাইলৈ উলিয়াই দিব।"

ল। (জয়ন্তীৰ হাতত ধৰি চুম্লেঙ্গৰ ওচৰলৈ নি )

আহাঁ আগ বাঢ়ি মৰমৰ সখি,

লোৰা বৰি প্ৰান পতি জীৱনৰ ধন।
লাহৰি হাতেৰে ধৰা ফুল মলা
পিন্ধোৱা সাদৰে সাদৰী গলত।
( জয়ন্তীয়ে চুক্লেঙ্গক মলা পিন্ধাবলৈ যায় )
চু। খন্তেক পলম কৰা, শুনা মোৰ কথা।
সত্য কৰি কোঁৱা বাক্য অন্তৰৰ পৰা
জন্মিছে কি প্ৰেম ভাবি তযু হৃদয়ত
মোৰ প্ৰতি প্ৰণয়ৰ নিৰ্ভাজ হেপাহ।
"হয়" বুলিলেও মই নকৰো বিশ্বাস,
আছে যদি জগতত এনে এটি বস্তু
বোলে যাক পবিত্ৰ নিৰ্ম্মল প্ৰনয়।
দুৰ্ঘটনাৰ কোবত, কথাৰ বেগত
বুজিব নোৱাৰি প্ৰশ্নৰ অভিপ্ৰায়
দানৰ শপত কৰি পৰিলা বান্ধত।
ঠৈকত পেলাই লই দাতাৰ অনিচ্ছাত
অনুচিত লোৱা দান, হব মহাপাপ!
পবিত্ৰ প্ৰনয়ৰ ধৰ্ম্ম লক্ষ কৰি
পৰক জীয়ালা নিজ সুখ এৰি।
পবিত্ৰ প্ৰেমৰ চিকণ চানেকি
দেখালা জগতে নিজ স্বাৰ্থ এৰি।

প্ৰেম ভক্তি উপহাঁৰ যেই জনক দি
পুজিছিলা হৃদয়ত বহু আশা কৰি ;
সিজনৰ পৰা কৰা তোমাক বঞ্চিত
হব মোৰ অমঙ্গল অশান্তিৰ মূল।
সত্য আচৰণ আৰু পবিত্ৰ প্ৰেমৰ
অগ্নি পৰীক্ষাত উদ্ধাৰ তুমি হ'লা।
লোৱা তাৰ পুৰস্কাৰ পবিত্ৰা জীয়াৰী !
ৰৱি লোৱা আহি তযু সাদৰৰ ধন।

( চুক্লেঙ্গে জয়ন্তীৰ হাতত ধৰি কনচেঙ্গক মলা নিন্দুমায়—উৰ্ক,লি )

জ। ধন্য কোৱঁৰ ধৰম আপোনাৰ !
নেপাহৰোঁ আপোনাৰ মৰম জীৱণত।
আছে আজি যুবৰাজ।
কালিলৈ হ'ব মহাৰাজ।
থাকে যেন সততে ধৰ্ম্মজ্ঞান।
( আঠুকাৰী ) আশীৰ্ব্বাদ কৰিব।
নেৰাখিব মনত কপট
যদি কিবা কৰিছোঁ অপৰাধ। ( থিৰ হয় )

চু। নিৰ্দ্দোষী ধাৰ্ম্মিক পবিত্ৰা নাৰী তুমি।
লেশ মাত্ৰ অপৰাধ নাহিকে তোমাৰ।

মইহে অজ্ঞান অধম অপৰাধী
মিছাতে যাতনা দিলো তোমাৰ মনত।
( আঠুকাৰি ) ক্ষমা কৰঁা সতি! ধৰিছোঁ তোমাৰ চৰণ।
জ। নহওঁ পাত্ৰ মই ইমান মানৰ।
( হাতত ধৰি তুলি ) ওঠক কোৱঁৰ! কাৰো দোষ নাই।
লীলাখেলা মাত্ৰ ই মনুষ্য জীৱনৰ।
ক্ষমা কৰে যদি জনাও মিনতি এটি।
ৰাখে যেন কথা, মোক লাজে নে পেলায়।
ললিতা মোৰ মৰমৰ সখী।
গুৰিগছ তেওঁৰ জানে আপুনি।
দেখিছে সততে নিজে ৰূপগুণ।
বিবেচনাত মোৰ অতি উপযুক্ত
বিবাহৰ পাত্ৰ হব আপোনাৰ।
কথা বতৰাত বুজিছোঁ অনেক
আপোনালৈ তেওঁৰ আছে অভিলাষ।
আপুনিও তাক জানে ভাল কৈ।
গ্ৰহণ কৰক তেওঁক প্ৰিয় পত্নী বুলি।
সুখী হম আমি সবে আনন্দ লভিম।
চু। নাৰী ৰত্ন তুমি, জ্ঞানী বুদ্ধিমতী।
তোমাৰ বিচাৰক যিটো দেখা ভাল

পাৰেনে কেনোৱে তাক মন্দ বুলিব,
আগ্ৰহৰে মানিছোঁ তোমাৰ আদেশ।

জ। ( ললিতাৰ হাতত মালা এধাৰ দি )
যি জনক বৰি বলৈ আনিছিলা মোক।
তোমাৰ নিজৰ আশা পানীত পেলাই।
লোৱা পুনু তুলি সেই প্ৰণয়ৰ ভাব।
লোৱা বৰি পতি বুলি এই যুবৰাজ।
কৰা ভোগ ৰাজ পাট আনন্দ মনেৰে
যাৰ লোভ আগেয়ে মোক দেখাই ছিলা।
( ললিতায় চুক্লেঙ্গক মলা পিন্ধায়—উৰুলি

গীত নাচ।

প্ৰাণে প্ৰাণে চকুৰে চকুৰে মিলে দুজন।
প্ৰেম বান্ধে।

জিলিকে ফুলনি ফুলৰে ভৰা
গুণ গুণ কৰি আহিছে ভোমোৰা
লয় বাচি যায়, যিটি মনে খায়,
হালি জালি দুটি বাহু মেলি
সাদৰে কৰিছে প্ৰেম আলিঙ্গন।

সোনালী সাজেৰে পাতিছে জোৰা,
ময়না যুৰি ৰূপৰে ভৰা
কোন বিধতাই দিলেহি মিলাই
শোকে মৰি, ভৰশা এৰি
পালে আহি ঘূৰি হৃদয় ৰতন।
পুৰনি কথা বোৰ মনুতে পৰে,
কওঁ বুলি কব লাজতে নোৱাৰে,
বুকে খুন্দিয়াই, মুখলৈ নোলাই,
আছে বেলি হৃদি মেলি
কৰিবা দুজনে প্রেম আলাপন।

অন্ত।